ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী

আঠচল্লিশতম প্ৰকাশ

# ৰঙ্গণ



সম্পাদক

হৃষিকেশ কলিতা

২০২০-২০২১ বৰ্ষ



নিৰ্মীয়মান ৰঙিয়া মহাবিদ্যালয় স্নাতকোত্তৰ শ্ৰেণীৰ অট্টালিকা

আঠচল্লিশ সংখ্যক

# ৰঙ্গণ


ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী

সম্পাদক

**হৃষিকেশ কলিতা**

বৰলীয়াৰ দুপাৰৰ বৌদ্ধিক সৃষ্টিশীলতাৰ উত্তৰণেৰে বগাই অহা
এজাক নতুন তৰুণৰ নব্য আৱিৰ্ভাব, নব্য আয়োজন এই ৰঙ্গণৰ পাত

## ৰঙ্গণ, ২০২০-২১





### সম্পাদনা সমিতি

ড° ব্ৰজেন্দ্ৰ শইকীয়া, মুখ্য উপদেষ্টা
ড° সাৰঙ্গপানি শইকীয়া, উপদেষ্টা
ড° ৰুজাব মুছাহাৰি, তত্বাৱধায়ক
হৃষিকেশ কলিতা, সম্পাদক
ড° দীনেশ লহকৰ, সদস্য
ড° বিজুলি চক্ৰৱৰ্ত্তী, সদস্যা
হেমেন দাস, সদস্য
ধৃতিস্মিতা কলিতা, সদস্যা
হৰ্ষণ কাশ্যপ, সদস্য
চৈয়দা তাবাচ্ছুম আনিছা, সদস্যা
অবিনাশ চক্ৰৱৰ্ত্তী, সদস্য
অনুপ কুমাৰ ডেকা, কাৰ্য্যালয় সদস্য

| | | |
|---|---|---|
| বেটুপাত | ঃ | বিশাল মেধি |
| অংগসজ্জা | ঃ | মানস কলিতা |
| অলংকৰণ | ঃ | স্নেহাশিষ ভৌমিক |
| আৰ্হি আৰু আখৰ বিন্যাস | ঃ | আনোৱাৰ হুছেইন |
| প্ৰকাশক | ঃ | ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০২০-২১ |
| মুদ্ৰণ | ঃ | লক্ষ্মী প্ৰিন্টিং চলিউশনচ্, গুৱাহাটী-৭৮১০০৩, ফোন-৮৭৫১৮০০৫১০ |

### বিশেষ কৃতজ্ঞতা

সন্মানীয় শ্ৰীযুত পবিন কলিতাদেৱ, প্ৰাক্তন মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ, পূব কামৰূপ মহাবিদ্যালয় (আলোচনীৰ বিভিন্ন শিতানত উল্লেখিত ঐতিহাসিক টোকাসমূহ আমি পবিন কলিতাদেৱৰ জ্ঞানালোকৰ আত ধৰি সংগ্ৰহ কৰিছো)




# শ্ৰদ্ধাঞ্জলি কানন

"মৃত্যুওটো এটা শিল্প জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।"

—হীৰেন ভট্টাচাৰ্য (হীৰুদা)



মৃত্যু শিল্পক আৰোহন কৰি অকালতে আমাৰ মাজৰ পৰা চিৰবিদায় লোৱা ৰঙিয়া মহাবিদ্যালয়ৰ ৰসায়ণ বিভাগৰ পৰীক্ষাগাৰ ধাৰক পৰমেশ্বৰ শৰ্মাদেৱলৈ আমাৰ গভীৰ শ্ৰদ্ধাৰ অঞ্জলি।







অসম ভূমিৰ সাহিত্য মহাকাশ সেমেকাই ইহজনমৰ লৌকিক পৰিসমাপ্তি ঘটোৱা অসমৰ বৌদ্ধিক জগতৰ দুই মহীৰুহ হোমেন বৰগোহাঁঞি আৰু লক্ষ্মীনন্দন বৰাদেৱলৈ তথা অসমৰ সাংস্কৃতিক জগতৰ যশস্বী সাধক, কণ্ঠশিল্পী ভিটালী দাস বাইদেউলৈ যাচিছো আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি।

কৰ'না মহামাৰীৰ মহাপাশত প্ৰাণ হেৰুওৱা প্ৰতিগৰাকী স্বৰ্গগামীলৈ আমাৰ ৰঙিয়া মহাবিদ্যালয় পৰিয়ালৰ ফালেৰে বিনম্ৰ শ্ৰদ্ধাঞ্জলি।

ড° হিমন্ত বিশ্ব শৰ্মা
**Dr. Himanta Biswa Sarma**

সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
**Chief Minister, Assam**



দিছপুৰ
১৭ চ'ত, ১৪২৮ ভাস্কৰাব্দ
১ এপ্ৰিল, ২০২২ ইং

## শুভেচ্ছাবাণী

ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ' প্ৰকাশৰ বাবে উদ্যোগ লোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

শিক্ষা ব্যৱস্থাক সঠিক দিশেৰে আগুৱাই নিবলৈ হ'লে গুণগত শিক্ষা প্ৰদানত গুৰুত্ব দিয়াটো নিতান্তই প্ৰয়োজন। শিক্ষাই বিদ্যাৰ্থীসকলৰ মানসিক উৎকৰ্ষ সাধনত নিৰ্ণায়ক ভূমিকা লয়। সেয়েহে দেশ নিৰ্মাণৰ একো একোগৰাকী সৈনিক সৃষ্টি কৰাটো শিক্ষাৰ অন্যতম লক্ষ্য হোৱা উচিত। শিক্ষাৰ এই লক্ষ্যপ্ৰাপ্তিৰ দিশত একো একোখন শৈক্ষিক প্ৰতিষ্ঠানে গুৰু দায়িত্ব বহন কৰিব লাগিব। শিক্ষাক কেৱল পাঠ্যপুথিৰ মাজতে সীমাবদ্ধ নাৰাখি ছাত্ৰ-ছাত্ৰীৰ জীৱনচৰ্যাৰ অভিন্ন অংগত পৰিণত কৰাটো শৈক্ষিক প্ৰতিষ্ঠানৰ একান্ত ব্ৰত হোৱা উচিত। আনন্দচন্দ্ৰ আগৰৱালাই এই প্ৰসংগত কৈ যোৱা তলৰ কথাখিনি বিশেষভাৱে উল্লেখযোগ্য—

> *'ভাষা-শিক্ষাই প্ৰকৃত জ্ঞান-শিক্ষা নহয়; জ্ঞান-শিক্ষাৰ উপায় মাথোন। ভাষা-শিক্ষা জ্ঞান-ভাণ্ডাৰৰ দুৱাৰ স্বৰূপ। যিৰূপ জ্ঞান আৰ্জিলে বুদ্ধিৰ বিকাশ হয়, ভ্ৰম আৰু কুসংস্কাৰ দূৰ হয় আৰু জগতৰ প্ৰকৃত নিয়ম-প্ৰণালী জানি কৰ্তব্যাকৰ্তব্য নিৰূপণ কৰি নিজৰ আৰু জনসমাজৰ সৰ্বপ্ৰকাৰ হিত সাধন কৰিব পৰা যায় তেনেকুৱা জ্ঞানৰ শিক্ষা লাগে।'* (আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী, পৃষ্ঠা নং ১৭)

আশা কৰিছোঁ, এই কথা হৃদয়ংগম কৰি ৰঙিয়া মহাবিদ্যালয়ে গুণগত শিক্ষাৰে উপযুক্ত মানৱ সম্পদ গঢ়াত অধিক দায়বদ্ধতাৰে আত্মনিয়োগ কৰিব। মই ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)





।। চিৰ চেনেহী মোৰ ভাষা জননী।।

# অসম সাহিত্য সভা


স্থাপিত ঃ ১৯১৭ চন

# ASAM SAHITYA SABHA

Estd. : 1917

website : https://asamsahityasabha.org/

ড° কুলধৰ শইকীয়া
সভাপতি



Dr. Kuladhar Saikia
President

## শুভেচ্ছাবাণী

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ বাৰ্ষিক আলোচনী 'ৰংগণ'ৰ ২০২০-২১ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ পথত বুলি জানিব পাৰি মই সুখী।

যিকোনো শিক্ষানুষ্ঠানৰ বছৰেকীয়া আলোচনীত সেই শিক্ষানুষ্ঠানখনৰ শিক্ষক-কৰ্মচাৰী আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভাৰ চিন স্পষ্টভাৱে জিলিকি উঠে। প্ৰকাশ হ'বলগীয়া 'ৰংগণ'ৰ এই সংখ্যাটিত আমি তাকেই দেখিবলৈ পাম বুলি আশা কৰিলোঁ।

আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ হৈ পাঠক সমাজৰ সমাদৰ অৰ্জন কৰক—এই কামনাৰে মই সম্পাদনা সমিতিৰ আটাইলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

(ড° কুলধৰ শইকীয়া)
সভাপতি
অসম সাহিত্য সভা
গুৱাহাটী, ১২ মাৰ্চ, ২০২২ খ্ৰীষ্টাব্দ

মুখ্য কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট
HEAD OFFICE : CHANDRAKANTA HANDIQUE BHAWAN, JORHAT
যোগাযোগৰ ঠিকনা ঃ অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১
Address : Asam Sahitya Sabha, Bhagawatiprasad Barua Bhawan, Guwahati : 781001 • email : asam.sahitya.sabha@gmail.com

**BHABENDRA NATH DEKA**
**Retd. Principal, Rangia College**
**Former Chancellor, MSSV, Nagaon**
**Vill : Murara, Rangia, Assam**



# Message

I am highly pleased to know that the 48th issue of Rangia College magazine Rangan for the session 2020-21 is going to be published very soon. The Editorial Board with the help of the college antharity, has completed of college magazine is a very important academic and creative literary activity. It gives scope to the young learners to experts their literary talents and the knowledge they have acquired and also their thoughts, feelings and ideas, Moreover , the college magazine preserves the records of academic achievements of the students and teachers and the achievements of distinguished students in various literary cultural, sports and other co-curricular activates during the session.

Rangia college has been recognized as a highly prestigious and advanced higher educational institution of the state catering to the educational needs of young boys and girls of a vast region of the north bank and of our state in the fields of Arts, Science, commerce and number of vocational subjects. The college has already introduced P. G. Courses in as many as eight different subjects Bodo, Economics, Assamese, English, Education, Sanskrit and Botany with due permission of the G. U. authorities. The Govt. of Assam has accorded permission to introduce P. G. Crouse in all the subjects of all three disciplines and sanctioned Rs. 10 core the contraction of P. G. Block of Building and its infrastructure development. The grand P. G. Blocse of building is nearing completion which will be opened soon. The college authority has decided to introduce P. G. courses in various departments phase wise and it is expected that Rangia College is going to be upgraded to a rural university in the near future keeping these facts in mind, I do sincerely hope and dust the college magazine will be a high standard publication untaining at least a number of research articles of teachers and students in various subjects. I hope that henceforth the college authority will take necessary steps to publish the magazine during the uncared academic session itself.

I extend my sincere thanks to the Editor and the members of the Editorial Board for their fincers efforts to publish the 48th volume of Rangia on a befitting manner and wish the magazine a grand success.

**Bhabendra Nath Deka**
President
Governing Body, Rangia College





# ৰঙিয়া মহাবিদ্যালয়ৰ দাপোণ সদৃশ বাৰ্ষিক আলোচনী 'ৰঙ্গণ'লৈ শুভেচ্ছাবাণী



ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী "ৰঙ্গণ" এখন দাপোণ। যাৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত হয় মহাবিদ্যালয়খনৰ বৰ্ণিল ইতিহাস। যাৰদ্বাৰা প্ৰতিফলিত হয় জ্ঞান গৰিমাৰে সমৃদ্ধ বহু ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা। শৈক্ষিক ক্ষেত্ৰখনত ৰঙিয়া মহাবিদ্যালয়ক স্ব-গৰিমাৰে উপস্থাপন কৰাৰ অন্যতম মাধ্যম "ৰঙ্গণ"।

"নহি জ্ঞানেন সদ-শং পৱিত্ৰমিহ ৱিদ্যাতে" এই মহোক্তিৰে মহীয়ান হৈ যিসকল স্বপ্নদ্ৰষ্টাই ১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখে মানৱ সম্পদ গঢ়া উচ্চশিক্ষানুষ্ঠানখন গঢ়িলে সেইদিনৰে পৰা প্ৰতিবছৰে প্ৰকাশ পাই আহিছে "ৰঙ্গণ"। মহাবিদ্যালয়খনৰ শিক্ষক কৰ্মচাৰীৰ লগতে বিশেষকৈ বৌদ্ধিক চিন্তা চেতনাৰে সমৃদ্ধ ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীল লিখনি সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ কৰি পঢ়ুৱৈ সমাজৰ সমাদৰ বুটলিবলৈ সক্ষম হৈছে "ৰঙ্গণে"। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰতিবছৰে প্ৰকাশ কৰাতো এক পৰম্পৰা আৰু শুভ লক্ষণ। এই পৰম্পৰা অক্ষুণ্ণ ৰাখি ২০২০-২১ শৈক্ষিক বৰ্ষৰ "ৰঙ্গণ" প্ৰকাশৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে বুলি জানি মই সুখী হৈছোঁ। মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে মই আশা কৰিম "ৰঙ্গণে" মহাবিদ্যালয়খনৰ বিকাশৰ ধাৰা আৰু জ্ঞান অন্বেষী ছাত্ৰ-ছাত্ৰীৰ সুৰুচিপূৰ্ণ লিখনিসমূহ সুন্দৰ ৰূপত প্ৰতিফলিত কৰিব।

ৰণদিয়া ৰঙিয়াৰ বুকুত স্ব-জ্ঞান গৰিমাৰে মহিমামণ্ডিত হৈ জিলিকি থকা উচ্চশিক্ষানুষ্ঠান ৰঙিয়া মহাবিদ্যালয়। জ্ঞান-বিজ্ঞান অন্বেষী বহু ছাত্ৰ-ছাত্ৰীৰ আগমনে আমাক মহাবিদ্যালয়খনক ধন্য আৰু জাতিষ্কাৰ কৰি আহিছে। ছাত্ৰ-ছাত্ৰসকলৰ শৈক্ষিক মানসিক, দৈহিক, সাহিত্য-সংস্কৃতি আদি কৰি বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা যিমানেই উন্নত হ'ব সিমানেই মহাবিদ্যালয়খনৰ গৰিমা বৃদ্ধি হ'ব। স্নাতক, স্নাতকোত্তৰ, বৃত্তিমুখী, ব্যৱসায়িক শিক্ষাৰে পৰিবেষ্টিত এই বৃহৎ অনুষ্ঠানটিৰ পৰা শিক্ষা গ্ৰহণ কৰি ইতিমধ্যে বহু ছাত্ৰ-ছাত্ৰী বিভিন্ন ক্ষেত্ৰত মৰ্যদা সহকাৰে প্ৰতিষ্ঠিত হৈছে। যাক লৈ আমি গৌৰৱান্বিত। স্বৰ্ণ জয়ন্তী গৰকি হীৰক জয়ন্তী বৰ্ষলৈ ধাৱমান হোৱা এই মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতাৰ্থত মানব সম্পদ হিচাপে গঢ় দিয়াৰ লক্ষ্যৰে নিৰৱচ্ছিন্ন ভাবে চলাই যাব বৌদ্ধিক সংগ্ৰাম। এয়া আমাৰ সংকল্প।

সদৌ শেষত ২০২০-২১ বৰ্ষৰ আলোচনী সম্পাদক, তত্ত্বাৱধয়াক আৰু সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়াক আলোচনী "ৰঙ্গণ" প্ৰকাশৰ প্ৰস্তুতি লোৱা বাবে অলেখ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আহক আমি সকলোৱে মহাবিদ্যালয়খনৰ শ্ৰীবৃদ্ধি সাধনত ব্ৰতী হওঁ হক।

৪/১
2022


ড° ব্ৰজেন্দ্ৰ শইকীয়া
অধ্যক্ষ, ৰঙিয়া মহাবিদ্যালয়




"কৰ্ম্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন।
মা কৰ্ম্মফলহেতুৰ্ভুৰ্মা তে সঙ্গোহস্ত্ব কৰ্ম্মণি।।"

কৰ্ত্তব্য নিৰ্বাহনৰ পলকত ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়

**ড° ব্ৰজেন্দ্ৰ শইকীয়া**



# ৰঙিয়া মহাবিদ্যালয় সংগীত

কথা ঃ ডিম্বেশ্বৰ বৰুৱা, প্ৰাক্তন ছাত্ৰ

সমুখ সমৰ শতৰু হুৰাই
জাতে-পাতে আমি ৰণদিয়া,
নানা জাতি-উপজাতিৰ সমন্বয়
ৰাংঢালী ৰঙিলী হ'ল বৰলীয়া।।

সহস্ৰ জনতাৰে শ্ৰমৰ ঘামত
বনগাওঁ বননিত ফুলিল পদুম,
মহাবিদ্যালয় হ'ল ৰণদিয়া ৰঙিয়াত
নন্দিত বন্দিত হ'ল আমাৰ সপোন।।

সন্ধ্যাৰজা আৰু হৰদত্ত বীৰ
স্বাক্ষৰ হৈ আছে ইতিহাসত,
আৰিমত্ত বীৰ মৰিও অমৰ
তাৰেই প্ৰমাণ সৌৰা বৈদ্যগড়ত।

সময় আগুৱাই গ'ল!
জীৱন জাতিস্কাৰ হ'ল
জ্ঞানৰ শলিতা জ্বলি!
এন্ধাৰৰ ভেটা ভাঙি
মহাবিদ্যালয়ৰ কিৰিতি হ'ল যুগমীয়া।

বিন্দুতে সিন্ধুৰ মহান প্ৰকাশ
উজলি উঠিল আজি ৰঙীন আকাশ
নতুন পুৰুষে দিব সোণালী সমন্বয়
হৈ ৰব অক্ষয়-অব্যয়
ৰং আনি ৰং মনে ৰং মহলৰ
উদুলি মুদুলি হ'ল এয়া ৰঙিয়া।



# সম্পাদকৰ কাপেৰে



"নতুন সৃষ্টিৰ কৰ্মশালাত অগ্নি ভয়ংকৰ
ভূমিকম্প কৰি আনিছোঁ প্ৰধান খনিকৰ
হেৰ' নতুন পোহঁৰ পৰা ল'ৰা
হে'ৰ ছোৱালী বুকু সেউজেৰে ভৰা
তোৰ চকুৰ মণিক জ্বলিছে যুগান্তৰ
তোৰ মনলৈ নামিছে সেয়া
নতুন দিনৰ নৱতম খনিকৰ।"

—ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

বিষ্ণু, জ্যোতিৰ আদৰ্শৰ মহালোক আমাৰ ব্যক্তিত্ব বৰ্দ্ধনত সৰ্বদায় চিৰন্তন বৌদ্ধিক উপাদান হিচাপে চিহ্নিত হৈ আহিছে। সেয়েহে জ্যোতিপ্ৰসাদৰ চিন্তনেৰেই আলোচনীখনত নতুন ৰং সনাৰ প্ৰচেষ্টা ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ৰ আলোচনী সম্পাদক হৈ ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ'ৰ কৰ্ম সম্পাদনৰ আৰম্ভৰ পৰাই কৰি আহিছো। নতুন সেই ফটফটীয়া আশা বুকুত সামৰিয়েই ৰঙ্গণৰ এই আঠচল্লিশ সংখ্যাৰ সম্পাদকীয় পাঠকসৱলৈ আগবঢ়ালো।

**আশা-নিৰাশাৰ শেষান্তত ঃ**

'ৰঙ্গণ' ৰঙিয়া মহাবিদ্যালয়ৰ উশাহ, ইয়াৰ প্ৰতিটো পৃষ্ঠাই কঢ়িয়াই নিয়ে মহাবিদ্যালয়খনৰ বৌদ্ধিক উত্তৰণৰ সাক্ষ্য প্ৰজন্মৰ পৰা প্ৰজন্মলৈ অৱধাৰেৰে।

বুকুত এজাউৰী আশা লৈ আমি নিৰ্বাচনত জয়ী হৈছিলো, আশাৰ মধ্যমণি আছিল 'ৰঙ্গণ'ক সময়মতে ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিয়াৰ, সেই অনুসাৰে কৰ্মও আৰম্ভ হৈছিল। পিছে কাল ক'ৰণাৰ দ্বিতীয়টো মহাঢৌৰ কোৱাল সোঁতে স্থবিৰ কৰি পেলাইছিল আমাৰ লহপহীয়া নতুন আশাক। সামৰি থ'বলগীয়া হৈছিল ৰঙ্গণৰ সমস্ত কাম-কাজ প্ৰায় ছমাহৰ বাবে। এই বেলা আঁতৰি পৰিস্থিতি পুনৰ স্বাভাৱিক হোৱাত আমি আকৌ পূৰ্ণজোৰেৰে ৰঙ্গণৰ কৰ্মত ব্ৰতী হওঁ আৰু চলিত মাহতেই ৰঙ্গণক প্ৰকাশ কৰাৰ অইন এক নতুন আশা আমি বুকুত সাচিছোঁ।

অৱশ্যে ৰঙ্গণৰ প্ৰকাশৰ পলমৰ বাবে আমি নিজক দোষমুক্ত বুলি নকওঁ, সেই গতিকে ৰঙিয়া মহাবিদ্যালয়ৰ বৃহত্তৰ ছাত্ৰ সমাজৰ ওচৰত আমি ক্ষমা প্ৰাৰ্থী।

**উদাৰতাৰ উশাহ ঃ**

সাম্প্ৰতিক সময়ত ছাত্ৰ মানসপটত সামাজিক পৰিৱেশ চিন্তাৰ আৱৰ্তত। কোনো লালসাপিপাসুৰ চতুৰতাৰ কবলত যেন এতিয়া অসমভূমিৰ সমস্ত সামাজিক পৰিৱেশৰ পটভূমি। এই পটভূমি ছাত্ৰ ৰাজনীতিৰ পৰা আৰম্ভ কৰি ছাত্ৰসকলৰ ব্যক্তিগত জীৱন তথা তেওঁলোকৰ সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰতো বৰ্তমান সময়ত পৰিলক্ষিত হয়। ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাত 'বৈচিত্ৰ্যৰ মাজত একতা' বৈশিষ্ট্যৰ আঁত ধৰি অতীজৰ বৰ অসমৰ পৰায়েই অসম মূলকৰ সামাজিক পৰিৱেশ সৰ্বভাৰতীয় পৰিৱেশতকৈ কিছু এক সামঞ্জস্যৰ বাহিৰে পৃথক। ভৌগোলিক ক্ষেত্ৰতেই হওঁক বা ধৰ্মীয় উদাৰতাৰ ক্ষেত্ৰতেই হওক অসমকে ধৰি সমগ্ৰ উত্তৰ পূৱতেই

এক উদাৰনৈতিক সামাজিক পৰিৱেশে অতীতৰ পৰাই বিৰাজ কৰি আহিছে। সমন্বয়, মিলাপ্ৰীতি অথবা সংহতি য'ত মূল স্তম্ভ হিচাপে স্বীকৃত, সেইয়াই অসমীয়া সমাজখনক বৰ্তমানৰ প্ৰেক্ষাপটলৈ এখন বৈচিত্ৰ্যপূৰ্ণ সমাজৰূপে বোৱাই আনিছে। কিন্তু বৰ্তমান সময়ছোৱাত গুৰুজনাই গঢ়ি যোৱা সেই বৰ অসমৰ সামাজিক মিলাপ্ৰীতিৰ বিশেষত্বখিনি যেন ধৰ্মীয় উন্মাদনা সংপৃক্ত এক সমাজৰ ছবিলৈ বৰ্তমান সময়ত ৰূপান্তৰিত হৈছে। আমি নতুন দিনৰ বিদ্যাৰ্থীসকলে ব্যক্তিগত স্বাৰ্থৰ ওপৰত ধৰ্মীয় আৱেগৰ আঁৰকাপোৰেৰে যিসকলে সমাজখনক কোঙা কৰি নিজৰ লাভা লাভ আদায়ৰ কুৎসা ৰচনা কৰি আছে, সেই সকলক চিনিব লাগিব, সেই সকলৰ কুট-কৌশলক আমি ওফৰাব লাগিব-বৌদ্ধিকতা আৰু জ্ঞানৰ আঁকৰেৰে আমাৰ মানসিকতাত উৎকৰ্ষিত কৰা উদাৰতাৰ চৰিত্ৰৰে। যি উদাৰতাৰে গুৰুজনাই গঢ়িব বিচাৰিছিল বৰ অসমৰ বৰ ছবি, যি উদাৰতাৰে বিষ্ণু-জ্যোতি, ভূপেন হাজৰিকাই গঢ়িব বিচাৰিছিল সোণৰ অসমৰ সোণৰ ছবি। আমি সেই উদাৰতাৰেই গঢ়িব লাগিব গুৰুজনাৰ সপোনৰ, বিষ্ণু -জ্যোতি, সুধাকণ্ঠৰ সেউজ সোণোৱালী অসমৰ ছবি। অসমৰ সেই ছবি হ'ব ভৱিষ্যতৰ অসমৰ সমৃদ্ধিৰ গৌৰৱময়ী ইতিহাস।

**অপভ্ৰংশিত জাতীয় চেতনা ঃ**

জাতীয় চেতনা এটা জাতিৰ বৰ্তমান আৰু ভৱিষ্যতৰ পৰিৱৰ্দ্ধনৰ মূল বৌদ্ধিক উপাদান। জাতীয় চেতনাই জাতিটোৰ ভাষিক, সাহিত্যিক, সাংস্কৃতিক উপাদানসমূহক সমৃদ্ধ কৰাৰ লগতে, দেশীয় বৈশিষ্টলৈও বৰঙণি যোগায়। জাতিটোৰ উত্তৰণ তথা বৰ্তমানৰ স্থিতিৰ ক্ষেত্ৰত জাতিটোৰ মানসিক স্থিতিত এক শুদ্ধ আৰু পবিত্ৰ জাতীয় চেতনাৰ ৰূপে ঠাই লোৱা দৰকাৰ।

কিন্তু, অসমৰ প্ৰেক্ষাপটত, অসমীয়া জাতীয় চেতনা অথবা জাতীয়তাবাদৰ ক্ষেত্ৰত ই এক অপভ্ৰংশিত ভুৱা ৰাজনৈতিক স্বৰূপ হিচাপে বিৰাজ কৰা অসমীয়া সমাজত পৰিলক্ষিত হয়। যি ৰূপত লুকাই থাকে জাতিটোৰ ঐতিহ্য। সেই ঐতিহ্য বৰ্তাই ৰখাৰ বাবে বুকুৰ টোপ টোপ তেজৰ চেকুৰাৰে অসমী আইৰ বুকু ৰাঙলী কৰা অযুত ব্যক্তিত্বৰ চৰম বলিদানক বুজি নোপোৱাৰ আৰু বুজি পাবলৈ নিদিয়াৰ এক বিকৃত আৰু দূষিত মানসিকতা। যি মানসিকতাত উজ্জীৱিত তথা সক্ৰিয় হৈ থাকে অমানুষিকতা তথা দুৰ্নীতিপৰায়ণতাৰ চেতনা। এইধৰণৰ তথাকথিত স্বাৰ্থলোভী জাতীয় চেতনাৰে পৰিপোষিত ব্যক্তিত্ববৃন্দই অসমীয়াত্বৰ প্ৰকৃত স্বৰূপক উপলব্ধি কৰিব নোৱাৰে। প্ৰকৃত জাতীয়তাবাদৰ স্বৰূপ তথা অসমীয়া সমাজ জীৱনত ইয়াৰ প্ৰভাৱৰ অজ্ঞাতে, এনেহেন ব্যক্তিৰাজিৰ মানসিক উপলব্ধিতে অসমীয়াত্বৰ স্বৰূপ তেনেই বিকৃত ৰূপৰ। অসমীয়া সংস্কৃতি, ভাষা, সাহিত্য তথা ঐতিহ্যৰ গৰিমা এনেধৰণৰ ব্যক্তিয়ে কেতিয়াও উপলব্ধি কৰিব নোৱাৰে। এই ধৰণৰ ব্যক্তিবৃন্দৰ চেতনাত জাতীয় বোধ মাথোঁ এক ৰাজনৈতিক চিন্তা আৰু উপকৰণ। জাতীয় চেতনাৰ গভীৰতম প্ৰভাৱ তথা গুৰুত্বৰ বিষয়ে এওঁলোক অজ্ঞ। আমি নতুন ছাত্ৰ সমাজে আমাৰ নিজ জাতি তথা ইয়াৰ ভাষা, সাহিত্য, সংস্কৃতি, ভাস্কৰ্য শিল্প, ভৌগোলিক তথা ৰাজনৈতিক ইতিহাস, জাতীয় চেতনাৰ স্বৰূপ তথা জাতীয় চেতনাৰ জীৱন তথা পৰিৱৰ্ধনৰ হকে বিভিন্ন সময়ৰ বুকুত বিভিন্ন আন্দোলনৰ মাজেৰে এমুঠি অসমীয়াই বুকুত পাতি লোৱা গুলীটোৰ গভীৰতাৰ বিষয়ে অধ্যয়ন কৰাৰ দৰকাৰ, বুজি পোৱাৰ দৰকাৰ আৰু ইয়াৰ জৰিয়তে আমি অপভ্ৰংশিত ৰূপটোৰে জাতীয় চেতনাক সজাই আত্মলাভৰ স্বপ্ন ৰচনা কৰা সুবিধাকামী সকলক চিনিব পাৰিম আৰু জিনিব পাৰিম। ইয়াৰ দ্বাৰাই এক সুস্থ তথা নিৰ্মল জাতীয় চেতনা নতুন সমাজৰ নতুন অসমৰ সামাজিক পৰিৱেশত প্ৰস্থাপিত কৰি আমি সমাজখনক আগুৱাব লাগিব, আমি জাতিটোক আগুৱাব লাগিব।

**একাত্মিকাবোধ কল্যাণৰ মূল উপপাদ্য ঃ**

এতিয়াৰ সময় কঠিন সময়, সমাজখনক চাৰিওফালৰ পৰা চেপি ভাৰতৰ সাতামপুৰীয়া একাত্মিকতাক খণ্ড খণ্ড কৰি ৰাজসিংহাসনৰ চাৰিওটা খুঁটা গঢ় দিয়াৰ সময় এয়া। গতিকে এনেহেন কঠিন সময়ৰ কঠিন সামাজিক পৰিৱেশত আমি নতুন প্ৰজন্ম সজাগ আৰু সচেতন হোৱা অতি দৰকাৰ। জাতীয়, ধৰ্মীয় উন্মাদনাৰে সমাজখনক উশৃঙ্খল কৰি, সমাজৰ একতাক উৎখাত কৰি ব্যক্তিগত উত্থানৰ সপোন দেখা চিন্তাসমূহক আমি চিনি পাব লাগিব আৰু তেনে চিন্তাক আমি ভস্মীভূত কৰিব লাগিব আমাৰ চিন্তাৰ





অনলেৰে। আমি জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে এক ভাৰতীয় হোৱাৰ গৰিমাক উপলব্ধি কৰিব লাগিব আৰু সমাজখনত শেষ হ'বলৈ ধৰা একাত্মিকাবোধক পুনৰ উজ্জীৱিত কৰিব পাৰিব লাগিব। তেতিয়াহে আমি আমাৰ উত্তৰ প্ৰজন্মলৈ আগবঢ়াই দিব পাৰিম গুৰুজনাই গঢ়ি থৈ যোৱা সেই আদৰ্শ সমাজখনক, বিষ্ণু-জ্যোতিৰ সেই সপোনৰ একতাৰ সমাজখনক, ৰসৰাজৰ ধনী সমাজকখনক. যিখন সমাজত জাতি, ধৰ্ম, ভাষাৰ প্ৰকৃত অস্তিত্ব বজাই বৃহত্তৰ সামাজিক ক্ষেত্ৰত আমি কেৱল মানুহ হৈ জীয়াই থাকিব পাৰিম।

**সামৰণি ঃ**


এজাক তৰুণেই গঢ় দিয়ে একোখন সমাজ, একোটা সভ্যতা। আমিও সেই তৰুণ এজাকৰেই অংশ। গতিকে, সভ্যসমাজ এখন গঢ় দিয়াৰ সেই ঐতিহাসিক স্বপ্ন আমাৰ বুকুতো প্ৰজ্বলিত হৈ আছে। তাৰেই তাড়নাৰে আমি ওলাই আহিব খুজিছো ৰঙ্গণৰ পাতত। আমি আগবঢ়াই দিব বিচাৰিছো এখন সময়োপযোগী বৌদ্ধিক উপকৰণ ৰঙ্গণৰ ৰূপেৰে আজিৰ তৰুণলৈ, আজিৰ সমাজৰ বুকুলৈ। ৰঙ্গণে ৰূপ দিয়ক এজাক নতুন তৰুণৰ নতুন চিন্তাক নতুন ৰূপেৰে। তেতিয়াহে সাৰ্থক হ'ব আমাৰ এই বিনম্ৰ প্ৰচেষ্টা।

জয়তু ৰঙিয়া মহাবিদ্যালয়
জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা

হেঁপাহেৰে—

22/10/22

হৃষিকেশ কলিতা




চিত্ৰ— স্নেহাশীষ ভৌমিক





# সূচীপত্ৰ

**প্ৰবন্ধ মালা ঃ**


| | | |
|---|---|---|
| ❖ যুৱ-শিক্ষাৰ নৱ প্ৰৱণতা | দিগন্ত বিশ্ব শৰ্মা | ১৭ |
| ❖ ইতিহাসত ৰঙিয়াৰ ৰং | পবিন কলিতা | ২১ |
| ❖ Organic Farming | Dr. Sarangapani Saikia | ২৯ |
| ❖ BETI BACHAO! BETI PADAO! | Dr. Mofidul Hassan | ৩১ |
| ❖ ডুবন্ত ৰেলগাড়ীত মৃত্যুঞ্জয়ী গান | মনোৰঞ্জন কলিতা | ৩৩ |
| ❖ শ্ৰদ্ধেয় শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈদেৰৰ কৰ্মজীৱনৰ এক চমু আভাস | অমৃত চন্দ্ৰ নাথ | ৩৫ |
| ❖ Views of Swami Vivekananda on Women Education | Dr. Snigdha Sarkar | ৩৮ |
| ❖ 'কৰ্ম'ৰ দিব্যত্ব শক্তি আৰু কিছু দাৰ্শনিক ভিত্তি | ভৰত শৰ্মা | ৪০ |
| ❖ মহাকবি-কালিদাসস্য কাব্যপ্ৰতিভা | দীপা ভট্টাচাৰ্য | ৪৩ |
| ❖ কোভিড-১৯— ইয়াৰ ভয়াবহতা, শৈক্ষিক, অৰ্থনৈতিক, | | |
| ❖ সামাজিক জনজীৱনত ইয়াৰ প্ৰভাৱ | ৰাজীৱ দেৱান | ৪৫ |
| ❖ Mahatma Gandhi's Philosophy of Sarvodaya | | |
| ❖ and its Implications in the Society | Subhasree Rajkhowa | ৪৮ |
| ❖ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ঃ ডিজিটেল আৰু অনলাইন শিক্ষা | জুৰী দাস | ৫১ |
| ❖ Responsible consumption for mitigating climate change Questioning consumption: A way to mitigate climate change | Ujjal Pratim Dutta | ৫৩ |
| ❖ অন্ধবিশ্বাস, অজ্ঞানতা আৰু ডাইনী প্ৰথাৰ বিৰুদ্ধে | দীপজ্যোতি দাস | ৫৫ |
| ❖ আস 'খান্দা | খ্ৰোমদোন মোসাহাৰী | ৫৭ |
| ❖ BIOPLASTIC | Purnima Swargiary | ৫৯ |
| ❖ Marria Montessori | Nekita Bhowal | ৬০ |
| ❖ HOW RATAN TATA 18 MAKING INDIA GROW | Bitupan Deka | ৬১ |
| ❖ মালালা ইউছুফজাই | জুনুমণি নাথ | ৬২ |
| ❖ অৰণ্য মানৱ যাদৱ পায়েং | চয়নিকা কলিতা | ৬৪ |
| ❖ সপোন গঢ়া জীৱনৰ লক্ষ্য | চাজিদা বেগম | ৬৫ |
| ❖ অসম গৌৰৱ - অসমীয়া নাৰী | ৰাজশ্ৰী কলিতা | ৬৬ |
| ❖ উপদেশতকৈ আৰ্হি ভাল | ধৃতিস্মিতা কলিতা | ৬৭ |
| ❖ খ্ৰিথিৰ | দিলিপ বৰ' | ৬৮ |

| | | |
|---|---|---|
| ❖ আত্মবিশ্বাস আৰু ভয় | ত্ৰিদীপ ডেকা | ৭১ |
| ❖ ভুলৰ পৰা শিকিব নোৱাৰিনে? | গৌৰাংগ পাল | ৭২ |
| ❖ A Paper on Problems of Agricultural Sector in Assam | Jintu Kalita | ৭৪ |
| ❖ পৰম্পৰাগত অসমীয়া জলপান | ধৃতাশ্ৰী কলিতা | ৭৭ |
| ❖ গুৰু আসন | অবিনাশ তালুকদাৰ | ৭৮ |
| ❖ শিশু শ্ৰমিক বন্ধ কৰক | নিকিতা বৰ্মন | ৭৯ |
| ❖ সিমাং | চুমি খেৰকাটাৰী | ৮০ |
| ❖ Brain Drain | Disha Moni Nath | ৮২ |
| ❖ ড° ভূপেন হাজৰিকাৰ গীতত স্বদেশপ্ৰেমৰ প্ৰতিফলন | সুভম কুমাৰ গুহ | ৮৩ |
| ❖ Atmanirbhar Bharat | Dipankar Das | ৮৫ |
| ❖ Pandora Paper | Silpi Das | ৮৬ |
| ❖ Trip to Majuli | Dr. Jaya shree Sarma | ৮৭ |
| ❖ Muga Silk pride of Assam | Dimpi Deka | ৮৮ |
| ❖ অননায়নি মুগাব হোলাংনায় বিস | স'নাথি মোসাহাৰি | ৮৯ |
| ❖ Women Empowerment | Ashmita Rajbongshi | ৯২ |
| ❖ Padma Shri Awarded Sindhu Sapkal mother of Orphans | Sikha Jiuari | ৯৩ |


## এমুঠি সাক্ষাৎকাৰ ঃ


| | | |
|---|---|---|
| ❖ অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে বাৰ্তালাপ | হৃষিকেশ কলিতা | ৯৫ |
| ❖ আমেৰিকা যুক্তৰাষ্ট্ৰৰ অ'হায় (OHIO) বিশ্ববিদ্যালয়ত যোগাযোগ আৰু সাংবাদিকতা বিষয়ৰ গৱেষক ছাত্ৰ হিচাপে অধ্যয়ন কৰিবলৈ সুযোগ পোৱা ৰাজা দাস (ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক)ৰ সৈতে এমুঠি আলাপ | হৃষিকেশ কলিতা | ৯৮ |


## গল্পানুগল্প সম্ভাৰ ঃ


| | | |
|---|---|---|
| ❖ জীৱনৰ আধৰুৱা সপোন... | বীনা বৰুৱা | ১০৭ |
| ❖ অনুগল্প | চনচিতা বড়ো | ১১২ |
| ❖ এটি উপকাৰৰ মূল্য | বিশ্বজিৎ হালৈ | ১১৩ |
| ❖ সন্ত্ৰাস | নৱনীতা কলিতা | ১১৬ |
| ❖ এটি ভয়ানক নিশা | অঞ্জন হালৈ | ১১৭ |
| ❖ এক ৰহস্যৰ সমাধান | চিন্ময় কলিতা | ১১৯ |






## কাব্য বিথীকা ঃ


| | | |
|---|---|---|
| ❖ মায়া | নীলিম কুমাৰ | ১২১ |
| ❖ ভালপোৱা | হিমাংশু প্ৰসাদ দাস | ১২১ |
| ❖ চোঁচৰাই লৈ অনা স্বৰ্গৰ ৰজাসকলৰ কফিন | গৌতম দৈমাৰী | ১২২ |
| ❖ আত্মজাহ | ইমদাদুল আলী | ১২২ |
| ❖ অশান্ত ইলেক্ট্ৰ'ন | ড° হিতেশ বৰ্মন | ১২২ |
| ❖ নতুন প্ৰভাত আকৌ হ'ব | গোবিন্দ ওৰাং | ১২৩ |
| ❖ দৌপদী | হৃষিকেশ কলিতা | ১২৩ |
| ❖ আই মাতৃৰ চকুলো | অংকিতা দাস | ১২৪ |
| ❖ শাৰদী | বৰষা শৰ্মা | ১২৪ |
| ❖ চোতাল | বিশ্বজিত কলিতা | ১২৫ |
| ❖ অন্তহীন যাত্ৰা | চাহিল আহমেদ | ১২৫ |
| ❖ সন্ধান | বিশ্বজিৎ বৰ্মন | ১২৬ |
| ❖ নিচাত মাতাল আজি বেইমান হৃদয় | নিশান্ত বৰ্মন | ১২৬ |
| ❖ অমানিশা | সুমত দাস | ১২৭ |
| ❖ পুৰতিৰ হাঁহি | মানস কলিতা | ১২৭ |
| ❖ সপোনৰ শেষ ৰাতি | ৰিম্পা আহমেদা | ১২৮ |
| ❖ এঘৰীয়া | ইমদাদুল আলী | ১২৮ |
| ❖ আজিও ৰাতিটো উজাগৰেই পাৰ হ'ল | ডিম্পী বৰ্মন | ১২৯ |
| ❖ নদী | হাজিমা বেগম | ১২৯ |
| ❖ ফাগুন | প্ৰতিভা দাস | ১৩০ |
| ❖ বৰষুণ আৰু কৃষক | আচখাহাৰা বেগম | ১৩০ |
| ❖ নিঃসংগতা | গোবিন্দ ওৰাং | ১৩১ |
| ❖ আহঃ ৰোহিংগ্যা | নিকিতা নাথ | ১৩১ |
| ❖ শেৱালি | মিছ জেনিফা জেচমিন | ১৩২ |
| ❖ চুটি পদ্য | বিশ্বজিৎ কলিতা | ১৩২ |
| ❖ চুটি পদ্য | চাহিল আহমেদ | ১৩২ |
| ❖ উল্কা | লৱজ্যোতি দাস | ১৩৩ |
| ❖ কথা | অঞ্জলী ভট্টাচাৰ্য্য | ১৩৩ |
| ❖ বিমূৰ্ত উশাহৰ আশা | জোনাক কাশ্যপ কলিতা | ১৩৪ |
| ❖ আমি নাৰী | আশা কৰ্মকাৰ | ১৩৫ |
| ❖ বসন্তবৰণ | অঞ্জলী ভট্টাচাৰ্যী | ১৩৫ |

| | | |
|---|---|---|
| ❖ उदांस्नि आंनि हादोर | धोरोमसा सर्गीयारि | ১৩৬ |
| ❖ दुब्रि हाग्रा | करिश्मा खाखलारी | ১৩৭ |
| ❖ सोहोरनि मोनजायि नों | सुसील बसुमतारी | ১৩৭ |
| ❖ बै जोंथि सोरां | बिदिन्था ब्रह्म | ১৩৮ |
| ❖ हांसो सिलारि | दैमु कसारी | ১৩৮ |
| ❖ उदांस्नि | रंगिना दैमारी | ১৩৯ |
| ❖ नोंनिनो | लैथोमा सर्गीयारि | ১৩৯ |
| ❖ सोर नों | बिर'द बर' | ১৪০ |
| ❖ बिमानि रावखौ गोबानानै | जसना सर्गीयारि | ১৪০ |
| ❖ Netaji... | Ritu Maya Pradhan | ১৪১ |
| ❖ Yooth | Rahul Arania | ১৪১ |
| ❖ Overmorrow | Rittika Lahkar | ১৪২ |
| ❖ Weeping Mother | Pooja Kumari Ray | ১৪২ |
| ❖ Glorious Past | Nishita Sarma | ১৪৩ |
| ❖ Happiness | Kritika Rajbangsi | ১৪৩ |
| ❖ WINGS | Alife Sabmam | ১৪৪ |

অন্যান্য ঃ

| | |
|---|---|
| ❖ সভানেত্ৰীৰ প্ৰতিবেদন | ১৪৫ |
| ❖ উপ-সভাপতিৰ প্ৰতিবেদন | ১৪৭ |
| ❖ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ১৪৯ |
| ❖ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ১৫০ |
| ❖ আলোচনী সম্পাদকৰ প্ৰতিবেদন | ১৫২ |
| ❖ লঘু খেল সম্পাদকৰ প্ৰতিবেদন | ১৫৪ |
| ❖ बोसोरारि बुंफोरथि | ১৫৫ |
| ❖ তৰ্ক আৰু সাহিত্য সম্পাদিকাৰ প্ৰতিবেদন | ১৫৬ |
| ❖ बोसोरारि दुंफोरथि | ১৫৮ |
| ❖ ছাত্ৰ জিৰণিকোঠা সম্পাদকৰ প্ৰতিবেদন | ১৫৯ |
| ❖ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | ১৬০ |
| ❖ গৌৰৱৰ এপল | ১৬১ |
| ❖ ২০২০-২১ বৰ্ষত ডক্টৰেট ডিগ্ৰী লাভ কৰা ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাবৃন্দ | ১৬১ |
| ❖ ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ'লৈ সেৱা আগবঢ়োৱা সম্পাদকসৱ (১৯৬৬-৬৭ৰ পৰা ২০২০-২০২১লৈ) | ১৬২ |




# ৰজা বৈদ্যদেৱ (১১৩৮) শিতান
# (প্ৰৱন্ধ মালা)

গৌড়ৰ ৰজাৰ সেনাপতি বৈদ্যদেৱে প্ৰাচীন কামৰূপ ৰাজ্যৰ দক্ষিণ অঞ্চল দখল কৰি ৰঙিয়াত স্থায়ী হিচাপে ৰাজধানী পাতিছিল। তেখেতৰ দ্বাৰা প্ৰতিস্থিত ৰাজধানীৰ পৰাই প্ৰাচীন কামৰূপ ৰাজ্যৰ শাসন চলাইছিল, তেখেত আছিল প্ৰাচীন কামৰূপ ৰাজ্যৰ শেষ ৰজা, তেখেতে নিৰ্মাণ কৰা গড়টো আজিও বৈদ্যগড় ৰূপে জনাজাত।

# যুৱ-শিক্ষাৰ নৱ প্ৰৱণতা

**দিগন্ত বিশ্ব শৰ্মা**
বিশিষ্ট শিক্ষাবিদ

সমৃদ্ধ অতীতৰ পৰিধি অতিক্ৰমি সন্ধানী মানৱৰ দৃষ্টি প্ৰসাৰিত আজি সমৃদ্ধতৰ ভৱিষ্যতৰ প্ৰতি। সমৃদ্ধ অতীতৰ বহু ঊষা পাৰ হৈ আমি অভিযাত্ৰী, লক্ষ্য আমাৰ ভৱিষ্যতৰ মধ্যাহ্নদীপ্তি। এয়া এক যুগসন্ধি। অনাগত দিনৰ প্ৰগতিৰ নব্য যুগৰ শীৰ্ষবিন্দুত উপনীত হৈছোঁ আমি। নৱতৰ, বৃহত্তৰ সমন্বয়-সাধন সেয়ে হৈ পৰিছে অপৰিহাৰ্য চৰ্ত আজি। শতাব্দী পূৰ্বে এই বাণী অনুৰণিত হৈছিল শ্ৰীঅৰবিন্দৰ *Essays On The Gita* ত এনেদৰে— *we of the coming day stand at the head of a new age of development which must lead to such a new and large synthesis... we do not belong to the past dawns, but to the noons of the future...*

বৰ্তমানৰ যুগ নৱজন্মসম্ভাৱনাৰ যন্ত্ৰণাৰে পূৰ্ণ; চিন্তা আৰু কাৰ্যৰ যিসমূহ ৰূপৰ মাজত কাৰ্যকাৰিতাৰ বিশেষ শক্তি বা স্থায়িত্বৰ গূঢ় গুণ বিদ্যমান, সেইসমূহ চৰমপৰীক্ষাধীন; সেইসমূহক দিয়া হৈছে পুনৰ্জন্মৰ সুযোগ। দিব্য জীৱনৰ দ্ৰষ্টা শ্ৰীঅৰবিন্দৰ দিব্য দৰ্শনত সেই সত্য ভাস্বৰ হৈ উঠিছিল সেই তাহানিতে, অসামান্য গ্ৰন্থ *The Synthesis of Yoga* ত লিখিছিল— *we are in an age, full of the throes of travail, when all forms of thought and activity that have in themselves any strong power of utility or any secret virtue of persistence are being subjected to a supreme test and given their opportunity of rebirth...*

যুৱশক্তিয়েই অনাগত ভৱিষ্যতৰ চালিকা শক্তি। স্বৰূপতেই হওক বা গতি-প্ৰকৃতিতেই হওক, মৌলিকভাৱেই ভিন্ন ৰূপত উদ্ভাসিত হ'ব ভৱিষ্যৎ। অনাগত ভৱিষ্যতৰ এনে সম্ভাৱনাৰ প্ৰতি প্ৰবুদ্ধ যুৱ-মানস সজাগ আৰু সক্ৰিয়; সেই মানসৰো নেপথ্যত আছে গভীৰ সন্ধানী দৃষ্টি। যুৱ-অস্থিৰতাৰ আছে অৰ্থ; আছে সুগভীৰ তাৎপৰ্য। যুৱ আশা-আকাঙ্ক্ষা দৰাচলতে নৱ স্বপ্ন, নৱ উপলব্ধিৰ আহ্বান মাত্ৰ; সঁহাৰিও হ'ব লাগিব যথোপযুক্ত, গভীৰতম বোধসম্পন্ন।

> ভাৰতআত্মা বিবেকানন্দই কৈছিল— *বহিঃজগতক জয় কৰাৰ কৌশল ভাৰতবৰ্ষই শিকিব লাগিব ইউৰোপৰ পৰা, অন্তৰ জগতক জয় কৰাৰ কৌশল ইউৰোপে শিকিব লাগিব ভাৰতৰ পৰা। ভাৰতীয় আৰু ইউৰোপীয় বুলি তেতিয়া আৰু পৃথক একো নাথাকিব। থাকিব এটা আদৰ্শ মানৱ জাতি—যি জাতিয়ে বহিঃজগত আৰু অন্তঃজগত উভয়কে জয় কৰিছে। মানৱ মহিমাৰ এটা দিশ আমি বিকশিত কৰিছোঁ, তেওঁলোকে কৰিছে অন্য এটা দিশ। প্ৰয়োজন উভয়ৰ সন্মিলন। ...*

শিক্ষাৰ প্ৰকৃত অভিনিৱেশ হ'ল যুৱশক্তি; যুৱশক্তিৰো যথাৰ্থ তন্ময়তা শিক্ষাৰ প্ৰতিয়েই, লক্ষ্যও শিক্ষাই। শিক্ষাৰ দীপ্ত শিখাৰ আলোকৰ মাজতেই জীৱন ধাৰণ কৰে যুৱশক্তিয়ে; জীৱনে সন্ধান পায় স্বচ্ছন্দ গতিৰ সামৰ্থ্য, সুবিন্যস্ত সুসংহত শক্তিৰ। সেই আলোকেই নিৰূপিত কৰে জীৱনৰ লক্ষ্য আৰু সাধনাৰ ক্ষেত্ৰ। জীৱনৰ সত্য, মূল্য আৰু সাৰ্থকতাও নিয়ন্ত্ৰণ কৰে সেই আলোকেই। যুৱ-হৃদয়ত এই আলোক বন্তি প্ৰজ্জ্বলিত কৰি ৰখাই জানো শিক্ষাৰো নিৰৱচ্ছিন্ন মুখ্য লক্ষ্য নহয়?

পৰীক্ষা-পাঠ্যক্ৰমৰ সঙ্কীৰ্ণ পৰিধিৰ মাজত বন্দী আজি যুৱশক্তি; সেই মানসৰ সন্ধানী দৃষ্টিয়ে বিচাৰে বন্দী আত্মাৰ মুক্তি। যেতিয়া আমি যুৱ-কল্যাণৰ কথা কওঁ; চিন্তা কৰো গভীৰভাৱে; দুৰ্ভাগ্যজনকভাৱে তেতিয়াই আমি উত্থাপন কৰোঁ পাঠ্যক্ৰম বহিৰ্ভূত এলানি কাৰ্যসূচীৰ প্ৰসঙ্গ। পাঠ্যক্ৰম বহিৰ্ভূত কাৰ্যসূচীয়েই জানো যুৱ-কল্যাণৰ সমগ্ৰ? যুৱ-আস্পৃহা, যুৱ-স্বপ্নৰ যথা-সৰ্বস্ব? শ্ৰেণী-কোঠাৰ ভিতৰত কল্লোলিত বক্তৃতাৰ সৈতে, পৰীক্ষাৰ পাকচক্ৰৰ সৈতে যুৱ-আনন্দ, যুৱ-কল্যাণ

সংপৃক্ত নিবিড়ভাৱে। উপযুক্তভাৱে সেই কথা কৰো জানো উপলব্ধি? পাঠ্যক্ৰম, পৰীক্ষা, শৈক্ষিক কাৰ্যসূচীসমূহ কিন্তু অব্যাহত থাকে একেদৰেই—নিৰন্তৰ প্ৰবহমান বৈচিত্ৰ্যহীনভাৱে; অথচ শিক্ষা-ক্ষেত্ৰ ৰ বহিৰঙ্গত যুৱশক্তিৰ বাবে আমি নিৰ্ধাৰণ কৰোঁ কেতবোৰ লক্ষ্য আৰু উদ্দেশ্য। যুৱশক্তিয়ে যেতিয়া সঁহাৰি নজনায় তেনে প্ৰয়াসৰ প্ৰতি, তেতিয়া আমি হঠচকিত হওঁ; হৈ পৰোঁ হতাশ, বিস্ময়ান্বিত।

পাঠ্যক্ৰম আৰু পাঠক্ৰম বহিৰ্ভূতৰ ধাৰণা দৰাচলতে মনে গঢ়ি লোৱা কৃত্ৰিম বিভাজন মাত্ৰ, সহজ জীৱনৰ গতিশীল ছন্দৰ প্ৰকাশ নহয়। শিক্ষাৰ প্ৰক্ৰিয়া ধাৰাবাহিক, অখণ্ড। সমগ্ৰ জীৱনেই শিক্ষাৰ অন্তৰ্ভুক্ত । শিক্ষাৰ প্ৰণালীক সেয়ে গঢ়িব লাগিব সংহতভাৱে; শিক্ষা হৈ উঠিব লাগিব সৰ্বব্যাপ্ত। যুৱ-আস্পৃহাৰ সৰ্ব-বিষয়, সৰ্ব-কাৰ্যসূচীকেই পাৰস্পৰিক ছন্দ-সুষমাৰে কৰিব লাগিব শিক্ষাৰ অবিচ্ছেদ্য অংগ। যুৱ সমাজে যাতে মুক্তভাৱে লব পাৰে উশাহ; নিৰ্ভয়, সংশয়হীন হৈ আত্মবিকাশৰ পথত হ'ব পাৰে অগ্ৰসৰ, সেই কথাৰ প্ৰতিও দিব লাগিব গভীৰ মনোযোগ আৰু সতৰ্ক দৃষ্টি।

ভৱিষ্যতৰ চালিকা শক্তি যুৱশক্তি সম্প্ৰতি জৰ্জৰিত। কৰ্মহীনতাৰ আশঙ্কাই ভাৰতীয় যুৱশক্তিক আজিও কৰি তোলে আতঙ্কিত। ভাৰতীয় যুৱ সমাজৰ বৃহৎ অংশ এতিয়াও নিৰক্ষৰ অথবা অৰ্ধ সাক্ষৰ। দাৰিদ্ৰ্য, অজ্ঞানতা, বৈষম্যৰ সমস্যাই এই শক্তিক কৰে বেদনাহত। এনেধৰণৰ সমস্যাৰ সমাধান সহজসাধ্য নহ'ব পাৰে; কিন্তু সেই বুলিয়েই সমাধানৰ বাবে কৰা প্ৰয়াস মধ্যপথত থমকি ৰ'ব নোৱাৰে। অলস আস্থাহীনতা, ভোগবাদ, ৰাজনৈতিক প্ৰতিযোগিতা, স্বাৰ্থপূৰ্ণ বাণিজ্য-সংস্কৃতি, ধ্বংসবাদ ইত্যাদিৰ প্ৰতি যুৱ সমাজক প্ৰলোভিত কৰাৰ নিৰন্তৰ সৰ্বগ্ৰাসী প্ৰয়াস অব্যাহত অতি শক্তিশালীভাৱে। সঙ্গীত, সাহিত্য, কলা অথবা সম্পদ সম্প্ৰতি একাংশৰ বাবে অশিষ্ট, অশ্লীল উত্তেজনা, মাদকতা সৃষ্টিৰ আহিলা মাত্ৰ। ভোগবাদক ন্যায়সঙ্গত কৰিবলৈ আধুনিক প্ৰয়াসৰ বৰ্বৰ আৰু কুৎসিত অংশটো হৈ উঠিছে সক্ৰিয় আৰু সঙঘবদ্ধ। প্ৰগতিবিৰোধী শক্তিয়ে অন্তৰালৰ পৰা এনেদৰে যুৱ-আস্পৃহাক কৰিছে মেঘাচ্ছন্ন। শ্বাসৰুদ্ধকাৰী পৰিৱেশৰ মাজত আমি হৈ পৰিছোঁ উদ্ভ্ৰান্ত, উদ্বিগ্ন। যুৱ-আস্পৃহাৰ গভীৰবোধ এতিয়াও সেয়ে হোৱা নাই স্পষ্ট।

তথাপিও আছে আশাৰ ৰেঙণি; আছে নৱজন্মসম্ভাৱনাৰ পূৰ্ণ প্ৰতিশ্ৰুতি। যুৱ-মানসৰ নেপথ্যৰ সন্ধানী দৃষ্টি প্ৰসাৰিত দূৰ-দিগন্ত ব্যাপী। সঙ্কীৰ্ণ সীমাৰ পৰিধি অতিক্ৰমি মহাকাশযান-মহাকাশযাত্ৰীৰ সাক্ষী, চন্দ্ৰ-বৃহস্পতিৰ প্ৰতিবেশী, বিজ্ঞানপ্ৰেমী যুৱশক্তিয়ে প্ৰসাৰিত উদাৰ আন্তঃৰাষ্ট্ৰীয় চেতনাৰে উৰ্ধ্বৰ পৰা আজি দৃষ্টি দিছে পৃথিৱীৰ প্ৰতি। বিশ্বৰ বিভাজন, মানৱতাৰ ৰাজনৈতিক প্ৰভেদ অথবা জাতি, ধৰ্ম, বৰ্ণৰ বৈষম্যমূলক ধাৰণা তেওঁলোকৰ সহজাত আদৰ্শানুভূতিত অসাৰ আৰু অসত্য সম্প্ৰতি। ব্যষ্টি বৈশিষ্ট্য, বৈচিত্ৰ্য বিনাশকাৰী ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰতি দেৱত্ব আৰোপত যুৱশক্তি আজি আৰু নহয় বিশ্বাসী। নৱ বিশ্বৰ বাবে যে প্ৰয়োজন নৱ মানৱৰ, সেই কথা গভীৰভাৱে কৰিছে উপলব্ধি; সেয়ে উভতি দৃষ্টি দিছে অন্তৰ সত্তাৰ প্ৰতি, শুনিছে অন্তৰাত্মাৰ স্পষ্ট বাণী। পৰিৱৰ্তন, উপদেশ অথবা আদৰ্শৰ ৰূপায়ণ যে প্ৰস্ফুটিত হ'ব লাগিব প্ৰথমতে নিজৰ মাজত; নিজৰ বেদনা, কষ্টৰ সমাধান যে দৰাচলতে বিশ্বৰ কষ্ট সমাধানৰ সৰ্বোৎকৃষ্ট উপায়, বিশ্ব ৰূপান্তৰৰ গোপন ৰহস্য, সেই কথাও অন্বেষী যুৱশক্তিয়ে কৰিছে উপলব্ধি। ইচ্ছা-শক্তি সত্বেও অন্তৰবাণীৰ কষ্টসাধ্য প্ৰয়াসৰ পথত যুৱশক্তি প্ৰায়েই হ'ব নোৱাৰে অগ্ৰসৰ; সংগ্ৰাম আৰু প্ৰয়াস তথাপি কিন্তু অবিৰত, অব্যাহত। যুৱশক্তিয়ে বিচাৰিছে সেয়ে সহায় আৰু সহযোগিতা। সন্ধান কৰিছে জীৱনৰ লক্ষ্য, শিক্ষাৰ উদ্দেশ্য, শিক্ষাই এৰি যোৱা বিষয়ৰ ৰহস্য তথা পূৰ্ণতাপ্ৰাপ্তিৰ বাবে ক্ৰম প্ৰগতিশীল সাধন-সম্পদৰ।

আশা আৰু আস্পৃহাৰ সৈতে প্ৰাসঙ্গিক শিক্ষাৰ নব্য দৰ্শনৰ সন্ধানী সমসাময়িক যুৱশক্তি। যুৱ-শিক্ষাৰ দাৰ্শনিক ভিত্তিৰ সন্ধান কৰাৰ পূৰ্বে আমি পৰিচিত হ'ব লাগিব বিশ্বজনীনভাৱে স্বীকৃত শিক্ষাতত্ত্বৰ মৌল ধাৰণাটোৰ সৈতে। শিক্ষাৰ বুনিয়াদী লক্ষ্য আৰু উদ্দেশ্যকো কৰিব লাগিব হৃদয়ঙ্গম। আত্মানুসন্ধান আৰু বিশ্ব-অস্তিত্বৰ সত্যানুসন্ধান, মানৱ তথা ব্ৰহ্মাণ্ডৰ স্বৰূপ সন্ধান, মানৱাত্মা আৰু বিশ্বাত্মাৰ মাজত বিদ্যমান সম্পৰ্কৰ গোপন ৰহস্যৰ অন্বেষণ তথা সেই অন্বেষণৰ সঞ্চিত জ্ঞানপুঞ্জক এটা যুগৰ পৰা অন্য এটা যুগলৈ কঢ়িয়াই লৈ যোৱা, সেই অন্বেষণৰ প্ৰেৰণাক পৰিপুষ্ট কৰা, প্ৰতিপালন অথবা উৎসাহিত কৰাই শিক্ষাৰ বিশ্বজনীন মৌল লক্ষ্য আৰু উদ্দেশ্য। এনে লক্ষ্য আৰু উদ্দেশ্যত কেনেদৰে হ'ব পাৰি উপনীত, মৌল প্ৰশ্নসমূহৰ বিপৰীতে লাভ কৰা সমিধানক কেনেদৰে যুগৰ পৰা যুগলৈ লৈ যাব পাৰি কঢ়িয়াই, সন্ধানী মানৱৰ এনে প্ৰেৰণাক কেনেদৰে কৰিব পাৰি পৰিপুষ্ট, সেইসমূহ বিষয়েই দৰাচলতে শিক্ষা-সমস্যাৰ কেন্দ্ৰীয় বিষয়-তত্ত্ব। স্পষ্টভাৱেই এইবোৰ কঠিন প্ৰশ্ন, সহজসাধ্য নহয়। শিক্ষকে এনে বিষয়ৰ সৈতে সন্মুখীন হওতে, উত্তৰ প্ৰদান কৰোঁতে নিৰ্বাহ কৰিব লাগে গভীৰ দায়িত্ব, পালন কৰিব লাগে সূক্ষ্ম সতৰ্কতা; কাৰণ,





বিষয়বোৰৰ প্ৰাসঙ্গিকতা বৰ্তমানতেই মাথোঁ নহয় নিঃশেষিত, অনাগত যুগৰ বাবেও সেইবোৰ বিষয়ৰ মূল্য আৰু তাৎপৰ্য অপৰিসীম।

আধুনিক বিশ্বৰ কেতবোৰ অনন্যসাধাৰণ পৰিস্থিতিয়ে আকৌ সমসাময়িক শিক্ষাবিদৰ কাৰ্য আৰু সমস্যাক বিশেষভাৱে কৰি তুলিছে আৰু অধিক জটিল। উদীয়মান অসাধাৰণ প্ৰৱণতাসমূহৰ তাৎপৰ্য গভীৰভাৱে অনুধাৱন কৰি সেই প্ৰৱণতাসমূহক শিক্ষাৰ বিষয়-বস্তু আৰু লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ, প্ৰয়োজন অনুসৰি আনকি পৰিৱৰ্তন কৰিবলৈ এৰি দিব লাগে বুলিও আগবঢ়োৱা হয় যুক্তি। তথ্যৰ অভূতপূৰ্ব বিস্ফোৰণে শিক্ষাক অতি সম্প্ৰতি পৰিণত কৰিছে জীৱনব্যাপী কাৰ্যসূচী। অনুসন্ধানৰ প্ৰকৃতি হৈ উঠিছে অসামান্যভাৱে গভীৰ, ব্যাপক আৰু সৰ্বব্যাপ্ত। শিক্ষালৈ আহিছে নতুন ধ্যান আৰু ধাৰণা। যুগপৎ সামগ্ৰিকতা আৰু বিশেষীকৰণ উভয়েই হৈ পৰিছে প্ৰয়োজনীয়। ব্যক্তি ৰুচি-অভিৰুচিৰ তৃপ্তি সাধনৰ বাবেও বৈচিত্ৰ্যই পাব লাগিব পৰিপূৰ্ণ মৰ্যাদা। আধুনিক মানৱ সম্প্ৰতি পূৰ্বাপেক্ষা অধিক জটিল ৰূপত চিকাৰ হ'বলৈ ধৰিছে মনস্তাত্ত্বিক বিড়ম্বনাৰ। মনস্তাত্ত্বিক বিড়ম্বনাৰ ক্ৰমবৰ্ধমান প্ৰৱণতাই শিক্ষাত সংযোজন কৰিছে নতুন মাত্ৰা; যাৰ ব্যাখ্যা অথবা সংজ্ঞা এতিয়াও হৈ উঠা নাই স্পষ্ট, বিতং অনুসন্ধানৰ কথা কোৱাই বাহুল্য।

প্ৰসাৰিত উদাৰ দৃষ্টিৰে সমসাময়িক যুৱশক্তি সমন্বয় প্ৰয়াসী। অতীত শতকৰ জিজ্ঞাসাৰ স্বৰচিত সঙ্কীৰ্ণ সীমাৰ মাজত বিজ্ঞানৰ সন্ধানী দৃষ্টি আজি আৰু নহয় বন্দী। অতীন্দ্ৰিয় সত্যানুসন্ধানৰ প্ৰতি বিজ্ঞানৰ উদাৰ অন্বেষী সম্প্ৰতি নহয় সংশয়ী। প্ৰযুক্তিয়ে প্ৰমূল্যক আজি আৰু নকৰে উপেক্ষা। নীতি আৰু কলাৰ মাজতো নাই আৰু তেনে কোনো বাদ-বিসম্বাদ। পৰস্পৰক সাবটি ধৰি, আঁকোৱালি লৈ মহাসংগমৰ দিশলৈ দ্ৰুতগতিত ধাবিত জ্ঞান আৰু সংস্কৃতি; কাৰণ, বৃহত্তৰ, নৱতৰ সমন্বয়-সাধন অপৰিহাৰ্য চৰ্ত আজি। উদীয়মান সমন্বয়ী প্ৰৱণতাসমূহৰ প্ৰতি শিক্ষায়ো সেয়ে দিব লাগিব পূৰ্ণ সঁহাৰি।

ভাৰতআত্মা বিবেকানন্দই কৈছিল— *বহিঃজগতক জয় কৰাৰ কৌশল ভাৰতবৰ্ষই শিকিব লাগিব ইউৰোপৰ পৰা, অন্তৰ জগতক জয় কৰাৰ কৌশল ইউৰোপে শিকিব লাগিব ভাৰতৰ পৰা। ভাৰতীয় আৰু ইউৰোপীয় বুলি তেতিয়া আৰু পৃথক একো নাথাকিব। থাকিব এটা আদৰ্শ মানৱ জাতি— যি জাতিয়ে বহিঃজগত আৰু অন্তঃজগত উভয়কে জয় কৰিছে। মানৱ মহিমাৰ এটা দিশ আমি বিকশিত কৰিছোঁ, তেওঁলোকে কৰিছে অন্য এটা দিশ। প্ৰয়োজন উভয়ৰ সন্মিলন। ...* শতিকাপূৰ্বেই প্ৰধ্বনিত হোৱা বিবেকানন্দৰ এই অমৰ বাণী শিক্ষাৰ নৱ দৰ্শনত উজলি উঠিছে পুনৰ আকৌ এবাৰ।

মানৱতাবাদীৰ প্ৰসাৰিত চেতনাই যিদৰে আমাক দিয়ে সন্ধানী দৃষ্টি, তেনেদৰে বিচাৰোঁ আমি প্ৰযুক্তিবিদৰ দক্ষতাৰ দীপ্তি। নীতিবাদীৰ শৃংখলাবদ্ধ সঙ্কল্প শক্তিৰ সাধনা যেনেদৰে হ'ব লাগিব শিক্ষাৰ অন্তৰ্ভুক্ত; কলাকাৰৰ পৰিশোধিত কল্পনাও আমাৰ বাবে অপৰিহাৰ্য। বিজ্ঞানীৰ সতৰ্ক, সংশয়ী, মনোযোগী জ্ঞানে যিদৰে আমাক দিয়ে সত্যৰ সন্ধান; অধ্যাত্মবাদীৰ মহৎদৃষ্টি, প্ৰজ্ঞা তথা ক্ৰমবিকাশশীল পূৰ্ণতা অবিহনে অন্বেষী মানৱৰ অখণ্ড সত্যৰ সাধনা হৈ ৰ'ব অসম্পূৰ্ণ। নৱ বিশ্বৰ বাবে নৱ মানৱ নিৰ্মাণৰ ধাৰণা শিক্ষা ব্যৱস্থাত হ'ব লাগিব সৰ্বব্যাপ্ত; হ'ব লাগিব আৰু অধিক স্পষ্ট।

অন্য কেতবোৰ শক্তিমান বৈপ্লৱিক প্ৰৱণতাই শিক্ষা জগতলৈ আনিছে ব্যাপক আলোড়ন; সাম্প্ৰতিক শিক্ষা ব্যৱস্থাৰ গৰ্বস্তম্ভ পাঠ্যক্ৰম, বক্তৃতা আৰু পৰীক্ষা পদ্ধতিৰ প্ৰতি সৃষ্টি কৰিছে প্ৰবল প্ৰত্যাহ্বান। পাঠ্যক্ৰম নিৰ্বাচন, অধ্যয়নৰ অগ্ৰগতিৰ মূল্যায়ন শিক্ষাৰ্থীৰ আপোন মৌল অধিকাৰ বুলি গণ্য কৰিছে আধুনিক শিক্ষাৰ নৱ আদৰ্শই। শিক্ষক নিৰ্বাচনৰ অধিকাৰো আনকি ন্যস্ত কৰিব বিচৰা হৈছে স্বয়ং শিক্ষাৰ্থীৰ হাততেই। উদীয়মান এনে প্ৰৱণতাসমূহে ব্যক্তিগত প্ৰভেদ নিৰ্ণয়ত আৰোপ কৰিছে যথাৰ্থ গুৰুত্ব। মনস্তাত্ত্বিক আচৰণ, অধ্যয়নৰ উপাদান অথবা কৃতিত্ব বিচাৰৰ মাপকাঠীৰো পৰিৱৰ্তন সেয়ে হৈ পৰিছে অপৰিহাৰ্য। শিক্ষাৰ্থীৰ মনস্তাত্ত্বিক প্ৰগতিৰ অনুৰূপ নতুন পাঠ্যক্ৰমৰ বাবেও দাবী উঠিছে সৰ্বত্ৰ।

একাগ্ৰতা আৰু ইচ্ছা-শক্তিৰ ওপৰত শিক্ষাৰ্থীয়ে যেতিয়া পাব পূৰ্ণ অধিকাৰ, তেতিয়াহে সেই দীপ্তিত আলোকিত প্ৰাণ মনে পাব সংহত শক্তি আৰু স্বচ্ছন্দ গতিৰ সামৰ্থ্য, তথ্য আহৰণো তেতিয়া আনকি হৈ উঠিব সহজসাধ্য। একাগ্ৰতা আৰু অপ্ৰতিৰোধ্য ইচ্ছা-শক্তিৰ জাগৰণ নৱ শিক্ষা পদ্ধতিৰ সেয়ে হৈ পৰিছে গুৰুত্বপূৰ্ণ অংগ। সত্যৰ তাৎপৰ্য সন্ধানৰ প্ৰতি আস্পৃহা শিক্ষা-সন্ধানীৰ আজি মুখ্য সাধনা। সৰ্ব-সমন্বয়ীবোধিৰ আলোকত মৌল চিন্তাৰ প্ৰতিও ক্ৰমশঃ বাঢ়িছে উৎসাহ আৰু উদ্দীপনা। আত্মানুসন্ধান আৰু সৰ্ব-বিষয়ৰ সত্য অন্বেষণৰ ব্যাকুলতা উদীয়মান শিক্ষা-দৰ্শনৰ নিগূঢ় প্ৰেৰণা। পৃথিৱীৰ প্ৰগতিত ব্যক্তিৰো যে ভূমিকা আছে, সেই সত্যও মৰ্মে মৰ্মে উপলব্ধি কৰিছে সত্য-সন্ধানীয়ে। অতীতৰ পৰ্যালোচনা আৰু ভৱিষ্যতৰ উন্মেষ; ব্যক্তিগত আৰু মানৱতাৰ সমষ্টিগত বিকাশ; যুগপৎ অধ্যয়ন, কৰ্ম-অভিজ্ঞতা আৰু বৃত্তিৰ

উন্মেষ আদি বিষয়কো সেয়ে নৱ শিক্ষাই গুৰুত্ব দিছে পূৰ্ণ মহিমাৰে।

আদিম জৈৱ সংস্কাৰৰ ক্ষুদ্ৰতাৰ মাজত জীৱননিৰ্বাহৰ অৰ্থহীন পুনৰাবৃত্তি অথবা লক্ষহীন যাত্ৰাপথত মৃত্যুও নহয় জীৱনৰ মহাসত্য। জীৱনৰ অৰ্থ আছে; আছে লক্ষ্য আৰু তাৎপৰ্য। শৰীৰৰ দাবী, প্ৰাণৰ বাসনা, মনৰ কল্পনাবিলাসৰ পৰিধি অতিক্ৰমি অন্বেষী মানৱৰ সন্ধানী দৃষ্টিয়ে সেয়ে পাতনি মেলিছিল সত্য-অন্বেষণৰ অবিৰত অভিযান সেই তাহানি। দীপ্ত অতীত ঊষা সেই ইতিহাসৰ সাক্ষী। সত্য, জ্যোতি, আনন্দ, স্বতন্ত্ৰতা আনকি অমৃতত্বৰ অধিকাৰ অৰ্জনৰ প্ৰতিও সন্ধানী মানৱাত্মা এদিন হৈ উঠিছিল তীব্ৰ অন্বেষী। আলোকসন্ধানী মানৱে আজি পুনৰ আৰম্ভ কৰিছে জীৱনৰ সত্য সন্ধানৰ নতুন অভিযান; অন্বেষণ কৰিছে জীৱনৰ লক্ষ্য, উদ্দেশ্য আৰু তাৎপৰ্য। যুগ-যুগান্তৰ ধৰি মানৱৰ অবিৰাম, নিৰৱচ্ছিন্ন, অবিশ্ৰাম এই অন্বেষণৰ নাই কোনো আদি, যেন নাই কোনো অন্ত। দেহ, প্ৰাণ, মন, অন্তৰাত্মা আৰু অধ্যাত্মৰ সৰ্ব-দিশ সাঙুৰি প্ৰসাৰিত চেতনাৰে উদাৰ অন্বেষীয়ে উভতি দৃষ্টি দিছে পূৰ্ণ শিক্ষাৰ *(Integral Education)* প্ৰতি। সন্ধানী মানৱৰ দৃষ্টিত পূৰ্ণ মানৱ গঢ়াৰ নিগূঢ় অথচ সত্য আস্পৃহা নৱ প্ৰেৰণাৰ আলোকেৰে উঠিছে উজলি আকৌ এবাৰ। মানুহেই যে মানৱীয় শিক্ষাৰ সৰ্বোৎকৃষ্ট বিষয়, সেই সত্যও পূৰ্ণ মহিমাৰে হৈ উঠিছে ভাস্বৰ। পূৰ্ণতৰ, পূৰ্ণতম ভৱিষ্যতৰ প্ৰতি মানৱৰ এই যে আস্পৃহা, মানৱৰ আদৰ্শবোধৰো মূলতে দৰাচলতে নিগূঢ় হৈ আছে তাৰেই প্ৰেৰণা। সমৃদ্ধ অতীতৰ বহু ঊষা পাৰ হৈ পৰাক্ৰমী বৰ্তমানকো আনকি অতিক্ৰমি সমৃদ্ধতৰ ভৱিষ্যতৰ প্ৰতি সম্প্ৰতি লেলিহান হৈ উঠিছে মানৱৰ আস্পৃহা; নেপথ্যৰ পৰা মহাপ্ৰকৃতিয়েই মানৱ-মনত প্ৰজ্জ্বলিত কৰিছে দুৰ্নিবাৰ সেই আকাঙ্ক্ষা।

❑❑❑





# ইতিহাসত ৰঙিয়াৰ ৰং

**পবিন কলিতা**
প্ৰাক্তন মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ
পূব কামৰূপ মহাবিদ্যালয়

বুৰঞ্জী বিষয়টি ছাত্ৰ-ছাত্ৰীসকলে পঢ়িবলৈ টান পাই, ভয় খায়। কিন্তু প্ৰতিজন মানুহ ইতিহাসৰ পুত্ৰ। মানুহক বাদ দি ইতিহাস পোৱা নাযায়। মানৱ সভ্যতাৰ আৰম্ভণিৰ দিনৰ পৰা ইতিহাস চৰ্চা আৰম্ভ হৈছিল। ইতিহাস দেশ কাল আৰু মানুহৰ কাহিনী। ৰঙিয়াত আৰিমত্ত ৰজাই ৰাজত্ব কৰিছিল, এটি ইতিহাস। আৰিমত্ত এজন মানুহ হয়। জীৱনৰ সীমাহীন ৰহস্যৰ সাক্ষী হৈছে ইতিহাসৰ জ্ঞান। ইতিহাসৰ জ্ঞান সমাজ সংস্কৃতিৰ এটি মৰ্যাদা। ইতিহাসৰ কাম হৈছে, মানুহৰ সমাজ গঢ়া, সভ্যতাৰ উৎপত্তি, গঠন আৰু প্ৰক্ৰিয়াৰ বিকাশ ঘটোৱা। বিস্তৃত জটিল বিষয় সমূহ উন্মেষণ কৰি সমাধান কৰা।

ইতিহাস ৰচনাৰ ঐতিহ্য প্ৰায় আঢ়ৈবছৰ পুৰণা হ'ব। কিন্তু বিজ্ঞানসন্মতভাৱে ইতিহাস চৰ্চা কৰাৰ কাম আৰম্ভ কৰা হৈছিল। অসমত আহোম সকলে ক্ৰমবিকাশৰ বুৰঞ্জী লিখিবলৈ লৈছিল। বহল অৰ্থত সমাজ নিৰূপণ কৰি সত্য নিৰ্দ্ধাৰণ কৰাকে ইতিহাস বোলে। স্বৰ্গীয় নিৰ্মল বন্দোপাধ্যায়ৰ মতে— 'অসমীয়াত সময় সীমাৰ ভিতৰত ইতিহাস' এটি আন্দোলন। ইতিহাস অতীতৰ মৰাস নহয়, একেৰাহে পাঁচ হেজাৰ বছৰ কাল ধৰি মামিৰ নিচিনাকৈ বন্ধ কৰি ৰখা কোনো লৰচৰহীন পদাৰ্থ। ই হৈছে এটি আন্দোলন, যাৰ গতি আছে, যি অতীতৰ পৰা বৰ্তমানৰ সীমাৰ ভিতৰেৰে গতি কৰি ভৱিষ্যতৰ পিনে আগবাঢ়ে। এই গতিশীলতাক মানিলে বুজা যায় যে ইতিহাসৰ ধাৰাবাহিকতা আছে। এইক্ষেত্ৰত মানুহৰ কাম হ'ব ইতিহাসক প্ৰৱাহমান কৰা, পৰিৱৰ্তন আনা, লগে লগে স্থিতিশীলতা ভঙ্গ কৰি নতুন ৰাজনীতি, সমাজ, সংস্কৃতি আৰু অৰ্থনীতি গঢ়ি তোলা।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময় সীমাৰ ভিতৰত হোৱা এটি ইতিহাস। ব্ৰিটিছৰ স্থিতিশীল স্বৈৰাচাৰী সামন্তবাদী শাসন তন্ত্ৰ ভাঙি গতিশীল স্বাধীন ভাৰতৰ ৰাজনীতিৰ ঐতিহ্য আৰু সংস্কৃতি গঢ়াই আছিল আন্দোলনৰ মূল মন্ত্ৰ। আন্দোলনটোৱে ভাৰতবৰ্ষৰ প্ৰৱহমান ইতিহাসক গণতন্ত্ৰ প্ৰতি ধাৱিত কৰিছে। দেখা যায় ইতিহাস জ্ঞানপুঞ্জ, সোৱাদ যুক্ত জীৱনধাৰা। ইতিহাসক সমাজ বিকাশ কাহিনী হিচাপে পঢ়িলে বুজাত সহজ হ'ব।

জ্ঞানপুষ্ঠ আৰু সোৱাদযুক্ত কৰি ৰঙিয়াৰ জনজীৱনৰ প্ৰৱাহমান বুৰঞ্জীৰ ৰং বুটলি চোৱাৰ সামান্য যত্ন কৰা হ'ল। ৰঙিয়া নামটি ১৮০ বছৰ পুৰণা হ'ব। দ্বাদশ শতিকাত বৃহৎ অঞ্চলটি প্ৰত্যক্ষভাৱে পালবংশৰ ৰাজত্ব কালৰ অধীনত আছিল। পালবংশৰ পিছত ১১৩৮ খ্ৰীষ্টাব্দৰ পৰা ৰজা বৈদ্যদেৱে ৰঙিয়াত ৰাজধানী পাতি প্ৰাচীন কামৰূপ ৰাজ্য ইয়াৰে পৰা পৰিচালনা কৰাৰ হেতুকে বৃহৎ ঠাইডোখৰে নাম পাইছিল 'বৈদ্য গড়' বুলি। বৈদ্যদেৱৰ গড়টো ৰঙিয়া উত্তৰে এক কিলোমিটাৰ দূৰৈত এতিয়াও অৱস্থিত হৈ আছে। কথাটো অসমৰ প্ৰাচীন ৰাজনৈতিক বুৰঞ্জীৰ মানচিত্ৰত পোৱা যায়। প্ৰাচীন কালত ৰঙিয়াৰ আন এটি নাম আছিল 'বৈদ্যগড়'।

ৰঙিয়াৰ বুৰঞ্জী লিখিবলৈ আমাৰ হাতত সমৃদ্ধ সমল নাই। তথাপিতো প্ৰাচীন সাহিত্য, ধৰ্মশাস্ত্ৰ, তাম্ৰফলি, আহোম, কোঁচ, মোগল, ইংৰাজৰ শাসনকালৰ কিছু নথিপত্ৰ, স্থাপত্য ভাস্কৰ্যৰ ধ্বংসাৱশেষ, মঠ-মন্দিৰ, সত্ৰসমূহ, মধ্যযুগীয় অভিজাত শ্ৰেণীৰ বংশাৱলীৰ বৰ্ণনা, স্থানীয় সাহিত্যিকসকলৰ লেখা, আনকি ইতিহাসৰ লগত জড়িত কিছুমান গাঁৱৰ নামৰ পৰাও সমল গোটাব পাৰি। উল্লেখনীয় দুই-এটা সমল হ'ল— যোগিনীতন্ত্ৰ, কলিতা পুৰাণ, কালিকা পুৰাণ, গুৰুচৰিত, ঐতিহাসিক পণ্ডিত মিন্‌হাজ উদ্দিনৰ 'তবকাট-ই-নাচিৰি', মোগল গভৰ্ণৰ ইব্ৰাহিম কড়িৰ শাসনাৱলী, গুৱাহাটৰ বৰফুকনৰ কাৰ্যাৱলীৰ নথিপত্ৰ, দৰঙী ৰজাৰ শাসনাৱলী, ভৈৰেশ্বৰী, শিঙাৰপাৰা আৰু মদন-কামদেৱ মন্দিৰৰ ধ্বংসাৱশেষ, আৰিমত্ত গড়, পালবংশৰ দিনত নিৰ্মিত পুখুৰীসমূহ ইত্যাদি। সাহিত্যৰ সমলৰ ভিতৰত নিৰ্ভৰযোগ্য কিতাপবোৰ হৈছে— ঔপন্যাসিক ৰজনীকান্ত বৰদলৈদেৱৰ বুৰঞ্জীমূলক উপন্যাস 'দন্দুৱাদ্ৰোহ', ৰঙিয়াৰ প্ৰথম আলোচনী 'অতীত আৰু বৰ্তমান', সাহিত্য

সভাৰ ৰঙিয়া অধিৱেশনৰ স্মৃতিগ্ৰন্থ, ব্ৰিটিছ চৰকাৰৰ ৰাজপত্ৰ আনকি কলিকতাৰ পৰা প্ৰকাশিত বাতৰি কাকত (অমৃত বজাৰ পত্ৰিকাত অসমৰ ৰাইজমেলৰ কথা লিখা হৈছিল) আৰু এই অঞ্চলত প্ৰকাশিত লোকগীত, বিয়ানাম, আইনাম আদি সমল হিচাপে ল'ব পাৰি। ইতিহাসৰ লগত জড়িত গাঁৱৰ নাম যেনে— সুন্দিয়া, গৰিয়াকোঠ, সীতাৰা, গুৰুকুছি, জয়ন্তীপুৰ আদিৰ নামো সমল হিচাপে লোৱা যায়।

প্ৰাগ্ ঐতিহাসিক যুগৰ ৰঙিয়াৰ ইতিহাস কামৰূপ বুৰঞ্জীৰ ভাঁজত সোমাই আছে। ৰামায়ণ, মহাভাৰত, যোগিনীতন্ত্ৰ, কালিকা পুৰাণ আৰু বহু পুৰাণত বৰ্ণিত অসমৰ বুৰঞ্জীৰ পৰা ৰঙিয়া বঞ্চিত নহয়। বৌদ্ধ তান্ত্ৰিক নৃতত্বৰ গোন্ধ ভূখণ্ডটোত পোৱা যায়। পাঁচ হেজাৰ বছৰতকৈও অধিক পুৰণা নৰদেহৰ মাজেৰে বিকশিত, বিস্তাৰিত আৰু মিশ্ৰিত সভ্যতা, সংস্কৃতিৰ ৰূপ বোধগম্য হৈ আছে। পৰ্যায়ক্ৰমে বিকশিত ব্যৱস্থাটোৰে উন্নত মানৱ সভ্যতাৰ দিশৰ পিনে গতি কৰিছে।

ৰঙিয়াত আদিম কালৰ পৰা বহু ভিন্ন জাতি-গোষ্ঠী, ধৰ্ম, সম্প্ৰদায়ৰ লোকৰ মাজত সহ-অৱস্থান আৰু সহযোগিতাৰ প্ৰীতিৰ বুৰঞ্জী পোৱা যায়। ৰঙিয়া শান্ত জীৱন আৰু সংস্কৃতিৰ আৰ্হি।

বুৰঞ্জী নপঢ়িলেও, নাজানিলেও হেৰাই নাযায়। তথ্যভিত্তিক নহ'লেও কিংবদন্তি, সাধুকথা, ভৌগোলিক অৱস্থান, সাহিত্য, ধৰ্ম আৰু সমাজ ব্যৱস্থা অধ্যয়নৰ মাজেৰে দুই-এটি পৰম্পৰা বিচাৰিব পাৰি।

বৃহৎ অঞ্চলটি প্ৰাক্ প্ৰাচীন কালত আংশিকভাৱে হ'লেও প্ৰাগ্‌জ্যোতিষ দেশৰ অন্তৰ্ভুক্ত আছিল। ভাষাৰ অভাৱত প্ৰাচীন কালৰ জনজাতীয় বুৰঞ্জী ধাৰাবাহিকভাৱে পোৱা নাযায়। জনজাতি দুই প্ৰকাৰৰ— পৰ্বতীয়া আৰু ভৈয়াম জনজাতি। অঞ্চলটোত দুয়ো প্ৰকাৰৰ জনজাতি লোকেৰে বাসস্থান আছিল। পৰ্বতীয়া জনজাতীয় লোকসকলক তিব্বত বংশীয় বুলি জনা যায়। ভূটান দেশত থকা কাৰণে তেখেতসকলক ভুটীয়া বুলি কয়।

ৰঙিয়াৰ আদিম সভ্যতাৰ পৰিচয় পৰ্বতীয়া তিব্বত বংশীয় লোকসকলৰ পৰা পোৱা বুলি ক'ব পাৰি। জনজাতীয় তিব্বতীয়সকল যে প্ৰায় পাঁচ হাজৰ বছৰ আগৰ পৰা ৰঙিয়া অঞ্চলত বিশেষকৈ উত্তৰ অঞ্চলত বসবাস কৰিছিল, বৌদ্ধ ধৰ্ম আৰু হাজোৰ মাধৱ মন্দিৰটোৱে ইয়াৰ প্ৰত্যক্ষ সাক্ষী হৈ আছে। বৌদধ ধৰ্ম বিস্তাৰিত হোৱাত ভুটীয়া বা তিব্বতীয়াসকলে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল। তেওঁলোক আছিল মহাজন পন্থী, এতিয়াও আছে। মহাজন পন্থীসকলৰ প্ৰভাৱত অঞ্চলটোত পাল বংশৰ দিনত বামাচাৰী তান্ত্ৰিক পন্থাৰ উদ্ভৱ হোৱাৰ প্ৰমাণ পোৱা যায়। দ্বাদশ শতিকাৰ মদন কামদেৱ, পিঙ্গলেশ্বৰ আৰু ভৈৰেশ্বৰী মন্দিৰৰ ভাস্কৰ্যবিলাক প্ৰত্যক্ষ সাক্ষী হৈ আছে।

হাজোৰ মাধৱদেৱৰ মন্দিৰটো এসময়ত যে এটি বৌদ্ধ মন্দিৰ আছিল এই কথা নিজে প্ৰমাণ পাইছোঁ।

ৰঙিয়া অঞ্চলত ভুটীয়া সকল আছিল আদিম বংশৰ নৰলোক, যদিওবা তেখেতসকলে অঞ্চলটোত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। ইয়াৰ কাৰণ নোহোৱা নহয়। পৰ্বতীয়া চীন বংশৰ লোক হোৱা হেতুকে ভৈয়ামৰ সংস্কৃতিৰ লগত সহবাস কৰা আৰু সম্পৰ্ক গঢ়া কঠিন হৈ পৰিছিল। বৰঞ্চ মাজে মাজে ভৈয়ামৰ লোকৰ ওপৰত দৌৰাত্ম্য চলাইছিল। এইকাৰণে আহোমে উত্তৰে দ্বাৰকুছি আৰু গোবেশ্বৰত চৌকিগেট নিৰ্দ্ধাৰণ কৰি সীমাৰেখা বান্ধি দিছিল। ৰামচৰণ ঠাকুৰীয়াদেৱে তেখেতৰ চৰিত পুথিৰ লিখামতে, সূৰ্যকান্ত ভূঞাৰ বংশৰ লোকক ভুটীয়াসকলে লেঙামাগুৰীৰ পৰা অপহৰণ কৰি লৈ গৈছিল। পিছত ভূঞাই যুদ্ধ কৰি ভুটীয়াসকলৰ পৰা অপহৃত লোকক উদ্ধাৰ কৰিছিল। ১৮৬৬ চনত হোৱা ইংগ-ভুটীয়া যুদ্ধই ঐতিহাসিকভাৱে তথ্য দিয়ে যে যুদ্ধত ভুটীয়াসকলক ঘটুৱাই পাহাৰৰ ওপৰলৈ খেদি পঠাইছিল। ইংৰাজে প্ৰথমতে ৰঙিয়াৰ উত্তৰসীমা নিৰ্দ্ধাৰণ কৰিছিল দেৱানগিৰি, পিছতহে দৰঙামেলাক সীমা হিচাপে নিৰ্দ্ধাৰণ কৰা হৈছিল। ১২০৬ খ্ৰীষ্টাব্দত ভুটীয়া আৰু জনজাতীয় লোকসকলে মিলি বখতিয়াৰ খিলিজিৰ অভিযানটি কুমাৰীকাটাৰ ওচৰত বিধ্বস্ত কৰিছিল। এই কথা প্ৰাচীন অসমৰ বুৰঞ্জীৰ সকলো লিখকে স্বীকাৰ কৰিছে।

ৰঙিয়াৰ উত্তৰ অঞ্চলটিত ভুটীয়াসকল যে আছিল ই সঁচা আৰু প্ৰতিষ্ঠিত। আদিম নৰলোক হৈয়ো স্থানীয় বাসিন্দাৰ ৰূপ ল'ব নোৱাৰিলে যদিও বা স্মৃতি আৰু সদ্ভাৱবোৰ ৰৈ আছে। আৰম্ভণিৰ পৰা আজিলৈকে দুটা প্ৰথাৰ মাজত বেপাৰ-বাণিজ্য চলি আছে। 'ভোৰতাল' আৰু 'কুৰ্মা' শব্দ দুটাৰ প্ৰচলনে প্ৰমাণ দিয়ে যে অসমৰ অসমীয়া ভাষাক ভুটীয়া ভাষাৰ শব্দই চহকী কৰিছে। অঞ্চলটোৰ বহুজন নাথ বংশীয় সম্প্ৰদায়ৰ লোকে বৌদ্ধধৰ্ম গ্ৰহণ কৰি লামা উপাধি লৈ তিব্বত আৰু ভূটানত এতিয়াও আছে। তাৰানাথ ইয়াৰ এটি উদাহৰণ। তেখেতৰ কিতাপ 'The Buddhism in India'ত উদ্দিয়ানা ৰাজ্যৰ উল্লেখ আছে। কমলাকান্ত মহন্তদেৱে লিখামতে তুলসীবাবীৰ গড়ৰ ওচৰত দশম শতিকাত এটি বৌদ্ধ ধৰ্মৰ মন্দিৰ আছিল। ডম্বৰু ৰজাই পুঠিনেচীয়া ভকত সেৱাকৰা তিব্বতীয়া বৌদ্ধধৰ্মৰ ফয়িয়ত প্ৰভাৱ ৰঙিয়া আৰু দৰং জিলাৰ বাহিৰে বাকী ঠাইত এই প্ৰথা নচলে। ৰঙিয়া হৈ দ্বাৰকুছিৰ মাজেৰে ভূটানলৈ অতীত কালৰে পৰা থকা পথটি বৰ্তমানে এটি আন্তৰ্জাতিক পথ হিচাপ নিৰ্মিত হৈছে। গতিকে ভুটীয়াসকল ৰঙিয়াৰ কুটুম আছিল।

ভুটীয়া সকলৰ সমসাময়িক জনজাতীয়, কছাৰী, মদাহী আৰু সামান্য গাড়ো গোষ্ঠীৰ লোকসকলে দক্ষিণ অঞ্চলৰপৰা আহি অঞ্চলটোৰ সাৰুৱা মাটিত বসবাস কৰি কৃষি-সংস্কৃতি গঢ়ি তুলিছিল। এই শ্ৰেণীৰ জনজাতীয়সকলে অৰ্থ গোষ্ঠীৰ ভিন্ন সম্প্ৰদায়ৰ লগত সংযোগ আৰু সহাৱস্থান কৰি নিজকে সমৃদ্ধ কৰাৰ উপৰিও অইন লোকসকলৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিছিল। ৰঙিয়াত এনে এখনি গাঁও নাই, য'ত জনজাতীয় কছাৰী লোকৰ বাসস্থান পোৱা নগৈছিল। বৰ্তমানে দক্ষিণ অঞ্চলৰ পৰা হোৱা প্ৰব্ৰজনৰ হেতু জনজাতীয় গাঁওসমূহ লাহে লাহে নেদেখা হ'বলৈ ধৰিছে। প্ৰথম শতিকাৰ পৰা আৰ্য গোষ্ঠীয় লোকৰ আগমনৰ ফলস্বৰূপে কিছু সমস্যাৰ সৃষ্টি হোৱাত জনজাতীয়সকলে উত্তৰ পিনে প্ৰব্ৰজন কৰাৰ প্ৰৱণতা বৃদ্ধি ঘটাইছিল। ১৮৬৬ চনৰ ইংগ-ভূটান যুদ্ধৰ পিছত খালী হোৱা অঞ্চলৰ ঠাইসমূহ জনজাতীয় আৰু অজনজাতীয় লোকে ব্যাপক হাৰত প্ৰব্ৰজন ঘটাই পূৰণ কৰিছিল। সেইকাৰণে উত্তৰ এলেকাত জনজাতীয় লোকৰ আধিপত্য স্থাপন কৰাত সুবিধা হৈছিল। ফলত এটি ৰাজনৈতিক সমস্যা দেখা দিছিল। শেষত জনজাতীয় স্বায়ত্ত্ব পৰিষদ গঠন কৰিবলৈ অসম চৰকাৰ বাধ্য হৈছিল। কথাটো অসমৰ সমস্যা হ'লেও ৰঙিয়াক চুই গৈছিল। ফলস্বৰূপে ৰঙিয়া অঞ্চলৰ মৰাণজানা গাঁৱৰ আদি জনজাতীয় পুৰুষ, বৰ্তমান তামোলপুৰৰ নিবাসী শ্ৰীযুত প্ৰমোদ বড়ো আজি জনজাতীয় স্বায়ত্ত্ব পৰিষদৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছে। দক্ষিণ অঞ্চল খালী হ'লেও ৰঙিয়াৰ কেউফালে আৰু উত্তৰ অঞ্চলত জনজাতিৰ আধিপত্য এতিয়াও বিৰাজমান। নৰদেহে অইন গোষ্ঠীৰ লগত লগ হৈ মানুহে মানুহৰ বাবে গীত গাই মানৱতাৰ সংস্কৃতি সৃষ্টি কৰিছে, সুন্দৰৰ পূজাৰী হৈ পৰিছে। গণতান্ত্ৰিক অধিকাৰ ভোগ কৰি এক সংবিধানৰ অন্তৰ্ভুক্ত হৈ উঠিছে। উল্লেখনীয় যে ৰঙিয়া আৰু গোবেশ্বৰৰ এটি জনজাতীয় অংশৰ লোকে হিন্দু ধৰ্মীয় পন্থাত শৰণ লোৱা দেখা যায়। তেওঁলোকক শৰণীয়া কছাৰী বুলি কোৱা হয়।

দক্ষিণ অঞ্চলত বৰ্তমান জনজাতীয় লোকৰ আধিপত্য নোহোৱা হ'লেও, দুই-এটি শব্দৰ অৰ্থৰ পৰা জনজাতিৰ গোন্ধ পোৱা যায়। যেনে— জনজাতিৰ ভাষাত ডিমৌ, মানে পানীৰ মুখ, 'ডি' মানে পনী, মৌ— মানে মুখৰ ডিমৌ এসময়ত পানীৰ অঞ্চল আছিল।

জনজাতীয় লোকসকলে আদিতে দোৱানৰ মাজেৰে ভাবৰ আদান-প্ৰদান কৰিছিল। এই কাৰণে তেখেত সকলৰ ৰাজনৈতিক বুৰঞ্জী পোৱা নাযায়। কিন্তু জাতিটোৰ বীৰত্বৰ পৰিচয় আছে। প্ৰকৃতিপ্ৰধান কৃষক জনজাতীয় শ্ৰেণীটোৱে আৰ্য গোষ্ঠীয় লোকৰ লগত সহযোগিতা আগবঢ়াই উভয় গোষ্ঠীক সমৃদ্ধ কৰিছে। কছাৰী ভাষাৰ আই, মাই, কইনা, বাপা, আপি, চেঙেৰা, চেঙেৰি আদি বহু শব্দ অসমীয়া ভাষাৰ শব্দ হিচাপে সোমাই ভাষাটোক মধুৰ আৰু সমৃদ্ধ কৰি তুলিছে। উমৈহতীয়া বাণিজ্যিক প্ৰথাৰে জীৱন নিৰ্বাহিত হৈ আছে। ৰাজনৈতিক ব্যৱস্থাৰ বৰ্ণনা নাপালেও সমাজ আৰু ধৰ্মীয় পন্থাৰ কিছু কথা পোৱা যায়। বড়ো কছাৰীসকল মূলতঃ আছিল বাথৌ পূজাৰী, শিৱভক্ত। বাণীকান্ত কাকতিদেৱে 'মাডাৰ গডডেচ' নামৰ গ্ৰন্থখনিত লিখামতে কছাৰীসকলে বাথৌ বা শিৱ পূজাত মদ, মাংস আৰু যৌন আৱেগ ঈশ্বৰৰ ওচৰত উচৰ্গা কৰিছিল। মুৰ্গী কাটি মংগল চাইছিল। বলি দিয়া ব্যৱস্থা বা প্ৰথা জনজাতীয় ধৰ্মীয় পন্থা। চুলি মেলে ছোৱালীবিলাকে খেৰাই নৃত্য কৰা ব্যৱস্থা হিন্দু সকলৰ দেওধনি নৃত্যৰ অন্যতম মাত্ৰ। পূৰ্বাঞ্চলৰ হিন্দুসকলৰ মাতৃপূজাত বলি দিয়া মাংস, মদ খোৱা পন্থা জনজাতীয় সকলৰ ধৰ্মীয় পৰম্পৰা। এই পৰম্পৰাই হিন্দুসকলকো প্ৰভাৱান্বিত কৰিছে। পাল বংশৰ শাসন কালত, তান্ত্ৰিক ব্যৱস্থাৰ অধীনত মদন কামদেৱকে ধৰি হিন্দু মন্দিৰ বিলাকত জনজাতীয় লোকসকলৰ মাজত শিৱ পূজাৰ প্ৰভাৱ পোৱা যায়।

ধৰ্মীয় পন্থাৰ উপৰিও সামাজিক ব্যৱস্থাৰ প্ৰভাৱ আৰ্যগোষ্ঠীয় লোকসকলৰ ওপৰত পৰা দেখা গৈছে। যেনে বিহু ঢোল, দীঘল মেখেলা, আগৰুৱান। মোৰ আইতাৰ গাত চোলা নাছিল, দীঘল মেখেলাখন বুকুত মেৰ মাৰি লৈ, এখন আগৰুৱান লৈছিল। আগৰুৱান লোৱা ব্যৱস্থাটো সম্প্ৰীতিও প্ৰচলিত হৈ আছে। গতিকে অসমীয়াৰ মেখেলা জনজাতীয় সকলৰ প্ৰভাৱ বুলি ক'ব পাৰি। ঢোল বাদন জনজাতীয় লোকৰ প্ৰাচীন পৰম্পৰা বা সংস্কৃতি পৰৱৰ্তী সময়ত ই কামৰূপ দেশৰ পৰম্পৰা হৈ পৰিছে।

আৰ্যগোষ্ঠীৰ লোকসকল অঞ্চলটোলৈ ২০০০ বছৰ মান আগৰ পৰা অহা আৰম্ভ কৰিছিল। কুমাৰ ভাস্কৰ বৰ্মনৰ দিনত ই ব্যাপক ৰূপ পাইছিল। তেখেতসকলৰ আগমনৰ লগে লগে পশ্চিমীয়া উন্নত সভ্যতা আৰু সংস্কৃতিৰ প্ৰভাৱ বাৰুকৈয়ে পৰা দেখা গৈছিল। শেহতীয়াভাৱে দশম শতিকাৰ পৰা দ্বাদশ শতিকালৈ পাল বংশৰ ৰজাসকলে কামৰূপ ৰাজ্য শাসন কৰিছিল। পাল বংশ ৰাজত্ব কালৰ পৰা ৰঙিয়াত ঐতিহাসিক যুগৰ আৰম্ভ হোৱা বুলি ক'ব পাৰি। উত্তৰ গুৱাহাটীত ৰাজধানী পাতি দেশৰ শাসন চলাইছিল। পাল বংশৰ ৰাজত্ব কালৰ পৰা ৰঙিয়া অঞ্চল প্ৰত্যক্ষভাৱে কামৰূপ ৰাজ্যৰ চাৰিসীমাৰ অন্তৰ্ভুক্ত হৈ ৰাজনৈতিকভাৱে সভ্যতা আৰু সংস্কৃতিৰ বিস্তাৰ কৰাৰ লগতে উন্নতি আৰু বিকাশ ঘটাইছিল। পাল বংশৰ দিনৰ বুৰঞ্জীৰ ধ্বংসাৱশেষ বিলাকে চাক্ষুষ সাক্ষ্য বহন কৰি আছে। ৰঙিয়াৰ উক্ত সময়ত এখনি জনবহুল ঠাইত পৰিণত হৈ ভাৰত আৰু অসমৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠিছিল, শাসন ব্যৱস্থা আছিল সামন্তীয়। সামন্তীয় ৰাজন্যবৰ্গই ৰঙিয়াকে ধৰি বিভিন্ন অঞ্চলত ৰাইজৰ সুবিধাৰ্থে পানী খোৱা ডাঙৰ ডাঙৰ বহু পুখুৰী খন্দাই দিছিল। ইয়াৰ ভিতৰত উল্লেখনীয় হৈছে— মহীপাল পুখুৰী (পুঠিমাৰী) ভেৰা আৰু চিন্তাপাৰ পুখুৰী (সোণমহৰী), পিঙ্গলেশ্বৰ পুখুৰী, দিগিৰ পুখুৰী (বালিসত্ৰ আৰু জয়ন্তীপুৰ), উদিয়ানাৰ পুখুৰী, ভাতকুছিৰ পুখুৰীস বৰ পুখুৰী আৰু বহুকো। অকল পুখুৰীয়েই নহয়, উৰিষ্যাৰ আৰ্হিত আৰু শিল্পীসকলৰ পৰশত শিলত কটা মন্দিৰসমূহ দশমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত নিৰ্মাণ কৰা হৈছিল। মদন কামদেৱ, পিঙ্গলেশ্বৰ আৰু ভৈৰৱেশ্বৰী মন্দিৰৰ ভাস্কৰ্যসমূহৰ অপূৰ্ব নিদৰ্শন উল্লেখনীয় হৈ আছে। ভাস্কৰ্যসমূহত তান্ত্ৰিক বামাচাৰী ধৰ্মীয় পন্থা আৰু যৌন সম্ভোগৰ নিদৰ্শন পোৱা যায়।

পাল বংশৰ পতনৰ পাছত প্ৰাচীন কামৰূপ ৰাজ্যৰ সংহতি নোহোৱা হয়। এই সুযোগকে গৌড় ৰাজ্যৰ পৰা (বৰ্তমান পশ্চিমবঙ্গৰ মালদহ অঞ্চল) সঘনে কামৰূপৰ ওপৰত আক্ৰমণ চলাইছিল। বৈদ্যদেৱে ১১৩৮ খ্ৰীঃত কামৰূপ ৰাজ্য আক্ৰমণ কৰি দখল কৰে। ৰঙিয়াত ৰাজধানী পাতি স্বধীনভাৱে শাসন কৰিবলৈ লয়। এই চহৰৰ এক কিলোমিটাৰ উত্তৰে থকা বৈদ্যদেৱৰ গড়টোৱে এতিয়াও ইয়াৰ চাক্ষুষ বহন কৰি আছে।

এই গড়টো বৈদ্যদেৱে ১১৪২ খ্ৰীঃত নিৰ্মাণ কৰিছিল। কৌমলি গ্ৰেণ্টৰ (মাটি দান দিয়া তাম্ৰপত্ৰ) বৰ্ণনাত এই সত্যতাৰ প্ৰমাণ পোৱা যায়।

বৈদ্যদেৱৰ পিছত তেখেতৰ বংশৰ বহুকেইজন ৰজাই ক্ৰমে ৰায়ৰিদেৱ, উদয়াকৰণ আৰু বল্লভাদেৱে ৰঙিয়াৰ পৰাই ৰাজত্ব কৰিছিল। ইয়াৰ ভিতৰত বল্লভাদেৱ আছিল শেষৰজন ৰজা। তেখেতক বংগৰ সেন বংশৰ লক্ষ্মণসেনে আক্ৰমণ কৰি হত্যা কৰিছিল। এই বিষয়ে মাধাইনদৰ গ্ৰেণ্টৰ পৰা জনা যায়, বল্লভাদেৱৰ ৰাজধানী আছিল বৰ্তমানৰ বৰলীয়া নদীৰ পাৰত। 'বল্লভা শব্দৰ পৰাই 'বৰলীয়া' নামৰ উৎপত্তি হোৱা বুলি অনুমান কৰিব পাৰি। ৰজা উদয়াকৰণৰ পৰা উদিয়ানা হোৱা বুলি অনুমান কৰা হয়। গতিকে প্ৰাচীন কালৰ পৰাই ৰঙিয়া ভাৰতবৰ্ষৰ বিভিন্ন দেশৰ ৰাজনীতি আৰু সংস্কৃতিৰ লগত সংযুক্ত হৈ পৰিছিল।

বৈদ্যদেৱৰ বংশধৰসকলৰ ৰাজত্বকালৰ পিছৰ পৰা প্ৰাচীন কামৰূপ ৰাজ্যৰ শাসনৰ অন্ত পৰে। মধ্যযুগ আৰম্ভ হয়। ১২০৬ খ্ৰীষ্টাব্দত ভাৰত সম্ৰাট কুতুবুদ্দিনৰ সেনাপতি বখতিয়াৰ খিলিজীয়ে অসম আক্ৰমণ কৰি ৰঙিয়াৰ মাজেৰে ভূটান হৈ গ্ৰীচ দেশলৈ এটি বৃহৎ বিজয় অভিযান আৰম্ভ কৰিছিল। অসমৰ সকলো বুৰঞ্জীবিদে একেমুখে এই কথা স্বীকাৰ কৰিছে, লগতে মিন্‌হাজুদ্দিনেও লিখিছে, ৰঙিয়াৰ উত্তৰে কুমাৰীকাটাৰ ওচৰত ভুটীয়া আৰু জনজাতীয় লোকসকলে মিলি ৰজা পৃথুৰ সহযোগত অভিযানটি বিধ্বস্ত কৰি খেদি পঠাইছিল। ৰঙিয়াৰ বুৰঞ্জীত বখতিয়াৰৰ লগত হোৱা যুদ্ধখনি আছিল এটি বীৰত্বপূৰ্ণ উজ্জ্বল ইতিহাসৰ ঘটনা।

বখতিয়াৰ খিলিজীৰ আক্ৰমণৰ পিছত ৰাজ্যৰ ৰাজনৈতিক সংকট আৰম্ভ হৈছিল। বংগদেশৰ পৰা সঘনে হোৱা তুৰ্কী আফগান মুছলমানসকলৰ আক্ৰমণে ৰাজ্যখনত অৰাজকতা আৰু বিশংখলতাৰ সৃষ্টি কৰিছিল। আনপিনে পূব দিশত ১২২৮ খ্ৰীষ্টাব্দৰ পৰা আহোমৰ উত্থান ঘটিছিল। বংগৰ আক্ৰমণে কামৰূপ ৰাজ্য তচনচ কৰাৰ ফলত এটি নতুন ৰাজনৈতিক অৱস্থাৰ উদ্ভাৱ হোৱা দেখা গৈছিল। ফলত কামৰূপ ৰাজ্যৰ গৰ্ভতে কমতা ৰাজ্য নামেৰে এখনি নতুন ৰাজ্যৰ উত্থান ঘটিছিল। কমতা ৰাজ্যৰ উত্থানৰ ৰাজনীতিৰ লগত ৰঙিয়া প্ৰত্যক্ষভাৱে সাঙোৰ খাই আছে।

সন্ধ্যাক এশিকনি দিয়াৰ কাৰণে উছবেক টুগ্ৰিল খানে কামৰূপ আক্ৰমণ কৰি কামৰূপ নগৰ দখল কৰা সন্ধ্যা দক্ষিণ পিনে পলাই আহি সন্ধিয়া নামে গাঁওখনত আশ্ৰয় লৈ লুকাই আছিল। সুন্ধিয়াৰ পৰাই ৰজা সন্ধ্যাই স্থানীয় লোকৰ সহযোগত যুদ্ধৰ প্ৰস্তুতি চলাইছিল। বৰমূৰা গাঁৱত বৰমুৰীয়া সকলৰ সভা পাতিছিল। ইয়াৰ পৰা ঠাইখনিয়ে বৰমুৱা নাম পাইছে। সন্ধ্যাই টুগ্ৰিল খানৰ ওপৰত আক্ৰমণ চলাই ভয়ৱহতাৰ সৃষ্টি কৰাত খান পলাবলৈ বাধ্য হৈছিল। শেষত টুগ্ৰিল খানৰ মৃত্যু হোৱাত ৰজা সন্ধ্যাই কামৰূপ ৰাজ্যৰ ৰাজধানী কামৰূপ নগৰখনি কোচবিহাৰৰ কমতাপুৰলৈ স্থানান্তৰিত কৰিছিল। ৰাজ্যখনৰ নাম দিছিল কামৰূপ-কমতা। তেতিয়াৰ পৰা মধ্যযুগীয়া অসমত ৰামৰূপ কমতা ৰাজ্যৰ আৰম্ভণি সুচাইছিল। গতিকে কামৰূপ-কমতা ৰাজ্যৰ সৃষ্টিৰ লগত ৰঙিয়া প্ৰত্যক্ষভাৱে ৰাজ্যখনিৰ ভিতৰত সোমাই পৰিছিল। ৰজনীকান্ত বৰদলৈদেৱে লিখা 'দন্দুৱাদ্ৰোহ' নামৰ বুৰঞ্জীমূলক উপন্যাখনিত লিখিছে— ৰজা সন্ধ্যাই পলাই আহি ৰঙিয়াৰ দক্ষিণে থকা সুন্ধিয়া নামৰ গাঁওখনিত লুকাই আছিল। সন্ধ্যাৰ পৰা অপভ্ৰংশ হৈ সুন্ধিয়া নাম পাইছিল, ই সত্য কথা।

আৰিমত্ত এজন প্ৰতাপশালী ভূঞা কলিতাৰ পোৱালি। সন্ধ্যাৰ আলম লৈ আৰিমত্তই ৰঙিয়াত ৰাজধানী পাতিছিল বুলি ক'ব পাৰি। সেইকাৰণে বৈদ্যদেৱৰ গড়টো দ্বৈত নামেৰে জনাজাত। বৈদ্যগড় আৰু আৰিমত্ত গড়। কমতাৰাজ আৰিমত্তই ১৩৬৫-৮৫ খ্ৰীষ্টাব্দৰ ভিতৰত ৰঙিয়াত ৰাজধানী পাতি ৰাজত্ব কৰিছিল। সাহিত্য সভাৰ সভাপতি অতুল বৰুৱাই লিখামতে (স্মৃতিৰ ৰঙিয়াত) 'ৰজা আৰিমত্তই বেতনাৰ পৰা তেওঁৰ ৰাজধানী তুলি আনি গড়ৰ ভিতৰতে পাতি লৈছিল। তেওঁৰ পানী খোৱা পুখুৰী আৰু বৰঘৰৰ ভেটিৰ চিন আজিও গড়ৰ ভিতৰতে দেখিবলৈ পোৱা যায়। হৰদত্ত-বীৰদত্ত ভৱনৰ সন্মুখত পৰি থকা সূৰ্যৰ মূৰ্ত্তিৰ দৰে দেখা শিলাখণ্ড বা শৈলস্তম্ভৰ টুকুৰাটোও তাৰ পৰাই সংগ্ৰহ কৰা হৈছিল। আৰিমত্তৰ বহু কিংবদন্তিৰ বুৰঞ্জী থাকিলেও তেখেত এজন ঐতিহাসিক ৰজা আছিল। মাদৈকাটা আৰু কুমাৰীকাটা ইয়াৰ প্ৰমাণ। আৰিমত্তৰ গৌৰৱোজ্জ্বল ৰাজত্বকালে ৰঙিয়াৰ নাম ইতিহাসৰ পাতত জিলিকাই ৰাখিছে। ৰঙিয়াবাসী ধন্য যে কিছুদিনৰ বাবে হ'লেও ৰঙিয়া কমতা ৰাজ্যৰ ৰাজধানী ৰূপে চিহ্নিত হৈছিল।

সপ্তদশ শতিকাত মোগল ৰাজহ পৰাগণা ব্যৱস্থাৰ অধীনত নামনি অসমৰ কামৰূপ ৰাজ্যত এটা অভিজাত শ্ৰেণীৰ সৃষ্টি হৈছিল। পৰাগণা ব্যৱস্থাটো ইব্ৰাহিম কুড়িৰ দিনৰ পৰা অসমত প্ৰৱৰ্তন কৰা হৈছিল। ১৮২৬ চনত ইংৰাজে অসম দখল কৰি পৰাগণা ৰাজহ ব্যৱস্থাটোকে হুবহু ৰূপে প্ৰচলম কৰিছিল, পিছত মাত্ৰ পৰাগণাবিলাকক মৌজালৈ ৰূপান্তৰ ঘটাইছিল। তেতিয়াৰেপৰা এতিয়ালৈকে পৰাগণাবিলাকক মৌজা হিচাপে চিনাক্ত হৈ আছে। পৰাগঁণাবিলাকক কেন্দ্ৰ কৰি বুজৰবৰুৱা, চৌধুৰ, বৰুৱা, ঠাকুৰীয়া, পাটগিৰি, পাটোৱাৰী, কাকতি ইত্যাদি ৰাজহ বিষয়া সৃষ্টি কৰি কামৰূপ ৰাজ্যত এটি অভিজাত শ্ৰেণীৰ জন্ম দিয়া হৈছিল। ১৭৮৮ খ্ৰীষ্টাব্দত হৰদত্ত আছিল পূব কছাৰী মহল পৰাগণাৰ চৌধুৰী। এই কথা সকলো পৰাগণাৰ ক্ষেত্ৰতে প্ৰযোজ্য হৈ আছে। পৰাগণাৰ অধীনত থকা গাঁও বিলাকৰ নাম বা মাটিকালিৰ কোনো পৰিৱৰ্তন হোৱা নাই। আজিলৈকে চৰকাৰীভাৱে হুবহু চলি আছে। অভিজাত শ্ৰেণীটো সদায় স্বাধীনচিতীয়া আৰু আত্মভিমানী আছিল। সেইকাৰণে আহোমৰ ৰাজত্বকালত এই শ্ৰেণীটোৰ লগত সঘনে দ্বন্দ্ব হৈছিল আৰু আহোমসকলেও এই অভিজাত শ্ৰেণীটোক বিশ্বাসত লোৱা নছিল। বৰঞ্চ তুচ্ছ-তাচ্ছিল্য কৰি হেয়জ্ঞান কৰিছিল। মধ্যযুগীয় ৰঙিয়াৰ বৃহৎ অঞ্চলত এনেকুৱা বহু শক্তিশালী স্বাধীনচিতীয়া অভিজাত শ্ৰেণী পোৱা যায়। এখেতসকলৰ ভিতৰত হৰদত্ত-বীৰদত্ত আছিল অন্যতম। হৰদত্ত ইমান প্ৰতাপী আছিল যে প্ৰজা সাধাৰণে তেখেতক ৰজা জ্ঞান কৰিছিল।

হৰদত্তই অবিভক্ত কামৰূপ জিলাৰ কমাৰকুছি অঞ্চলৰ পৰা আহি ৰঙিয়াৰ পূব প্ৰান্তৰ পুঠিমাৰী নদীৰ পাৰত, জিকেৰী নামে ঠাইত (বতমান তাতিকুৰি) হাউলী পাতি চৌধুৰী হিচাপে বসবাস কৰিবলৈ লৈছিল। তেখেত এজন তান্ত্ৰিক আছিল। সেইবাবেই অসমৰ পশ্চিম অঞ্চলৰ বহু তান্ত্ৰিক সন্ন্যাসীৰ লগত তেখেতৰ সম্পৰ্ক গঢ়ি উঠিছিল। হৰদত্তই নিজে সঘনে মদন কামদেৱ মন্দিৰ দৰ্শন কৰি তান্ত্ৰি সাধনাত ব্ৰতী হৈছিল। তিতকুৰি গাঁৱত থকা বৃহৎ আকাৰৰ গোসাঁই পুখুৰী আৰু বৰুৱা পুখুৰীৰ দুটাই এতিয়াও তেখেতৰ স্মৃতি বহন কৰি আছে। (উক্ত কথাৰ দীঘলীয়া বিৱৰণী ৰজনীকান্ত বৰদলৈদেৱে লিখা (দন্দুৱাদ্ৰোহ' নামৰ বুৰঞ্জীমূলক উপন্যাসখনত পোৱা যাব)।

গৌৰীনাথ সিংহৰ দিনত সমগ্ৰ অসমতে প্ৰজা হৈছিল বিদ্ৰোহ হৈছিল। নামনি অসমতো দৰঙৰ ৰজা আৰু কামৰূপীয়া বীৰ হৰদত্ত বৰকান্দাজা বাহিনী এটা গঠন গুৱাহাটীত থকা অত্যাচাৰী আহোম বিষয়াৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। ই আছিল ন্যায় সংগত বিদ্ৰোহ। কামৰূপ অভিজাত শ্ৰেণীৰ সন্মান ৰক্ষা কৰা আৰু সাধাৰণ প্ৰজাৰ জীৱন, সা-সম্পত্তিৰ অধিকাৰ টিকাই ৰখাৰ আছিল এই বিদ্ৰোহৰ মূল উদ্দেশ্য। সেইবাবেই হৰদত্তই বিদ্ৰোহৰ সময়ত পুৰণি অভিজাত শ্ৰেণীটোৰ উপৰি সাধাৰণ ৰাইজৰ সহায় সহযোগ লাভ

কৰিছিল।

বিদ্ৰোহৰ আৰম্ভণীতে তেখেতে দৰঙৰ ৰজা কৃষ্ণনাৰায়ণৰ লগত লগ হৈ আহোমৰ বিৰুদ্ধে চৌকীগেটত যুদ্ধ কৰি ১৭৯২ খ্ৰীষ্টাব্দত উত্তৰ গুৱাহাটীকে ধৰি কামৰূপৰ বৃহৎ অঞ্চল দখল কৰি নিজৰ অধীনলৈ আনিছিল। ভয়তে ৰজা গৌৰীনাথ সিংহই গুৱাহাটী এৰি পলাই গৈ ব্ৰিটিছ সাম্ৰাজ্যৰ অধীনস্থ এলেকাত সোমাই ইংৰাজৰ আশ্ৰয় লৈছিল। ইংৰাজ সেৱাপতি কেপ্টেইন ওৱেলছে ব্ৰিটিছ সাম্ৰাজ্যৰ ভাইছৰয়ৰ নিৰ্দেশমৰ্মে গৌৰীনাথ সিংহৰ গুৱাহাটীলৈ ঘূৰাই লৈ আহে আৰু ৰজা কৃষ্ণ নাৰায়ণ আৰু হৰদত্তক মতাই নি ১৭৯৩ চনৰ ২০ মে' তাৰিখে এখন চুক্তি সম্পাদন কৰে। কেপ্টেইন ওৱেলছে কৰা এই চুক্তিখনে হৰদত্ত আৰু বীৰদত্তৰ সন্মান বৃদ্ধি কৰিছিল আৰু প্ৰতিপন্ন কৰিছিল যে তেওঁলেকৰ বিদ্ৰোহ ৰাজবিৰোধী নাছিল, অত্যাচাৰী হৰদত্ত আৰু বীৰদত্ত সন্মান বৃদ্ধি কৰিছিল আৰু প্ৰতিপন্ন কৰিছিল যে তেওঁলোকৰ বিদ্ৰোহ ৰাজবিৰোধী নাছিল, অত্যাচাৰী বদন বৰফুকনৰ শাসনৰ বিৰুদ্ধেহে এই বিদ্ৰোহ আছিল।

কেপ্টেইন ওৱেলছৰ লগত হোৱা চুক্তিৰ পাছত হৰদত্তই বৰফুকন কলীয়া ভোমোৰাৰ দিনত পুনৰ বিদ্ৰোহত লিপ্ত হৈছিল, কাৰণ কেপ্টেইন ওৱেলছে ঘূৰি যোৱাৰ পিছত আহোম ৰজা আৰু বিষয়াসকল পুনৰ অত্যাচাৰী হৈ উঠিছিল। এইবাৰ হৰদত্তই কোঁচৰজা আৰু বিজনী ৰজাৰ লগত সম্পৰ্ক কৰি প্ৰজা বিদ্ৰোহ গঢ়ি তুলিছিল। তেখেতৰ সোঁহাত আছিল ভায়েক বীৰদত্ত। ১৯৭৫ চনত চকীগেটৰ ওচৰত দক্ষিণে হোৱা যুদ্ধত তেখেতে জয়ী হৈছিল। কিন্তু দ্বিতীয়খন যুদ্ধ, চেঁচামুখত তেখেতে পৰাজিত হৈছিল আৰু ভায়েক বীৰদত্তই যুদ্ধত মৃত্যুক আঁকোৱালি লৈছিল।

চেঁচামুখৰ যুদ্ধৰ পিছত হৰদত্তক বন্দী কৰিবলৈ আহোমৰ চোৰাংচোৱা আৰু সৈন্যবাহিনীয়ে পিয়াপি দি ফুৰাত ৰঙিয়াৰ দক্ষিণে সুন্ধিয়াঝাৰত তেওঁ সপৰিয়ালে লুকাই থাকিবলগীয়াত পৰিছিল। এই দুৰ্যোগৰ মাজতে ঘৈণীকেক ফেটী সাপে খোটাত ওজা বিচাৰি যাওঁতে জোৱায়েকে মহিৰাম আহোম চোৰাংচোৱাৰ হাতত ধৰা পৰে। সেইসূত্ৰেই চোৰাংচোৱাই হৰদত্তক সুন্ধিয়াঝাৰৰ ভিতৰত কৰায়ত্ত কৰিছিল। কামৰূপীয়া নিৰপৰাধী এইগৰাকী বীৰপুৰুষক অন্যায়মূলভাৱে নিৰ্মম শাস্তি দি (কিছুমানে কোৱামতে চকু কাঢ়ি, আন কিছুমানে কোৱা মতে শূলত দি) হত্যা কৰিছিল। তেখেতৰ অপৰূপা জীয়ৰীৰ পদুম কুঁৱৰীৰ বিলাই-বিপত্তি নোহোৱা হৈছিল। শেষত নিৰ্যাতিত হৈ আত্মহত্য কৰিবলৈ বাধ্য হৈছিল। ৰঙিয়াৰ বীৰপুৰুষ হৰদত্ত-বীৰদত্তৰ কৰুণ অথচ বীৰত্বপূৰ্ণ কাহিনী অসমৰ ইতিহাসত এক লোমহৰ্ষক অধ্যায় হিচাপে গণ্য কৰা হয়। এই কাহিনীয়ে অঞ্চলটোত দেশপ্ৰেমৰ উৎকৃষ্ট উদাহৰণ হৈ আছে।

তেখেতৰ স্মৃতি ৰক্ষাৰ্থে বৰ্তমান ৰঙিয়া চহৰত হৰদত্ত-বীৰদত্ত ভৱনটো নিৰ্মাণ কৰি উলিওৱা হৈছে। হৰদত্ত-বীৰদত্তৰ পিছৰ পৰা ব্ৰিটিছসকলৰ আগমনৰ সময়লৈকে ৰঙিয়া অঞ্চলত এটা অজ্ঞাত আৰু অন্ধকাৰময় যুগৰ মাজেৰে অতিবাহিত হৈছিল।

ইংৰাজে ১৮২৬ খ্ৰীঃত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল দখল কৰি অসমক ব্ৰিটিছ সাম্ৰাজ্যৰ লগত চামিল কৰিছিল। অসম চামিল হোৱাৰ লগে লগে, ৰঙিয়া ইংৰাজৰ অধীন হৈ পৰিছিল। ৰঙিয়াৰ শব্দটি ইতিহাসৰ চনদৰ লগত জড়িত। 'ৰণদিয়া' শব্দৰ পৰাই যে ৰঙিয়া নামটো আহিছে, ই ধ্ৰুৱ। ১৮৩৪ চনত ব্ৰিটিছে প্ৰথমতে ঠাইখণ্ডক ৰঙিয়া বুলি উচ্চাৰণ কৰি প্ৰশাসনীয় ফাইলত লিপিবদ্ধ কৰিছিল। প্ৰথমতে ৰুঙ্গিয়া, পিছত ৰঙ্গিয়া আৰু আজি ৰঙিয়া বুলি শুদ্ধভাৱে উচ্চাৰিত হৈছে।

ব্ৰিটিছ ঔপনিৱেশিক শাসন আৰু শোষণে দেশ লগতে ৰঙিয় অঞ্চলৰ মানুহৰ মাজত দেশপ্ৰেম, স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰৰ সম্পৰ্কে জাগ্ৰত কৰি তুলিছিল। সচেতন ৰঙিয়াৰ লোকে ১৮৯৪ চনৰ ১০ জানুৱাৰী তাৰিখে ইংৰাজৰ নিৰ্মম শাসন আৰু শোষণৰ বিৰুদ্ধে প্ৰতিবাদী ঐতিহাসিক সংগ্ৰাম, ৰঙিয়া ৰাইজমেল সংগঠিত কৰি মহান আদৰ্শৰ. প্ৰতিস্থাপন কৰিছে। ৰঙিয়া ৰাইজমেল অসমৰ ইতিহাসত প্ৰাঞ্জল হৈ আছে। ৰাইজমেলৰ নেতৃত্ব দিছিল কণ গোস্বামী, অভয় চৌধুৰী, কৃতী লহকৰ, ৰহমত খলিফা, জল্টিৰাম মণ্ডল (কলিতা), দুটিৰাম বায়ন (কলিতা), জিতৰাম কাকতি, প্ৰতাপ কলিতা, পৰশুৰাম বড়ো, ৰুদ্ৰ শৰ্মা ইত্যাদি আৰু বহুজনে। ৰঙিয়া ৰাইজমেলৰ সংগ্ৰামত তিনিহাজাৰ কৃষক আৰু সাধাৰণ ৰাইজ একগোট হৈ বৰ্দ্ধিত খাজনাৰ বিৰুদ্ধে প্ৰতিবাদী সংগ্ৰাম গঢ়ি তুলিছিল। ৰঙিয়া ৰাইজমেল ৰঙিয়াত এটি গৌৰৱোজ্জ্বল আৰু বৃহত্তম ৰাজনৈতিক ঘটনা ৰূপে বুৰঞ্জীত চিহ্নিত হৈ আছে।

স্বাধীনতা মানুহৰ জন্মগত স্বত্ব হ'লে ঈশ্বৰ প্ৰদত্ত নহয়, ই কষ্টোপাৰ্জিত প্ৰাপ্য। সচেতন নহ'লে উপাৰ্জিত স্বাধীনতাও হৰণ হ'ব পাৰে। অচেতন লোকে এই অধিকাৰ উপভোগ কৰাৰ সুখ উপলব্ধি কৰিব নোৱাৰে। স্বাধীনতা অৰ্জন কৰা যিমান কঠিন, ৰক্ষা কৰাটো তাকৈকে বেছি দুৰুহ কাম। ৰঙিয়াৰ ৰাইজে স্বাধীনতা অৰ্জন আৰু ৰক্ষা উভয় দিশতে সঠিক ঐতিহাসিক দায়িত্ব পালন কৰি আহিছে।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন পৃথিৱীৰ বৃহত্তম ঘটনাবিলাকৰ ভিতৰত অন্যতম আছিল; কাৰণ ভাৰত স্বাধীন হোৱাৰ লগে লগে বিশ্বৰ এক পঞ্চমাংশ লোক ঔপনিৱেশিক শাসন আৰু শোষণৰ পৰা মুক্ত হৈ পৰাৰ ফলত পৃথিৱীৰ ঔপনিৱেশিক ৰাজনীতিৰ ভাৰসাম্যৰ পৰিৱৰ্তন ঘটিছিল। পৰৱৰ্তঈ কালত ১৯৪৯ চনত চীন স্বাধীন হোৱাৰ লগে লগে জগতখন দ্ৰুতগতিত সাম্ৰাজ্যবাদী শাসনৰ কৱলৰ পৰা মুক্ত হৈ বৰ্তমানৰ স্বাধীন বিশ্বৰ সৃষ্টি কৰিছে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে পৃথিৱীৰ ৰাজনৈতিক ভাৰসাম্যৰ পৰিৱৰ্তন ঘটালে, পাল্লাত সাম্ৰাজ্যবাদতকৈ গণতান্ত্ৰিক শক্তিৰ ওজন বেছি হ'ল।

ৰঙিয়া ভূমিৰ স্বাধীনতা আন্দোলন বৰু বীৰত্বপূৰ্ণ বিৰল ঘটনাৰে পৰিপূৰ্ণ হৈ আছে। দেশপ্ৰেমিক ৰঙিয়াবাসীয়ে এই পৱিত্ৰ আন্দোলনত আত্মনিয়োগ কৰি নিজকে ধন্য কৰাৰ উপৰি ঙিয়াৰ গৌৰৱোজ্জ্বল ইতিহাস ৰচনা কৰি থৈ গৈছে।

ঔপনিৱেশিক শাসন বিৰোধী ১৮৯৪ চনৰ ৰাইজমেলৰ গণতান্ত্ৰিক চেতনাৰ ঐতিহাসিক পটভূমিত ৰঙিয়াৰ স্বাধীনতা আন্দোলন অংকুৰিত হৈছিল। ৰাইজমেল আছিল স্বাধীনতা আন্দোলনৰ পূৰ্বাভাষ।

অসমৰ লগতে ৰঙিয়া অঞ্চলতো ১৯২১ চনৰ পৰা সৰ্বভাৰতীয় ভিত্তিত আৰম্ভ হোৱা অসহযোগ আন্দোলনৰ মাজেৰে স্বাধীনতা আন্দোলন আৰম্ভ হয়। ১৯২১ চনত মহাত্মা গান্ধীয়ে অসম ভ্ৰমণ কৰাৰ পিছৰে পৰা অসমত আন্দোলনে ব্যাপক ৰূপ ধাৰণ কৰে। ১৯২১ চনৰ অহিংস আৰু শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলনৰ ওপৰত নেতৃত্ব দিছিল প্ৰয়াত শান্তিৰাম লহকৰদেৱে। ব্ৰিটিছ প্ৰয়াত শান্তিৰাম লহকৰকে ধৰি প্ৰয়াত দুৰ্গেশ্বৰ বুজৰবৰুৱা (জয়ন্তীপুৰ), মোহন চৌধুৰী (ৰঙিয়া), জীৱেশ্বৰ বুজৰবৰুৱা (জয়ন্তীপুৰ) প্ৰয়াত গোৱিন্দ অগ্ৰৱালা (ৰঙিয়া), প্ৰয়াত প্ৰতাপ নাথ (মধুকুছি), ধৰ্মকান্ত শৰ্মা (দেহাৰকুছি), প্ৰয়াত গুৰুপ্ৰসাদ ভট্ট (ইচ্ছাদঘৰীয়া), প্ৰয়াত মুন্সি হাফিজ উল্লাহ (উদিয়ানা), প্ৰয়াত মহাদেৱ গোস্বামী, শৰৎ চন্দ্ৰ ডেকা (গৰিয়াকোঠ), প্ৰয়াত প্ৰতুল চৌধুৰী (সানেকুছি), পূৰ্ণ শইকীয়া (গোৰেশ্বৰ), প্ৰয়াত গজ্ৰা বড়ো (দেউলকুছি), ভূমিধৰ লহকৰ আৰু প্ৰয়াত কেশৱ লহকৰ (গুৰুকুছি) আদি ব্যক্তিসকলক পুলিছে গ্ৰেপ্তাৰ কৰে ১৯২১ চনত আৰু কিছুদিনৰ কাৰণে জে'ল হাজোতলৈ পঠিয়াইছিল। ১৯২১ চনত প্ৰয়াত শান্তিৰাম লহকৰে পুনৰবাৰ কাৰাবৰণ কৰে।

১৯২২ চনৰ পৰা ১৯৩০ চনলৈ হোৱা আন্দোলনৰ গতিবেগ কিছু স্তিমিত হয়। কিন্তু ব্যক্তিগত উদ্যোগত যোগাযোগ আৰু প্ৰচাৰকাৰ্য চলি থাকে। ১৯৩৭ চনত মহামানৱ মহাত্মা গান্ধীয়ে ৰে'লেৰে আহি ৰঙিয়াৰ প্লেটৰ্ফমৰ পূবফালে নামি অস্পৃশ্যতা আৰু বৰ্ণবাদৰ ভাষণ দিছিল।

১৯৩০ চনৰ পিছৰ পৰা স্বাধীনতা আন্দোলনে নতুন জীৱন লাভ কৰে। 'আইন অমান্য আন্দোলন' আৰম্ভ হ'ল। পূৰ্ণ স্বৰাজ ঘোষণা কৰি ঠায়ে ঠায়ে স্বাধীনতাৰ পতাকা উত্তোলন কৰি স্বাধীনতা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰিলে। ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণী বৰ্জন কৰিলে। ৰঙিয়া হাইস্কুল আৰু বৰখলা হাইস্কুল স্থাপন কৰা হৈছিল। পৰৱতী সময়ত দুয়োখন হাইস্কুল ৰঙিয়া অঞ্চলৰ স্বাধীনতা আন্দোলনৰ শক্তিৰ কেন্দ্ৰ হৈ পৰিছিল, কাৰণ এই স্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰীসকলে ১৯৪২ চনত 'ভাৰত ত্যাগ' আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

১৯৪২ চনত বোম্বেত বহা কংগ্ৰেছৰ মহাসভাই ভাৰত ত্যাগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ঘূৰি আহোঁতে ধুবুৰীত ব্ৰিটিছে প্ৰয়াত সিদ্ধিনাথ শৰ্মা আৰু প্ৰয়াত গোপীনাথ বৰদলৈক গ্ৰেপ্তাৰ কৰে। কামিনী শৰ্মাই ছাত্ৰৰ ছদ্মৱেশ ধৰি বিয়াল্লিছৰ 'ভাৰত ত্যাগ' প্ৰস্তাৱৰ বাণী কঢ়িয়াই আনি কংগ্ৰেছ সমিতিৰ হাতত অৰ্পণ কৰি নিজে মহান হৈছে, ৰঙিয়া ৰাইজকো ধন্য কৰিছে। ১৯৪২ চনৰ পৰা ১৯৪৪ চনলৈ প্ৰয়াত সিদ্ধিনাথ শৰ্মা জে'লত আবদ্ধ হৈ থাকে।

১৯৪২ চনৰ পৰা ১৯৪৭ চনৰ সময়ছোৱা আছিল স্বাধীনতা আন্দোলনৰ শেষ আৰু গণ বিপ্লৱৰ স্তৰ। এই সময়ছোৱাতে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে ৰঙিয়াতো মানুহে 'কৰিম নহ'লে মৰিম' চৰম ত্যাগৰ ধ্বনি লৈ স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল। ৰঙিয়া অঞ্চলৰ প্ৰধান শিৱিৰ বাহাৰঘাট, কনিহাক কেন্দ্ৰ কৰি গাঁৱে গাঁৱে গণহাৰত শান্তিসেনা, সেৱাদল গঠন কৰা হয়।

বিয়াল্লিছ চনৰ পৰাই মহিলাসকলেও সমাজৰ সকলো বান্ধোন ছিঙি আন্দোলনত সোমাই পৰে। ১৯৪৬ চনত অসমক 'চি' গ্ৰুপিং আঁচনিত সুমুৱাই লৈ ব্ৰিটিছে পূব পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিছিল। ১৯৪৬ চনৰ ৫ জুন তাৰিখে সমগ্ৰ অসমতে গ্ৰুপিং বিৰোধী দিৱস পালন কৰা হৈছিল।

ৰঙিয়া অঞ্চলতো গ্ৰুপিং বিৰোধী দিৱস ব্যাপকভাৱে পালিত হৈছিল। গাঁৱে গাঁৱে প্ৰতিবাদ সভা আৰু শোভাযাত্ৰা অনুষ্ঠিত কৰিছিল। অসম গ্ৰুপিং ব্যৱস্থাৰ পৰা মুক্ত হ'লেও বিভক্তভাৱে ভাৰত স্বাধীন হ'ল। ৰঙিয়াতো ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ৰঙিয়া থানাৰ আগত প্ৰয়াত সিদ্ধিনাথ শৰ্মদেৱে প্ৰথম স্বাধীনতাৰ পতাকা উত্তোলন কৰি স্বাধীনতাৰ বিজয় সুচালে। 'ভাৰত মাতা কী জয়' ধ্বনি দিলে।

প্ৰাক ঐতিহাসিক যুগৰ পৰা ১৯৪৭ চনৰ ভিতৰত ৰঙিয়াত ধাৰাবাহিকভাৱে প্ৰবাহিত কালছোঁৱাত হোৱা উত্থান-পতনৰ আন্দোলনটোত নিহিত হৈ আছে, ৰঙিয়া বুৰঞ্জীৰ পাতত। ৰঙিয়াৰ ৰং নামৰ প্ৰৱন্ধটিত যৎ সামান্য ৰং পাব। লিখনিটিৰ আলম লৈ বিষয়বস্তুৰ ওপৰত গভীৰ আৰু বিস্তৃতভাৱে গৱেষণা কৰিলে, জ্ঞান গভীৰ হ'ব লগতে বুৰঞ্জীত ৰঙিয়াৰ নাম ৰঙীণ হ'ব।

(বাটচ'ৰাত ৰঙিয়াৰ বুৰঞ্জী' আৰু 'ভাস্কৰাব্দ তেৰচনত ৰঙিয়া ৰাইজমেল' নামৰ গ্ৰন্থ দুখনিত প্ৰবন্ধটিৰ বিষয়বস্তুৰ ওপৰত বিশদভাবে পাব, লিখক ঃ ৰঙিয়া মহাবিদ্যালয়ৰ দ্বিতীয় বৰ্ষৰ প্ৰাক্তন ছাত্ৰ)

□□□





# Organic Farming

**Dr. Sarangapani Saikia**
Vice-Principal

Use of expensive chemicals fertilizers and toxic pesticides polluted the land and water deeply. This leads to severe environmental penalty like loss of topsil, decrease in soil fertility, surface and ground water contamition and loss of genetic diversity. Therefore, the need of the present day is to use organic farming in agriculture that makes healthy food, healthy soils, healthy plants and healthy environments a priority, along with crop productivity.

Organic Farming can be defined as a system of management and agricultural production that combines a high level of biodiversity with environmental practices that preserve natural resources and has rigorous standards for animal welfare. It is an agricultural system that uses fertilizers of organic origin such as compost manure, green manure and bone meal and places emphasis on techniques such as crop rotation and companion planting. It originated early in the 20th century in reaction to rapidly changing farming practices.

The organic farming process is more ecofriendly than conventional farming. Organic farming keeps soil healthy and maintains environment integrity thereby, promoting the health of consumers. Moreover, the organic produce market is now the fastest growing market all over the world including India. The organic farming minimizes the use of pesticides and chemicals thereby reducing the major environmental issues. It ensures the health of soil, water, air and flora and fauna. Also reduces the major environmental issues like soil erosion, air pollution, water pollution etc.

Organic farming is a production management system that promotes and improves agro-ecosystem health like biodiversity, biological cycles and soil biological activity. It is a method of crop production with an objective of not to use pesticides, fertilizers, genetically modified organisms, antibiotics arid growth hormones. Organic production is proposal to optimize the productivity and suitability of diverse communities within the agro-ecosystem, including soil organisms,



plants, livestock and people.

The system of organic farming depend upon crop-rotations, use of crop residues, animal manures, legumes, green manures off farm organic wastes, bio-fertilizers, mechanicals cultivation, mineral bearing rocks, biological control to maintam soil productivity and to supply plant nutrients and to control insect, weeds and other pests. Organic farming increases farm productivity. It helps in promoting independence and food security.

**Objectives of organic farming:**

The main objectives of organic farming are:-

a) To protect the environment, decrease soil degradation and erosion, decrease pollution, optimize biological productivity and promote a sound state of health.

b) To maintain long-term soil fertility by optimizing conditions for biological activity within the soil.

c) To maintain biological diversity within the system.

d) To recycle materials and resources to the greatest extent possible within the project.

e) To provide considerate care that promotes health and meets the behavioral needs of livestock.

f) To prepare organic products by careful processing, and handling methods in order to maintain the organic integrity and vital qualities of the products at all stages of production.

g) To depend upon renewable resources in locally organized agricultural systems. Organic residues and nutrients produced on the farm are recycled back to the soil. Soil organic matter and fertility are maintained by using cover crops and composted manure. Preventative insects and disease control methods are adopted like crop rotation, improved genetics and resistant varieties. Integrated pest and weed management and soil conservation systems are important tools on an organic farm.

**Importance of organic** farming-Organic farming provides many benefits like:

i) **Provides Better Nutrition:** Organic food is rich in nutrients.Organic farming increases the nutrients of the soil which is passed on to the plants and animals.

ii) **Helps us stay to healthy:** Organic foods do not contain any chemical as organic farmers don't use chemicals at any stage of the food-growing. Organic farmers use natural farming techniques which don't harm humans and environment.

iii) **Free of poison:** Organic farming does not make use of poisonous chemicals like pesticides and weedicides. As organic farming avoids these toxins, it reduces the chances of sickness and diseases.

iv) **Lower Prices:** Organic foods cheaper as they don't use expensive pesticides, insecticides and weedicides.

v) **Improve Taste:** Organic food tastes better than other food. The sugar content in organically grown fruits and vegetables provides them extra taste.

vi) **Organic farming method are eco-friendly:** Organic farming does not utilize harsh chemicals so the environment including plant life, animals and human remains protected.

vii) **Longer shelf life:** Organic plants have greater metabolic and structural reliability in their cellular structure than conventional corps. This enables storage of organic food for a longer time.

The principal goal of organic production is to develop enterprises that are sustainable and in agreement with the environment.

□□□





# BETI BACHAO! BETI PADAO!


**Dr. Mofidul Hassan**
Assistant Professor
Department of Economics
Rangia College

On 24 May, I saw a girl aged about ten years standing outside a school. She was trying to seek the universe inside the school through her eyes and ears. When I looked at her closely, I could recognize her. She was the girl from my neighbour's house. I can now understand her seeking. She was inquisitive about it because the baby brother, whose clothes she has ironed in the morning, went there to study. Her curiosity rose when the bell rang and she could see her brother along with other students running inside the classroom. She wanted to know what it is that her brother is doing inside that room. She wanted to know what it is that the teacher is telling that the whole class was listening attentively. I could see from a distance, that her heart and mind went into the classroom. But then I hear a sound. "Sita! Sita!" called her mother from her house which was nearby. The curiosity and excitement which was there in her eyes a few moments ago gave place to sadness when she walked slowly towards her mother. "Yes Maa," she said, "Sita please come and help me with the cleaning" came the reply.

I looked at myself then. I wore a white shirt and black pants and had a file in my hand. That file contained all the documents which I needed for my presentation in the seminar at the university. I looked up and got lost in the sight of Sita and I cannot help but wonder about the following lines.

"You are a Woman", she said,
Before she could even know what, it is,
That completes her existence.
Is it the dishes or is it the book or is it both?
Long before her grandmother was born,
Her freedom was a myth to the entire world!
She was only to cook and clean,
As if she was born with that gene only!
She had a right to speak,
But that right was not granted by society!

What if she is not hidden behind the veil of ignorance,
And a book and a pen are given in her hand.
Her sight will not be only within the four corners of her house,
She can learn what is Real and what is Right.
She can strive and bring light the education,
With all her might she can extinguish the darkness from within her house.



It is only for society to realize,

Not to deprive Women of their basic right to education.

If she shines with her education, the world can shine the brightest,

Because she is the invisible pillar, a man can get support from,

And nothing can stabilize that pillar without education! "

Slowly, I break from my thoughts. And now I can see Sita in front of her house, bringing the wet clothes outside for drying. And to my left, I can see the school going in full swing where there is no dearth of light. Slowly, I went and knocked on Sita's door. Her mother answered and she looked genuinely surprised to find me at her door when I am supposed to be at the university at that time. But my aim was at only one goal "Get Sita educated because it is her right to get educated and she deserves to know as Knowledge is the ultimate Power". And I decided to do my part in contributing to society by persuading Sita's parents to send their child to school. And I know Sita's house is just the beginning for us; there will be a lot more houses for us to go to.

So here I am, sitting near Sita's mother and saying to her "Don't keep Sita in dark when she can do wonders by just getting educated! She can be a lawyer, she can be a doctor, she can be a teacher, she can be anything that she wants! But what is important is she will at least know what she wants to become when she grows up! She will at least know what is happening outside of the world! Just give her education and she will give you honour". To no surprise her mother denied it, but I didn't back out. My persuasion went on for some moments.

Ultimately, I won when her mother agreed finally. Her agreement has come with a cost, as I have decided to give a percentage of my savings to Sita for her education. But I am happy. I can understand what happens to stay in the dark when the world around is blooming around with the light of knowledge through the weapon of education. It's too early for Sita's Mother to break out from her age-old tradition and realize that. But over time, she soon realized it because she gave her daughter a chance to know how to think. And I am sure that one day she is going to call her daughter and ask "Hi Sita! Whom shall I vote?".

❑❑❑






# ডুবন্ত ৰেলগাড়ীত মৃত্যুজয়ী গান

## (সঁচা ঘটনাৰ ওপৰত আধাৰত)

মনোৰঞ্জন কলিতা
প্ৰাক্তন ছাত্ৰ

১৯৭৭ চন। সেই সময়ত মই ৰঙিয়া মহাবিদ্যালয়ৰ স্নাতক কলা মহলাৰ (ক'লা শাখা) ছাত্ৰ আছিলো। তাৰোপৰি মই NCC (National Cadet Crops)ৰ Senior Under Officer আছিলা। আমাৰ NCC গোটটো আছিল ঈৰ্ষণীয়ভাৱে শক্তিশালী। মাননীয় বীৰেন্দ্ৰ নাথ বৰদৈৰে ছাৰ আছিল আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ। সেই সময়ৰ সকলো অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ সৈতে আমাৰ সম্পৰ্ক আছিল পৰিয়ালৰ সদস্যৰ দৰে। মহাবিদ্যালয়ৰ ছাত্ৰ হিচাবে নিজকে সদায় ধন্য মানিছিলো। আজিও কলেজীয়া দিনবোৰলৈ মনটি উৰা মাৰে।

ৰঙিয়া মহাবিদ্যালয়ত পঢ়ি থকা কালছেৱাৰে এটি দিন আছিল মোৰ জীৱন মৰণৰ সন্ধিক্ষণ। NCCৰ Senior Under Office হোৱা সূত্ৰে মই বিভিন্ন ঠাইত বিভিন্ন কেম্প কৰিবলগীয়া হৈছিল। ১৯৭৭ চনত Advance Leadershipৰ বাবে মই নিৰ্বাচিত হওঁ। উক্ত কেম্পেটো আয়োজন কৰা হৈছিল কাশ্মীৰ প্ৰদেশত। উল্লেখনীয় যে উক্ত কেম্পটোৰ বাবে নিৰ্বাচিত হ'বলৈ 'NCC'ৰ 'C' চাৰ্টিফিকেট পাব লাগিব। সেই সময়ত NCCৰ মুখ্য কাৰ্যালয় আছিল তেজপুৰত। ইয়াৰ পৰাই 'Message' আহিল এই লেখকক Advance Leadershio Courseৰ বাবে নিৰ্বাচিত কৰা হৈছে। সেই অনুসৰি মই প্ৰথমে তেজপুৰৰ মুখ্য কাৰ্যালয়লৈ যাব লাগে। তালৈ গৈ প্ৰয়োজনীয় টকা-পইচা আৰু যাৱতীয় Luggage



ল'ব লাগিব। তাৰ পিছত কশ্মীৰ যাত্ৰা ২১ জুন তাৰিখে মই তেজপুৰলৈ যোৱাৰ সিদ্ধান্ত ল'লো। কেইজনমান বন্ধুৱে মোক ৰঙিয়া জংচনত আগবঢ়াই থ'লে। নিশা ১১.৪৫ বজাত মই ৰঙিয়া তেজপুৰ যাত্ৰীবাহী ৰেলত উঠিলো। নিশাৰ অন্ধকাৰ ঠেলি ইঞ্জিনে উকি দিলে। মোৰ লক্ষ্যস্থান হ'ল তেজপুৰ।

কয়লাযুক্ত ইঞ্জিনৰ ৰেলগাড়ীয়ে গতি কৰিলে। মই আন যাত্ৰীৰ স'তে আছিলো ৩ নং ডবাত। ১ নং ডবাত আছিল সাধাৰণ যাত্ৰী আৰু ২ নং আৰক্ষীৰ ডবাত আচিল ভাৰতীয় সেনা বাহিনীৰ দল। মই অন্যান্য যাত্ৰীৰ স'তে কথা-বতৰাত ব্যস্ত আছিলো, শোৱা নাছিলো। তেতিয়া সময় নিশাৰ প্ৰায় ১.৪৫ বজা। চাৰিওপিনে ঘিটমিটীয়া অন্ধকাৰ। ওদালগুৰি ষ্টেচন পাৰ হৈ প্ৰায় ৫০০ মিটাৰ দূৰত্বত কাঁহিবাৰী নামে ঠাইত এক বিকট শব্দ শুনো। ক্ষন্তেকৰ বাবে মই সম্বিৎ হেৰাই পেলালো। হুৰা-দুৰা, চিঞৰ-বাখৰ মৃত্যুৰ কাতৰ যন্ত্ৰণা, ভয়াৰ্ত্ত মুহূৰ্তত ককবকাই থকা সহযাত্ৰীৰ আস্ফালনত মোৰ চেতনা ঘূৰি আহিছিল। মোৰ ডবাত হোৱাহোৱে পানী সোমাইছে। ভৈৰবকুণ্ড নৈৰ হিম শীতল পানী। তাৰ মানে আমাৰ ডবাটো নৈৰ বুকুত। ইতিমধ্যে ইঞ্জিন আৰু ৰেলগাড়ীৰ প্ৰথম ডবা দুটা নৈৰ গৰ্ভত। এক নং ডবাৰ কোনো যাত্ৰীৰ চিন মোকাম নাই, এজনো নাবাচিল। ২নং ডবাৰ বহুত সেনানী চিৰ নিদ্ৰাত, অইন কিছুমানে যন্ত্ৰণাত জৰ্জ্জৰিত হৈ মৃত্যুৰ সৈতে যুঁজিছে। আমাৰ ডবাত ৭ জন যাত্ৰী কোনোমতে বাচিল। বাকী সকলো মৃত।

কেনেকৈ বাচি গ'লো মই। মই ডবাৰ ভিতৰৰ পৰা ওলাবলৈ চেষ্টা কৰোতে খৰস্ৰোতা ভৈৰবকুণ্ড নৈয়ে প্ৰৱল সোঁতত মোক ৫০০ মিটাৰ মান উটুৱাই লৈ গ'ল। ভাগৰুৱা দেহ-মন লৈ সাতুলি নাদুৰি মই ৰেলপথলৈ কোনোমতে আহি পালো। তেতিয়া কাহিলী পুৱা। সময় প্ৰায় ৰাতিপুৱা ৫.০০ বজা। এইখিনিতে অন্য এটা উল্লেখযোগ্য ঘটনা। ৰঙিয়া মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক শ্ৰীতৰুণ দত্ত লহকৰ সেইদিনা মোৰ সহযাত্ৰী আছিল। তেওঁ ৰঙাপাৰালৈ যাব। লহকৰে সাতুৰিবও নেজানে। ওপৰ দুৱাৰ ৰেলিঙত ধৰিয়ে তেওঁ ডবাৰ চালত উঠি কেনেবাকৈ ৰক্ষা পৰিল। আমি দুয়ো পুনৰ ৰেলপথত একগোট হলো।

ৰাতিপুৱা সূৰ্য্যৰ পোহৰত দেখিলো ৰেপথৰ পশ্চিম দিশত পথাৰ বালিৰে পোট গৈছে। শ শ মৃতদেহ সিচৰিত ভাবে পৰি আছে। কি বীভৎস আৰু করুণ!! সেই দৃশ্য!! চাব নোৱাৰি, ভাষাৰে বুজাব নোৱাৰি। অবৰ্ণনীয়, অসহনীয়। ৪ নং আৰু ৫ নং ডবাৰ আঘাতপ্ৰাপ্ত যাত্ৰীৰ গগণ ফলা চিঞৰ সকলোৱে কৰিছে জীৱনৰ প্ৰাৰ্থনা।


সংবাদপত্ৰত প্ৰকাশিত হিচাব মতে এই দুৰ্ঘটনাটোত ১২০০ জন নিহত হৈছে। পৰিসংখ্যাৰ হিচাবৰ পৰা সেই সময়ত ভাৰতবৰ্ষৰ এইটো আছিল বৃহৎ ৰেল দুৰ্ঘটনা।

সামৰণি ঃ মৃত্যুৰ দুৱাৰ ডলিৰ পৰা মই নতুন জীৱন পালো। নেদেখাজনক শত সহস্ৰ প্ৰণাম।

❑❑❑







# শ্ৰদ্ধেয় শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈদেৱৰ কৰ্মজীৱনৰ এক চমু আভাস

অমৃত চন্দ্ৰ নাথ, এম.এ, বি.টি
প্ৰাক্তন ছাত্ৰ ৰঙিয়া মহাবিদ্যালয়
প্ৰাক্তন অধ্যক্ষ, বৃন্দাবন উচ্চতৰ মাধ্যমিক বিদ্যালয়

১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখটো আছিল ৰঙিয়াবাসী ৰাইজৰ বাবে এটা চিৰস্মৰণীয় দিন। শিক্ষানুৰাগী কেইজনমান সমাজসেৱকৰ অশেষ চেষ্টাৰ ফলশ্ৰুতি হিচাপে ৰঙিয়া মহাবিদ্যালয়ৰ জন্ম হৈছিল। শিক্ষা-দীক্ষাত পিছপৰা বৃহত্তৰ ৰঙিয়া অঞ্চলত এখন মহাবিদ্যালয় স্থাপন কৰাৰ বিষয়ে আঞ্চলিক ৰাইজৰ মাজত কেইবছৰমান আগৰেপৰা চিন্তা-চৰ্চা চলিছিল। সেইসময়ত প্ৰায় ১৫-১৬ খন হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে ৰঙিয়া পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছিল। বৃহত্তৰ এই অঞ্চলত উচ্চ শিক্ষা লাভৰ বাবে এখনো মহাবিদ্যালয় নথকাত আঞ্চলিক ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষা লাভৰ বাবে কেইজনমান শিক্ষাপ্ৰেমী লোক, সমাজকৰ্মী ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত ১৯৬৩ চনৰ ৫ আগষ্ট তাৰিখে ৰঙিয়া মহাবিদ্যালয়খন স্থাপন কৰা হ'ল।

অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী প্ৰয়াত সিদ্ধিনাথ শৰ্মাদেৱে মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰথম সভাপতি আছিল আৰু সমাজসেৱক প্ৰয়াত দুৰ্গাদত্ত আগৰৱালা আছিল প্ৰথম সম্পাদক। তেখেতসকলৰ নেতৃত্বত কেইজনমান গুণী-জ্ঞানী শিক্ষানুৰাগী ব্যক্তিৰ অক্লান্ত চেষ্টাত মহাবিদ্যালয়ৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী প্ৰথমতে ৰঙিয়া হাইস্কুলত নৈশ ভাগত পাঠদান হৈছিল। মহাবিদ্যালয়খনৰ প্ৰথম কাৰ্যবাহক অধ্যক্ষ আছিল প্ৰয়াত সুখদেৱ সিং। তেখেত এজন বিদ্যান আৰু শিক্ষানুৰাগী ব্যক্তি আছিল। তেখেত বেছিদিন মহাবিদ্যালয়ৰ কাৰ্যবাহক অধ্যক্ষ হৈ নাথাকিল। বিশেষ অসুবিধা বশতঃ তেখেত ৩ মাহৰ ওপৰ সময় কাৰ্যবাহক অধ্যক্ষ হৈ অব্যাহতি লৈছিল। মহাবিদ্যালয় পৰিচালনাৰ সুবিধাৰ্থে পৰিচালনা সমিতিৰ সিদ্ধান্তমৰ্মে ১৯৬৪ চনৰ ১৭ জানুৱাৰী তাৰিখে অসমৰ প্ৰথম মুখ্যমন্ত্ৰী। (তেতিয়াৰ প্ৰধানমন্ত্ৰী) প্ৰয়াত লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ সুযোগ্য দ্বিতীয় পুত্ৰ শ্ৰদ্ধেয় বীৰেন্দ্ৰনাথ বৰদলৈদেৱক ৰঙিয়া মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিছিল।

১৯৬৪ চ.নৰ ১৭ জানুৱাৰী তাৰিখে ৰঙিয়া মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি পত্ৰ লাভ কৰি বৰদলৈ ছাৰে স্থায়ী অধ্যক্ষ পদত যোগদান কৰিছিল। উল্লেখ্য ইয়াৰ আগেয়ে প্ৰাগজ্যোতি, মহাবিদ্যালয়ত অধ্যাপক হিচাপে কেবামাহো ধৰি কাম কৰাৰ পিছত শ্ৰদ্ধেয় বৰদলৈ ছাৰে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ পৰা অব্যাহতি লৈছিল। ইয়াৰ পিছত ৰঙিয়া মহাবিদ্যালয়ত শ্ৰদ্ধেয় বৰদলৈ ছাৰে অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিছিল।

১৯৬৪ চনৰ ১৭ জানুৱাৰী তাৰিখৰ পৰা একেৰাহে ১৯৮১ চনৰ ১৫ মে' তাৰিখলৈ শ্ৰদ্ধেয় বৰদলৈ চাৰে সুচাৰুৰূপে ৰঙিয়া মহাবিদ্যালয়ত অধ্যক্ষৰ পদ অলংকৃত কৰিছিল।

প্ৰথমতে নৈশ শাখা শ্ৰেণী ৰঙিয়া উচ্চ মাধ্যমিক বিদ্যালয়ত আৰম্ভণি হৈছিল। সেইসময়ত ৰাস্তা-ঘাটৰ অৱস্থা অতি দুখলগা আছিল। যাতায়াতৰ সুবিধাৰ্থে ৰাইজে, ছাত্ৰ-ছাত্ৰীসকলে (মই নিজেও) শিক্ষাগুৰুসকলৰ তত্ত্বাৱধানত কেবাদিনো পৰিশ্ৰম কৰি ৰাস্তা-ঘাটবোৰ সকলোৱে অক্লান্ত চেষ্টাত বান্ধি লোৱা হৈছিল। তেতিয়া ৰঙিয়া মহাবিদ্যালয়ৰ নিজা মাটি নাছিল। অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী প্ৰয়াত সিদ্ধিনাথ শৰ্মাদেৱ পৰিচালনা সমিতিৰ প্ৰথম সভাপতি আছিল। ৰাজহ মন্ত্ৰী মহোদয়ৰ চেষ্টাত বনগাঁও গো ৰিজাৰ্ভত ৭৫ বিঘা মাটি মহাবিদ্যালয়ৰ নামত দিয়া হৈছিল। ইয়াৰ উপৰিও ১৯৬৫ চনত প্ৰয়াত সিদ্ধিনাথ শৰ্মাদেৱে বনগাঁও ৰিজাৰ্ভত ৰঙিয়া মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিলে। উক্ত কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰুসকল আৰু আঞ্চলিক ৰাইজৰ উদ্দীপনাত সকলোৱে অতি আনন্দিত হৈছিল।

১৯৬৩ চনত কলা শাখাৰ নৈশ শ্ৰেণী আৰম্ভ হৈছিল উক্ত শ্ৰেণীবোৰ ৰঙিয়া উচ্চ মাধ্যমিক বিদ্যালয়ত পাঠদান হৈছিল। ১৯৬৫ চনত মই গাছবাৰী হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰঙিয়া হাইস্কুল পৰীক্ষা কেন্দ্ৰৰ পৰা ভালদৰে উত্তীৰ্ণ হৈছিলোঁ। মোৰ ঘৰুৱা জীৱন বৰ করুণ আছিল। ১২ বছৰ বয়সতে আমাৰ পিতৃ-মাতৃয়ে মোক, সৰু ভাইজনক আৰু দেৰ বছৰীয়া ভনীজনীক ইহ-সংসাৰত এৰি থৈ চিৰদিনৰ বাবে সিপুৰিলৈ গুচি গ'ল। মোৰ পঢ়াৰ প্ৰতি বৰ ধাউতি আছিল। কিন্তু উচ্চ শিক্ষা লাভৰ বাবে কোনো ব্যক্তিয়ে সহায় নকৰিলে। মই যে হাইস্কুলীয়া শিক্ষা শেষ কৰিব পাৰিম সপোনতো ভবা নাছিলোঁ। সেইসময়ত ৰঙিয়া মহাবিদ্যালয়ত অক্ষ্যক্ষ হিচাপে শ্ৰদ্ধেয় বীৰেন্দ্ৰনাথ বৰদলৈ ছাৰ আছিল। মোৰ উচ্চ শিক্ষা লাভৰ বাবে, নামভৰ্ত্তি কৰাৰ বাবে মাছুল আদি ৰেহাই দিয়াৰ বাবে অধ্যক্ষ মহোদয়ৰ জৰিয়তে পৰিচালনা সমিতিৰ সম্পাদক মহোদয়ক এখন আবেদন দিছিলোঁ। বৰদলৈ ছাৰে পৰিচালনা সমিতিৰ সম্পাদকৰ লগত আলোচনা কৰিলে। পৰিচালনা সমিতিৰ সম্পাদক মহোদয়ে মোক মাচুল ১৯৬৫ চনৰ পৰা ১৯৬৯ চনলৈ ৰেহাই দিছিল। শ্ৰেণীত নামভৰ্ত্তিত সহায় কৰিছিল। শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়ৰ কৃপাত অধ্যয়নত সুবিধা লাভ কৰিছিলোঁ। ইয়াৰ উপৰিও শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়ে মোক পঢ়াৰ সুবিধাৰ্থে কেবাখনো কিতাপ কিনি দিছিল। ছাৰৰ সহায়-সহযোগ নাথাকিলে মই কেতিয়াও উচ্চ শিক্ষা লাভ কৰিব নোৱাৰিলোঁহেঁতেন। এইখিনিতে মই শ্ৰদ্ধেয় বৰদলৈ ছাৰক আন্তৰিকভাৱে ভক্তি আৰু প্ৰণাম জনালোঁ। প্ৰথমদিনা মই অধ্যক্ষৰ কাৰ্যালয়ত সোমাবলৈ ভয় কৰিছিলোঁ। তেতিয়া চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী প্ৰয়াত আকলু কলিতাই মোক ছাৰৰ ওচৰলৈ লৈ গৈছিল। মই ছাৰক এটা প্ৰণাম কৰিছিলোঁ। শ্ৰদ্ধেয় ছাৰে মোক প্ৰাক্-বিশ্ববিদ্যালয় শাখাত নামভৰ্ত্তি কৰি দিছিল। ছাৰ অতি দয়ালু ব্যক্তি লগতে ত্যাগী ব্যক্তি আছিল। অধ্যয়নৰ সময়ত শ্ৰদ্ধাৰ ছাৰে মোক যথেষ্ট সহায় কৰিছিল। শ্ৰেণীত নামভৰ্ত্তিৰ পিছত পাঠদান কাৰ্য হৰদত্ত-বীৰদত্ত ভৱনত দিনৰ ১০ বজাত আৰম্ভণি হৈছিল। তেতিয়া ১৪৮ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীত নামভৰ্ত্তি কৰিছিল। শ্ৰেণীত মোক শ্ৰদ্ধেয় বৰদলৈ ছাৰে অমৃত বুলি নামকাঢ়ি মাতিছিল। ছাৰৰ প্ৰতি মোৰ আন্তৰিক হিয়াভৰা ভক্তি জনালোঁ।

শ্ৰদ্ধেয় অধ্যক্ষ বৰদলৈ ছাৰ মহাবিদ্যালয়ৰ কামত ব্যস্ত হৈ থকাৰ উপৰিও ৰঙিয়া অঞ্চলৰ সামাজিক, বৌদ্ধিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনৰ লগত জড়িত থকা দেখা গৈছিল। ১৯৭৩ চনত ৰঙিয়াত অনুষ্ঠিত অসম সাহিত্য সভাৰ আদৰণী সমিতিৰ সম্পাদক হিচাপে গুৰু দায়িত্ব বহন কৰিছিলোঁ। সাহিত্য সভাখন বৰদলৈ ছাৰৰ নেতৃত্বত সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সক্ষম হৈছিল।

১৯৭৯ চনৰ ১০ ডিচেম্বৰৰ ৰাতি অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ পুলিচৰ প্ৰহাৰত মৃত্যু হোৱা কেইঘণ্টামান আগেয়ে ৰঙিয়া আই.ও.চি তেল ডিপোৰ কাষত পথ অৱৰোধ কাৰ্যসূচীত মূল নায়ক হিচাপে বৰদলৈ ছাৰে থিয় হৈ নমিনেচন দিবলৈ যোৱা বেগম আবিদা আহমেদক বাধা দিয়াত পুলিচৰ প্ৰহাৰত ছাৰ বেয়াকৈ আহত হৈছিল। পথ অৱৰোধ কাৰ্যসূচীত অংশ ল'বলৈ যোৱা কেবাজনো শিক্ষাগুৰু আৰু ছাত্ৰ পুলিচৰ প্ৰহাৰত আহত হৈছিল। পুলিচৰ আতিশয্যই বৰদলৈ ছাৰৰ অন্তৰত বৰ আঘাত দিছিল। অধ্যক্ষ ছাৰে পদমৰ্যাদা আৰু তীব্ৰ আত্মসন্মান ৰক্ষা কৰি চলাত যথেষ্ট গুৰুত্ব দিছিল। অভিজাত পৰিয়ালৰ পৰা আহিলেও ছাৰ এজন নিৰহংকাৰী, সদায় হাস্যময় আৰু উজ্জ্বল ব্যক্তিত্বৰগৰাকী আছিল। শ্ৰদ্ধেয় বৰদলৈ ছাৰ এক অসাধাৰণ ব্যক্তিত্বৰ লোক আৰু এগৰাকী আদৰ্শ শিক্ষকৰ আটাইবোৰ গুণেই তেখেতৰ দেহ-মনত বিদ্যমান।

১৯৬৪ চনৰ ১৭ জানুৱাৰীৰ পৰা ১৯৮১ চনৰ মে' মাহলৈ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ছাৰক লগ পাইছিল। ছাৰৰ নিচিনা গুণী, জ্ঞানী, আদৰ্শবান নিৰহংকাৰী অধ্যক্ষ পাবলৈ অতি বিৰল। মই নিজে ৰঙিয়া মহাবিদ্যালয় শ্ৰেণীত পঢ়িছিলো আৰু ১৯৬৯ চনত স্নাতক ডিগ্ৰী লাভ কৰিছিলোঁ। ছাৰৰ পৰা উৎসাহ, বিভিন্ন ধৰণে সাহায্য নাপালে মই উচ্চ শিক্ষা লাভ কৰিব নোৱাৰিলোহেঁতেন। ছাৰে মোৰ অৱস্থা জানিব পাৰি কেবাখনো কিতাপ-পত্ৰ পঢ়াৰ সুবিধাৰ্থে কিনি দিছিল। শ্ৰদ্ধেয় ছাৰ শ্ৰেণীকোঠাৰ মহান শিক্ষকৰ লগতে অধ্যক্ষ হিচাপে অতি নিষ্ঠাবান ব্যক্তি আছিল। অধ্যক্ষ হিচাপে বিভিন্নকামত ব্যস্ত মানুহজনৰ বহুতো কথাই আমাৰ মানসপটত জিলিকি আছে আৰু ভৱিষ্যতেও জিলিকি থাকিব। এনেকুৱা সৰ্বগুণী, বিদ্বান, ন্যায়বান শ্ৰদ্ধেয় ছাৰক কৰযোৰে প্ৰণাম জনালোঁ। ছাৰ এজন বিভিন্ন দিশত পৰিপূৰ্ণ অধ্যক্ষ আছিল। তেখেতৰ অকপট চেষ্টাত ৰঙিয়া মহাবিদ্যালয়খন দিনকদিনে উন্নতিৰ পথত আগবাঢ়িবলৈ সক্ষম হৈছিল। সদ্য প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ আৰ্থিক অনগ্ৰসৰতা দূৰীকৰণৰ বাবে ছাৰে





মহাবিদ্যালয়ৰ পতিত ভূমিখণ্ডত কৃষিপাম এখন স্থাপনৰ উদ্যোগ লৈছিল। কেবাগৰাকী অধ্যাপকক লগত লৈ কৰা এই প্ৰচেষ্টাৰ জৰিয়তে মহাবিদ্যালয়খনৰ আৰ্থিক স্বচ্ছলতা অনাৰ উপৰিও শিক্ষাৰ লগত কৃষিৰ সমন্বয় সাধন কৰি ছাত্ৰ-ছাত্ৰীসকলক শ্ৰমৰ মৰ্যাদাৰ শিক্ষা দিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

ৰঙিয়া অঞ্চলৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'গ্ৰাম স্বৰাজ পৰিষদ'ৰ অন্যতম জন্মদাতা শ্ৰীযুত বৰদলৈ ছাৰ। অঞ্চলটোৰ ওচৰে-পাজৰে থকা নিৰক্ষৰ কৰ্মঠ পুৰুষ-মহিলাসকলৰ কৰ্ম সংস্থাপনৰ বাবে গ্ৰাম স্বৰাজত কপাহী সূতা প্ৰস্তুত কৰি কাপোৰ বৈ উলিওৱা আৰু বাঁহ-বেঁত আদি বিভিন্ন কৰ্মৰ আঁচনি প্ৰস্তুত কৰি তাক বাস্তৱ ৰূপায়ণৰ বাবে ছাৰে তাত থকা অনাথ আশ্ৰমখনৰ কুৰিজন অনাথ শিশুৰ লগত একেলগে বহি সাধুকথা কোৱাৰ চলেৰে শিশুসকলৰ অন্তৰত জ্ঞানৰ প্ৰদীপ জ্বলাইছিল। ছাৰে বহুজনৰ ঈপ্সিত মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদ সন্মান, সমমৰ্যাদা, ক্ষমতা আদি সকলোফালৰ পৰা এই পদ বহুতৰ বাবে কামনাৰ বস্তু। অথচ বহুজনৰ আকাংক্ষিত এই পদৰ লগতে জাগতিক সকলো লাহ-বিলাসৰ, উচ্চাকাংক্ষা ত্যাগ কৰি প্ৰশান্তি নিলয়মৰ গভীৰ প্ৰশান্ত পৰিৱেশত ছাৰে আশ্ৰয় ল'লৈগৈ এজন অধ্যাপক হিচাপে। ছাৰে ৰঙিয়া মহাবিদ্যালয়ত বিভিন্ন দিশত, ছাত্ৰ-ছাত্ৰীক সাহস, উৎসাহ দিয়াৰ ফলশ্ৰুতিত বহু ছাত্ৰ-ছাত্ৰীৰ জ্ঞান লাভত সহায়ক হৈছিল।

শ্ৰদ্ধেয় ছাৰ এজন ভাল অধ্যক্ষই নাছিল, তেখেত এজন যোগ্য প্ৰশাসক আছিল। শ্ৰেণীত ছাৰে ইংৰাজী বিষয়ত পাঠদান কৰিছিল। ইংৰাজীত ছাৰ এজন অতি চোকা পণ্ডিত আছিল। শ্ৰদ্ধেয় ছাৰৰ অন্তৰখন বৰ কোমল আছিল। সকলোকে মৰমৰ চকুৰে চাইছিল। সেয়ে সকলো শ্ৰেণীৰ ব্যক্তিয়ে শ্ৰদ্ধা কৰিছিল। আমি ছাত্ৰ-ছাত্ৰীসকলে ছাৰক যথেষ্ট ভক্তি, বিশ্বাস কৰিছিলোঁ। বৰদলৈ ছাৰৰ নিচিনা ত্যাগী, গুণী, জ্ঞানী সকলোৰে শ্ৰদ্ধাৰ ব্যক্তি হিচাপে পৰিগণিত হৈছে। মই নিজে বৰদলৈ ছাৰক অন্তৰৰ পৰা ভক্তি জনাইছিল। তেনেকুৱা এজন নিৰহংকাৰী ব্যক্তি অধ্যক্ষ হিচাপে পোৱাটো অতি বিৰল। এইখিনিতে মোৰ অধ্যয়নত বিশেষভাৱে সহায়-সহযোগ কৰি ছাৰে প্ৰয়োজনীয় কিতাপ-পত্ৰ কিনি দি অভিভাৱকৰ নিচিনা সহায় কৰি অধ্যয়নত যথেষ্ট সহায় কৰিছিল। লগকেত মোক বিভিন্ন সময়ত উৎসাহ-উদ্দীপনা যোগাইছিল। ইয়াৰ উপৰি শিক্ষাগুৰু শ্ৰদ্ধেয় শ্ৰীহীৰেন্দ্ৰনাথ শৰ্মা ছাৰে মোক সকলো সময়তে অধ্যয়নত সহায় কৰিছিল। আনকি কেইখনমান কিতাপ কিনি দিছিল। শ্ৰদ্ধেয় শ্ৰীহীৰেন্দ্ৰনাথ শৰ্মা ছাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা-ভক্তিৰে ছাৰক প্ৰণাম জনালোঁ। ১৯৬৭ চনত ৰঙিয়াৰ পৰা দিল্লীলৈ ভ্ৰমণৰ সময়ত শ্ৰদ্ধেয় শৰ্মা ছাৰে যথেষ্ট সহায় কৰিছিল।

যিসকল শিক্ষাগুৰুৰ তত্ত্বাৱধানত অধ্যয়ন কৰিছিলোঁ, দিহা-পৰামৰ্শ পাইছিলো সেইসকল গুৰুৰ স্মৃতি মোৰ মানসপটত চিৰদিনৰ বাবে জিলিকি থাকিব। এইখিনিতে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰে পৰা অগ্ৰণী ভূমিকা লোৱা এজন মহান শিক্ষাবিদ প্ৰয়াত প্ৰাণেশ্বৰ শৰ্মা ছাৰৰ স্মৃতি ৰোমন্থন কৰাৰ প্ৰয়াস কৰিলোঁ। মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত প্ৰয়াত প্ৰাণেশ্বৰ শৰ্মা ছাৰ এজন অগ্ৰণী ব্যক্তি আছিল। তেখেত ৰঙিয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ উপ-সভাপতি আছিল। ৰঙিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল লগতে তেখেত এজন মহান পণ্ডিত আছিল।

এইখিনিতে মোৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈ ছাৰৰ কৰ কমলত ভক্তি ভৰা প্ৰণাম জনালোঁ। লগতে এই মহান ব্যক্তিজনৰ কৰ্মজীৱনৰ চমু আভাস দাঙি ধৰিলোঁ।

"জয়তু ৰঙিয়া মহাবিদ্যালয়"

□□□

# Views of Swami Vivekananda on Women Education

**Dr. Snigdha Sarkar**
Guest Faculty

Swami Vivekananda is the first monk to uphold and do work for freedom and equality of Women and realized the importance of women for the society as well as the nation. Among the modern Indian religion reforms, Vivekananda argued for equality of men and women.

He said," No man shall dictate to a women to a man.....Women will work out their destiny better than men can ever do for them. All mischief has come because men undertook to shape the destiny of women." 08-March-2019.

Swami Vivekananda claimed the importance of women empowerment that without the empowerment of women it is no possibility of the prosperity of the world. He gave an example that a bird needs both the wings to fly, with one wing birds can't fly, both the wings are equally important.



Swamiji said," It is very difficult to understand why in this country so much difference is made between men and women, whereas the Vedanta declares that one and same conscious self is present in all beings. You always criticise the women, but say what you have done for their uplift? Writing down Smritis etc. and binding them by hard rules, the men have turned the women into me manufacturing machines! if you don't raise the women ,who are the living embodiment of the Divine Mother, don't think that you have any other ways to rise."

He identified that the ignorance of women was the main hindrance for the progress of India. He insisted that women should be put in the position of power to solve their own problem in their own way and this cannot be possible without education. He engaged throughout his life for the development of Women Education.

One disciple questioned Swamiji," What sort of education, do you think, is suited to our women? Swamiji answered," Religion, Arts, Science, housekeeping, cooking, sewing, hygiene-the simple essential points in these subjects ought to be taught to our women. The Mahakali Pathshala is to a great extent moving in the right direction .But only teaching rites of worship won't do; their education must be an eye opener in all matters..Ideal characters must always be presented before the view of the girls to imbue them with a devotion to lofty principles of selflessness. The noble examples of Sita, Sabitri, Damayanti, Lilabati, Khana and Mira should be brought home to their minds and they should be inspired to mould their own lives in the light of these".

He believed that women could tap and use





their capabilities, if they were properly educated .He believed in the self respect and self dignity of women and wanted no man to trample upon it, be it in the guise of protection or in the guise of reformation, he said. His educational perspective is based on applied Vedanta and Western Culture. Thinking the different social status .Swamiji prepared different curriculum for the women. He also said mother tongue is the best medium for the social and mass education.

There is that one beautiful story of the great sage Yajnavalkya, the one who visited the kingdom of the great king Janaka. And there in that assembly of the learned, people came to ask him questions. One man asked him, "How am I to perform the other sacrifice?" And after he had answered them, there arose a woman who said," These are childish questions. Now have a care: I take these two arrows, my two questions. Answer them if you can and we will then call you a sage. The first is What is soul? The second is: What is God?

Thus arose in India the great questions about the soul and God and these came from the mouth of a women. The sage had to pass an examination before her and he passed well.

In the post independent India, women are still suffering from many chronic problems such as physical, social, political, cultural and economical etc.

Swamiji said, the ideal women in India is the mother, the mother first and the mother last. The word woman calls up to the mind of the Hindu, motherhood and God is called mother. As children, every day, when we are boys, we have to go early in the morning with a little cup of water and place it before the mother and mother dips her toe into it and we drink it.

In the West, the woman is wife. The idea of womanhood is concentrated there---as the wife. To the ordinary man in India, the whole force of womanhood is concentrated in motherhood. In the Western home, the wife rules. In an Indian home, the mother rules. If a mother comes into a Western home, she has to be subordinate to the wife; to the wife belongs the home. A mother always lives in our homes. The wife must be subordinate to her. See all the difference of ideas.

Swami Vivekananda, as a futurist, viewed women as the harbingers of our civilization and as the shapers of our nation's future. He had immense faith in our women and believed that we would be able to bounce back to our worthy position as the spiritual and ethical leaders of the world. His views on women need to be revisited most importantly because they highlight the ethics and values that we once again need to inculcate as a society.

The feminine has been perceived as a symbol of duty, patience, self-restraint and suffering in our culture. It is only these values that can help us tackle the menace of unbridled greed, indulgence and based moal brought about with the harmony of capitalism and modernity.

**References:**

1. Women of India, by Swami Vivekananda: reprinted in 2015----published by Adhyakha Sri Ramkrishna Math, Mylapore, Chennai-4.
2. Biswajayee Vivekananda,by Nripendra Krishna Chattopadhya: reprinted in 2011------published by Sri Arun Chandra Majumdar, Deb Sahitya Kutir private limited,Kolkata-9.
3. Google Link.

□□□

# 'কৰ্ম'ৰ দিব্যত্ব শক্তি আৰু কিছু দাৰ্শনিক ভিত্তি

ভৱত শৰ্মা
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

'কৰ্ম'— মানৱ সংস্কৃতিক সাৰ্থক কৰা এক অমূল্য সম্পদ আৰু অধ্যাত্মবাদৰ এক উচ্চতম জোনাকী পথ— য'ৰ পৰা আৰম্ভ হয় সেই পুণ্যময় তপোবনলৈ বুলি এক অবিৰত শোভাযাত্ৰা। এই কৰ্ম কিন্তু জ্ঞানেৰে পৰিপূৰ্ণ হোৱাৰ কৰ্ম; বাসনাৰ মোহাল ফালি সুখ-দুখক জয় কৰাৰ কৰ্ম। প্ৰকৃত কৰ্মৰ স্বৰূপ সম্পৰ্কত ক'ৰ পৰা যায় যে কৰ্ম হ'ল মহামানৱৰ সৰ্বগুণেৰে ভূষিত দিব্যত্ব গুণ সমৃদ্ধ এনে এক মহামন্ত্ৰ যি ধ্যানস্থ কৰ্মযোগত প্ৰযুক্ত হৈ আছে সাৰ্বকালিক মানৱৰ তথা জীৱধাৰী জগতৰ গভীৰ প্ৰশান্তিৰ যুগজয়ী উশাহ। সেয়েহে ধৰ্মীয় ব্যাখ্যাত কোৱা হয়— 'কৰ্মই হ'ল ধৰ্ম'— যি কৰ্মই কেৱল সত্য, শান্তি, প্ৰেম, দিব্যত্ব তথা বিশ্বশান্তিৰ দুৱাৰ মুকলি কৰে। বিশ্বজনীনতাৰে সালংকৃতা মহিমামণ্ডিত এনে ধৰ্মই সংকীৰ্ণতাৰে নিৰ্মিত বিভিন্ন নাম আৰু ৰূপৰ সাকাৰৰূপী বাহ্যিকতাৰ ৰং-ঢঙৰ ভিন্নশৈলীৰ ভিন্ন ধৰ্ম ধাৰাক প্ৰতিনিধিত্ব নকৰে। বিৰাট বিশাল ব্ৰহ্মানন্দ আৰু বিশ্বাত্মবাদৰ ভেটিত সৰ্বাত্মবাদী মানৱ মূৰ্ত্তিৰ চিৰশাশ্বত প্ৰেমৰ আকৰ স্বৰূপ 'মানৱ ধৰ্ম'কহে বহলভাৱে সামৰি লয়। সঁচা অৰ্থত এনে মানৱীয় ধ্যান-ধাৰণা তথা ধৰ্ম সাধনাৰে মুক্তিপ্ৰয়াসীত। মানৱে মোক্ষপ্ৰাপ্তিৰ পথ সহজে আয়ত্ব কৰিব পাৰে আৰু বিশ্ব ভূমানন্দৰ অখণ্ড সাৰ্বভৌম সত্য, উপলব্ধিৰ পথ, সুগম-সুগন্ধিময় কৰি তুলিব পাৰে। দাৰ্শনিক ভিত্তিত কৰ্মৰ স্বৰূপ অনুসৰি প্ৰবৃত্তি মাৰ্গ আৰু নিবৃত্তি মাৰ্গ বুলি দুই ধৰণৰ কৰ্ম বিভাজনৰ পৰিচয় আছে। সাস্ত্ৰোত্তম গীতাত নিবৃত্তি মাৰ্গৰ যথোচিত কৰ্মহে অতি বিশুদ্ধ আৰু শ্ৰেষ্ঠ কৰ্ম বুলি বন্দিত হৈছে আৰু এনে এক মানৱীয় প্ৰপঞ্চগুণৰ ৰসসিক্ত ফলেহে মানৱৰ বাবে একমাত্ৰ মুক্তি, পুণ্য আৰু সত্যৰ নিগুঢ়তম পথ নিৰ্দেশ কৰে। যথাৰ্থত, এই কৰ্ম অনাসক্ত জুইত পুৰি বিশুদ্ধ হোৱাৰ কৰ্মহে। অত্যাধিক বিষয়-বাসনাৰ ফলত উদ্ভুত আধ্যাত্মিক সংকট তথা সামাজিক সংকটৰ পৰা জীৱই নিজকে মোহমুক্ত কৰিবলৈ ধ্যানমগ্নৰ এনে নিবৃত্তিময় কৰ্ম সাধনাই হৈছে পাৰত্ৰিক কৰ্মময় জীৱনৰ ক্ষেত্ৰত ই এক প্ৰধান



উদ্দীপনা। অহং ভাৱেৰে পুষ্ট হৈ আকাশলংঘী ভোগৰ আকুলতাৰে বেৰি ধৰা ঐন্দ্ৰজালিক তৰাবুলীয়া ব্যক্তিকেন্দ্ৰিক শ্লীলতাৰ সপোনবোৰ জীৱ জগতত স্বধৰ্ম পালনেৰে শান্তি সুখৰ বিধান দিব নোৱাৰে। সেয়েহে দেখা যায় আত্মানন্দক জাগৃত কৰা এনে স্বধৰ্মৰ পৰা বিচলিত হৈ বন্ধ বৰ্ত্তনীৰ মাজত ভণ্ড কামেৰে গেৰুৱা বসন পিন্ধাসকল সামাজিক মেৰুদণ্ড বিনষ্ট কৰা এক দুৰ্দ্ধৰ্ষ চৰিত্ৰহে— যিয়ে নেকি মানৱ প্ৰজাতিক ক্ষুদ্ৰ ক্ষুদ্ৰ সত্তাত সীমাৱদ্ধ কৰি যুগে যুগে জাতিকুল ধ্বংসৰ শলিতাৰে অগ্নিস্ফুলিঙ্গ বিয়পাই আহিছে। পৰম ক্ষানবীৰ্যৰে অশ্লীলতাৰ ঢাকনিক নাশ কৰিব পৰা কৰুণাময় দৃষ্টিসমূহত জ্যোৎস্নাবিধৌত হৈ আছে গীতাশাস্ত্ৰকে প্ৰমূখ্য কৰি ভাৰতীয় বেদ-বেদাঙ্গৰ দাৰ্শনিক দৃষ্টিভঙ্গীৰ সমুজ্বলবোৰ।

গীতাৰ উত্তম বাণী হৈছে নিজ নিজ ধৰ্ম অনুসৰণ কৰা। সেইদৰে উপনিষদৰ আধ্যাত্মিক শিখৰতো একে কৰ্ম কৰাৰ আদৰ্শই ধ্বনিত হৈছে। দাৰ্শনিক ভিত্তি অনুযায়ী কৰ্মৰ পৰা কোনো ফল আশা নকৰি ত্যাগ আৰু বৈৰাগ্য ধৰ্মেৰে নিৰাসক্তভাৱে মানুহে কেৱল নিজ কৰ্তব্য সম্পাদন কৰা উচিত। মানুহজন যদি গৃহকৰ্ত্তা তেনেহ'লে গৃহকৰ্ত্তা হিচাবে কৰ্তব্য কৰা উচিত। জীৱসমূহৰ যি যি অৱস্থা সেই অৱস্থাৰ স'তে খাপ খুৱাই কৰ্মবোৰ অনাসক্তভাৱে কাম কৰি যাব লাগে। যদি প্ৰত্যেকজন মানুহে নিজৰ অৱস্থা অনুসাৰে নিজ নিজ কৰ্তব্য কৰে, তেনেহ'লে সুখ আৰু সমৃদ্ধিময় জীৱন আৰু সমাজ গঢ়াৰ ক্ষেত্ৰত তাতকৈ আৰু ডাঙৰ কাম একো হ'ব নোৱাৰে। জীৱনৰ সকলো অৱস্থাতে এটা কিন্তু সকলোৱে দৃষ্টিৱদ্ধ হ'ব লাগিব, সেয়া হ'ল সহৃদয় ধৰ্ম চিৰশাশ্বত প্ৰেমধৰ্ম, য'ত আমাৰ প্ৰতিটো দিন প্ৰেমেৰেই আৰম্ভ, প্ৰেমেৰেই পৰিপূৰ্ণ আৰু প্ৰেমেৰেই সমাপ্ত হোৱা উচিত। বিভিন্ন কৰ্মৰ মাজেৰে মানৱীয় ঐক্য-সংহতিৰ ভাৱ উন্নীত হ'ব লাগে। তৈত্তিৰীয় উপনিষদতো জীৱন কল্যাণকৰ আৰু সুখদায়ক হোৱাৰ ক্ষেত্ৰত পাৰত্ৰিক শ্ৰেয়ঃ লাভ কৰিবলৈ সত্য আৰু ধৰ্ম দুয়োটা মহৎ গুণ কৰ্ষণৰ কথা উল্লেখ আছে। ধন-সম্পদ বঢ়োৱাৰ ওপৰতে ব্যক্তিৰ সুখ-সমৃদ্ধি নিৰ্ভৰ নকৰে। অৱশ্যে বৈচিত্ৰতাৰ মাজত এনে কিছুমান শৰীৰধাৰী মানুহ কাম কৰাৰ বাহিৰে উপায় নাই। কেৱল ব্যক্তিকেন্দ্ৰিক কামতেই সম্পূৰ্ণ খাই নপৰি নিৰাসক্ত ভাৱেহে কৰ্মত প্ৰবৃত্ত হোৱা উচিত। ঈশোপনিষদত ভোগৰ বিধান এনেদৰে আছে— "তেন ত্যকেত্তন ভুঞ্জীথা মা গৃধ কস্যচিদ্ধনম"— অৰ্থাৎ ভোগ কৰা, কিন্তু সাৱধান, ত্যাগ কৰিহে ভোগ কৰা। এনেদৰে মানুহে কাম কৰিও নিৰাসক্ত আৰু ত্যাগৰ ভাৱত থাকি জীৱনৰ প্ৰকৃত সত্য উদ্‌ঘাটন কৰিব পাৰে। থাকিও সংযতভাৱে ভোগ কৰা আৰু সংবিভাজনৰ দ্বাৰা সমৃদ্ধিৰ সদ্‌গতি ঘটোৱাহে প্ৰকৃত ত্যাগ আৰু বশুিদ্ধ ধৰ্ম। স্বধৰ্ম (যাৰ যি অৱস্থা ব্যৱস্থা) যে শ্ৰেষ্ঠ ধৰ্ম, ইয়াৰ ব্যতিৰেকে পৰধৰ্ম গ্ৰহণেৰে যে ধৰ্মৰ মহত্ব আৰু পৱিত্ৰতা বিনষ্ট হয় সেই বিষয়ে গীতাত আছে "পৰধৰ্মে নোৱাৰে নেওচি যাৰ ফলপ্ৰসু স্বধৰ্ম শ্ৰেষ্ঠতা। হ'ব পাৰে কেতিয়াবা সধৰ্ম বিধান কিছু ত্ৰুটিপূৰ্ণ। বৰং বহুত ভাল স্বধৰ্ম পালন কৰি মৰণ-বৰণ। পৰধৰ্ম গ্ৰহণেৰে বাচিবৰ চেষ্টা সি যে অত্যন্ত ভীষণ।

ভাৰতীয় আদৰ্শমতে ত্যাগৰ মাজতে আছে ভোগৰ পৰম তৃপ্তি। মানুহে কেতিয়াবা এনে ন্যায়-নৈতিকতা তথা আধ্যাত্মিকতাৰ চূড়াৰ পৰা বিচ্যুত হৈ ষড় ৰিপুৰ অত্যাচাৰত সহজে বিপথগামী হয়। বাসনাৰ দৌৰত অকৰ্ম কৰি মানুহ হৈ পৰে অমানুহ। কিন্তু মানুহে এনে স্বধৰ্মৰ আত্মজ্ঞান প্ৰদীপেৰে এনে অধৰ্ম দমন কৰি অতি প্ৰযত্নে মানৱীয় চেতনাৰে নিজকে এজন সাৰ্থক মানৱ ৰূপত প্ৰতিষ্ঠা কৰিব পাৰে। ইয়াকে কৰিবলৈ যাওঁতে সুস্থ ইন্দ্ৰিয় চেতনা, সুস্থ মন আৰু সুস্থ জ্ঞান-বুদ্ধিৰে পৰিচালিত হৈ দেহাত্ম বিবেকেৰে সত্য সাধনাত প্ৰবৃত্ত হোৱাজনেহে সাৰ্থক ৰূপ লাভ কৰে। গীতাত ভগৱান শ্ৰীকৃষ্ণই কৈছে— "হেৰা ধনঞ্জয় নিদিবা প্ৰশ্ৰয়, একো কামনাৰ উলাহত। জন্ম লোৱা ইন্দ্ৰিয় বিবুধিক কৰিবা নিৰ্মূল তাক। মূৰ্ত্তিমান পাপ সিয়ে জ্ঞান আৰু বিজ্ঞানৰ পৰম বৈৰী। অৰ্জুনক উপদেশ প্ৰসঙ্গত কৈছে সে ক্ষত্ৰিয়সকলৰ লেখীয়াকৈ আন আন সকলেও নিজ নিজ ধৰ্ম অনুযায়ী কৰ্তব্য সম্পাদন কৰা উচিত আৰু ধৰ্ম স্থাপনাৰ্থে দুৰাত্মা-দুষ্পৃত্তিৰ প্ৰতীক দুৰ্যোধন দুঃশাসন নিধন হোৱা উচিত। সেয়ে অধৰ্ম বিনাশ কৰি জগতত শান্তি স্থাপন কৰা প্ৰতিজন মানৱৰে এক নৈতিক দায়িত্ব।

মানুহৰ প্ৰতিটো সৎকৰ্ম— সৎ চিন্তাত এটা দিব্যত্ব গুণ প্ৰযুক্ত হৈ থাকে। দানৱীয় বদ্‌গুণ আঁতৰ কৰিবৰ কাৰণে একতা, পৱিত্ৰতা আৰু দিব্যত্ব এই তিনিটা মানৱীয় গুণৰ প্ৰয়োজন। একতা য'ত থাকে তাতে পৱিত্ৰ থাকিবই পৱিত্ৰতা য'ত থাকে তাত দিব্যত্ব থাকিবই। মানুহে যি কামকে নকৰক আত্মাতত্ত্বক বিশ্বাস ৰাখিহে কৰা উচিত। গতিকে নাম আৰু ৰূপৰ ভিত্তিত আমি পাৰ্থক্য ৰখা উচিত নহয়। আত্মা এক আৰু ই অবিভাজ্য। গতিকে এনে আত্মিক কৰ্মবোৰ প্ৰকাৰন্তৰে ভগৱৎ সেৱাৰে আন এক নিদৰ্শন। যিজনে 'সৰ্ব কৰ্ম ভগৱৎ প্ৰীত্যৰ্থম'— অৰ্থাৎ যিয়ে ভগৱৎ চিন্তাৰে মোহান্ধ পৃথিৱীখনৰ পৰা নিজকে আঁতৰত ৰাখিছে তেৱেঁইহে মোক্ষ লাভ কৰিব পাৰে। অহঙ্কাৰ আৰু মোহ হৈছে কৰ্ম-বন্ধনৰ কাৰণ। যিদৰে লঘু বোজাই মানুহৰ শাৰীৰিক কষ্ট লাঘৱ কৰে। সেইদৰে অহঙ্কাৰ মোহ আৰু আকাঙ্খাৰ আধিক্যই কৰ্মৰ দিব্যত্ব শক্তিক নাশ কৰে। সেয়েহে মানুহে আকাঙ্খাৰ বোজা হ্ৰাস কৰা উচিত। আকাঙ্খা বাঢ়িলে মানৱীয়তা কমে আৰু দিব্যত্ব হেৰুৱায়। গীতাত শ্ৰীকৃষ্ণই ইন্দ্ৰিয়াসক্ত কৰ্মৰাজিক 'দস্যু'ৰ লগত তুলনা কৰিছে। দস্যু বৃত্তিৰ ৰিপুৰাজৰ এনে যন্ত্ৰণাৰ জুইবোৰে মানুহৰ মহৎ সপোনবোৰ পুৰি ছাই কৰে— "সকলো আসক্তি আৰু সকলো বিৰক্তি ইন্দ্ৰিয়ৰাজিৰ। যথাযথ বিষয়ত থাকে জানা সীমাৱদ্ধ হৈ। হ'ব লাগে সাৱধান সকলো মানুহ নেলাগে পৰিব যেন। এই দস্যুৰ হাতত ভুলতো কেনেবাকৈ।"

অৰ্জুনে এদিন কেশৱক সুধিছিল যে মানুহ জ্ঞান-

বিৱেকৰ অধিকাৰী হোৱা স্বত্বেও কিহৰ প্ৰেৰণাত আৰু উন্মাদনাত পাপৰ পংকলি নিযুক্ত হয়? উত্তৰত শ্ৰীকৃষ্ণই কৈছিল— "নহয় একোকে আন কাম আৰু ক্ৰোধতাৰ একান্ত কাৰণ. এই দুই সৰ্বগ্ৰাসী ৰিপুৰ জ্বালাই মাথোন চালনা কৰে। মানুহক সেই পাপৰ পংকিল পথে শেষ যাৰ পৰম দুখত।" অৰ্জুনে পুনৰ সুধিছিল শ্ৰীকৃষ্ণক যে প্ৰকৃততে কোন বাটেৰে অগ্ৰসৰ হ'লে জীৱনৰ সঠিক পূৰ্ণতা লাভ কৰিব পৰা যায়? শ্ৰীকৃষ্ণই কৈছিল— "উদঙালো মানুহৰ বাবে দুটা বাট সৃজনৰ প্ৰথম পুৱাতে। এটা বাট তত্বান্বেষী সাধকৰ লাগে য'ত জ্ঞানৰ পোহৰ। আনটো বাটত লাগে কৰ্মৰ সাধনা মোহমুক্ত যোগী পুৰুষৰ।" জ্ঞান আৰু কৰ্মৰ সমাহাৰত মানুহে সমুজ্জ্বল লাভ কৰে। এনে যোগ সাধনাত তিনিটা শক্তিক গুৰুত্ব দিয়া উচিত সেইয়া হ'ল 'দৈৱপ্ৰীতি'— অৰ্থাৎ ঈশ্বৰৰ হকে প্ৰেমমূলক শ্ৰদ্ধা, 'পাপভীতি'— অৰ্থাৎ অন্যায় বা পাপ কাম কৰিবলৈ সহজাত ভয় আৰু 'সংঘনীতি'— অৰ্থাৎ সমাজৰ নৈতিকতাৰ পালন। যিসকলে এনে দিব্যত্বযুক্ত 'ত্ৰিতত্ব' কৰ্মময় জীৱনত মানি চলে তেওঁলৈহে প্ৰকৃত আত্মানন্দৰ অধিকাৰী হৈ পৰম ব্ৰহ্মানন্দৰ প্ৰচ্ছন্ন কণিকা লাভ কৰে আৰু সিদ্ধ কৰ্মযোগী ৰূপে আখ্যায়িত হৈ মোক্ষলাভৰ পথত উপৱিষ্ট হয়।

কৰ্মই মানুহৰ সাৰ্থক অলংকাৰ। জীৱধাৰী মানুহৰ বাবে কৰ্ম সাধন কৰাটোৱেই অন্যতম ধৰ্ম। বিনাশশীল মানুহে বুজা উচিত যে অনবৰতে চুই থকা বা দেখি থকা পাৰ্থিৱ ধন-সম্পদবোৰ কোনো কাৰণতেই নিজৰ হ'ব নোৱাৰে। সেয়েহে নৰতনু ধন্য আৰু সাৰ্থক কৰাৰ ক্ষেত্ৰত প্ৰতিটো কৰ্মই নিৰ্মোহ আৰু কোনো ফল বাঞ্ছা নকৰা আসক্তিহীন কৰ্মহে একমাত্ৰ শ্ৰেয়ঃপ্ৰাপ্তিৰ পথ বা আদৰ্শ বুলি মানি নিয়মিতভাৱে কাম কৰি যোৱাৰ ইংগিত আছে। কামনাসিক্ত কৰ্মই মানুহৰ পৰস্পৰ বিচ্ছিন্ন কৰি প্ৰেমহীন আৰু যন্ত্ৰৱৎ কৰি তোলে। হে প্ৰেমসিন্ধু সফল! আমি সকলোৱে মনত ৰখা ভাল যে ঐক্যৰ মাজত বৈচিত্ৰ দেখা অতি সহজ; কিন্তু বৈচিত্ৰ্যৰ মাজত ঐক্য দেখাটো অতি দুৰূহ আৰু দৰুৰ্গম কথা। আহক, তেনেহ'লে সেই দুৰ্গম পথ সুগম কৰিবলৈ চিৰশাশ্বত পৰমানন্দৰ অদ্বৈত সাধনাৰে মিলিত হওঁ চিৰ জাগ্ৰত ব্ৰহ্মকুণ্ডৰ পাৰত— য'ত বিকশিত হ'ব এদিন আমাৰেই মাজত সত্যম্ শিৱম্ সুন্দৰেৰে ভৰা সুমধুৰ সেই বচনশাৰী—"দৈবং মনুষ্য ৰূপেন"— অৰ্থাৎ ভগৱান মানুহ ৰূপত।


□□□





# महाकवि-कालिदासस्य काव्यप्रतिभा

**दीपा भट्टाचार्य**
सहयोगी - अध्यापिका




भारतवर्षसु कालिदास : कविशिरोमणि इति उच्यते। आंगलसाहित्ये सेक्स्पीयरस्य यत् स्थानं तदेव स्थानं कालिदासेन अधिक्रियते। स: राज्ञ: विक्रमादित्यस्य राजसभायां नवरत्नेषु श्रेष्ठ: आसीत्। परन्तु एतन्महाकवे: जन्मस्थानं कालं वा न किञ्चिदपि वयं जानीमहे। भूयांस एव विद्वांस: इषवीयं प्रथमशतकमेव कालिदासस्य समयं मन्यन्ते। तस्य जन्मस्थान विषये यद्यपि मतभेदा: सन्ति, तथापि कवे: उज्जयिनीप्रीतिं विशेषां, परिलक्ष्य पण्डिता: प्रायेण तामेव तस्य जन्मस्थानं इति मन्यन्ते। यद्वा तद्वा भवन्तु, महाकवे: कालिदासस्य कृतयस्तु निम्नोकता :-

(१) महाकाव्ये : रघुवंशम् कुमारसम्भवञ्च।

(२) नाटकानि : अभिज्ञानशकुन्तलम्, विक्रमोर्वशीयम् मालविकाग्निमित्रञ्च।

(३) खण्डकाव्ये: ऋतुसंहारम् मेघदूतञ्च।

महाकविकालिदासविरचितेषु ग्रन्थेषु

अभिज्ञान-शकुन्तलम् इति नाटकमेव सतोकृष्टं तत् संशयलेशो नास्ति। एतत् नाटकं विरचित्य असौ यथा भारतवर्षे तथा आन्तराष्ट्रीय-क्षेत्रेऽपि महत् यशो लेभे। अतएव कश्यचित् अज्ञातनामधेयेन कविना एतन्रूपेण प्रशंस्यते -

काव्येषु नाटकं रम्यं तत्र रम्मा शकुन्तला
तत्रापि च चतुर्थोऽङ्को यत्र याति शकुन्तला।।

आसुकविना विरचितस्य रघुवंशे महाकाव्ये रघुकुलोभवानां नृपाणां वर्णनं सारगर्भ: विषय:। अस्मिन् काव्ये २१ सर्ग: सन्ति। महामहिम्न: दिलीपात्मजस्य रघोनाम्रा एव इक्षाकुवंशो रघुवंश इति ख्यातिं गत:। अस्मिन् महाकाव्ये सर्वैरेव महाकाव्यलक्षणं उपलभ्यते।

तत्र वीररसोऽङ्गीरसरूपेण प्रतिभाति स्म। करूणशान्तादयश्चाङ्गानि। प्रारम्भे 'वागर्थाविवसम्पृक्त्या' इत्यनेन पदयेन पार्वतीपरमैश्वरयो - नमस्कारलक्षणं मङ्गलसूचकम् । अस्मिन् काव्ये सर्वेऽपि उत्कृष्टा: गुणा एकन्न संकलनं क्रियते कविना। महाकाव्यस्य भाषा, प्रसादगुणगुम्फिता, लालित्यसंवलिता, मधुरा, सालंकारा, सर्वाङ्गपूर्णा च वरीवर्न्ति. अलंकाराणां प्रयोगे तस्य आसीत् महता पाटवम्। उपमा तस्य निसर्ग सिद्धा प्रेयसीव प्रतीयते। अतएव साधुश्छ उच्यते - 'उपमा कालिदासस्य' इति।

कुमारसंभवं कालिदासस्य सप्तदशसर्गोर्पानबद्धम् आदिकाव्यम् । यत्र शितपार्वत्यो: विवाहेन तारकासुरनिधन रूपं फलं प्राप्तुम् कार्त्तिकस्य जन्मपर्यन्तम् कलान्मकं वर्णनं विहितम्। मानवजीवनस्य प्रेम्ना: परं प्रकर्ष प्रकाशयितुं कुमारसम्भवम् निर्समे। संस्कृतसाहित्यमहार्णवे वाग्देवताविलास: कालिदास एक सर्वोत्कृष्ट: कलाकार: इति सर्वैरेव सवीक्रीयते।

महाभारतीयकथामाश्रित्य कविना अभिज्ञान-शकुन्तलम् विरच्यते। अस्मिन् नाटके महाराजदुष्यन्तः तपोवनवासिन्यायाः कन्यायाः शकुन्तलायाः रूपेण मुग्धोऽभवत्। तत्पश्चात् च सः शकुन्तलां गान्धर्वप्रथया परिणीतवान्। कार्यानुरोधात् सः राजधानीं प्रति परावर्त्तते। राजपरिणीता शकुन्तला दुष्यन्तं चिन्तयित्वा तद्वियोगजनितदुःखेन आकुला आसीत्। तदानीम् समये आश्रमागतस्य दुर्वाससः समुचितमातिथ्यम् अविधाय शापभाक् भवति। कण्वमुनिः (पालितपितृ) आश्रममागत्य दैववलात् शकुन्तलायाः विवाहं ज्ञात्वा पत्युः समीपे प्रेषिता। परन्तु अभिशापबलात् राज्ञा शकुन्तलां स्मर्तुं न शक्यते। अतएव पत्या अपरिगृहीत शकुन्तला मरीचेराश्रमे सुतं असूत तत्रैव च अतिष्ठत्। धीवरात् प्राप्ता अङ्गलड़ेयकदर्शनेन तस्य स्मरणं भवेत्। ततः मरीचाश्रमे शकुन्तलांपुत्रञ्च दृष्टवा अविराम-मानन्दमाससाद।

प्रसिद्धजार्मान् -कविना ग्येटेमहाभागेन शकुन्तला सम्बन्धे मनोरमं तुलना प्रदीयते-

''वासन्तं कुसुमं फलञ्च युगपद्रीष्मस्य सर्वं च यत्
यच्चान्यन्मनसो रसायनमतः सन्तर्पणं मोहनम्।
एकीभूतमभूतपूर्वमथवा स्वर्लोकभूलोकयो-
ऐश्वर्यं यदि वाञ्चसि प्रियसखे शाकुन्तलं सेव्यताम्।।''

विक्रमोर्वशीये नाटके कुबेरमाराध्य प्रतिनिवृतोर्वशी मध्यभागे केशिनाम्ना राक्षसेन बलादाह्यियमाणा

श्रुतरमणीरूदितो पस्थितेन राज्ञा पुरुरवसा राक्षसब्रसात् मोचयित्वा स्वर अस्वस्था अप्सरोनिकेतं नीयमाना जात प्रबोधमात्रैक तस्मिन् आसक्तिं अभजत इति था बीजभ् ।

नाटके अत्र प्रायशो दिव्यानि पात्राणि, उर्वशी स्वर्वेश्या तत् सहचर्योप्सरसः पुरूरवा अपि दिव्यादिव्य इति भूयसा दिव्यपात्राणि अवतारितानि।

मालविकाग्निमित्रे नाटके मालविका नायिका अग्निमित्रः च नायक । विदर्भराजदुहितायाः मालविकायाः रुपलावण्येन अग्निमित्रः मुग्धोऽभवत् । अत्र कालिदासः मालविकां त्रिभङ्गीषु प्रदर्श्य राजानं सन्तोयमास।

तदेवं त्रिषु रुपकेषु कालिदासेन स्यीय पाण्डित्यप्रकर्षो दर्शितः।

ऋतुसंहारे खण्डकाव्ये तरुणः कविः प्रकृतिनटीं न तथोपलालयमास यथा कामिनीजनं कामिनीनामे सौन्दर्यवर्णनं, तासां हाव-भाव-विभ्रम-विलासादिचित्रणम् अस्मै प्राधान्येन रोचते।

मेघदूते पुनः प्रकृतिमानवयोस्तादात्मयसम्बन्धं महता नौपुण्येन निबध्नाति।

वस्तुतस्तु कालिदासीयकाव्यकलापाः निरतिशयलोकप्रियत्वं सर्वश्रेष्ठत्वं प्रति श्रृङ्गार - उपमेयोरदभुतः परिपोष एक हेतुतां सञ्जुषते। तत्र च वर्णविन्यासमाधुरी, भाषायाः प्राञ्जलता, प्रसादगुम्फनम् च रसादि गुणोत्कर्षाः स्वर्णसुरभिमादथाना इवालभ्यन्ते।

❑❑❑






# কোভিড-১৯— ইয়াৰ ভয়াবহতা, শৈক্ষিক, অৰ্থনৈতিক, সামাজিক জনজীৱনত ইয়াৰ প্ৰভাৱ

ৰাজীৱ দেৱান
সহকাৰী গ্ৰন্থগাৰিক

**আৰম্ভণি ঃ** কোভিড-১৯ বা কৰ'ণা ভাইৰাছ যাৰ নাম শুনিলেই পেটতে হাত-ভৰি লুকায়। ভাবিলেই গাৰ নোম শিয়ঁৰি উঠা এই মহামাৰীৰ উৎপত্তিস্থল ভাৰতবৰ্ষৰ দাঁতিকাষৰীয়া চীনদেশৰ য়ুহান চহৰ। এই মহামাৰীয়ে গোটেই বিশ্বকে ত্ৰস্তমান আৰু স্তব্ধ কৰি পেলালে। মানুহে মানুহৰ পৰা দূৰত থাকিবলগীয়া হোৱা সম্ভৱত বিশ্বত এয়াই প্ৰথম। এই মহামাৰীৰ বাবে বিশ্বৰ স্বাস্থ্যখণ্ডত উন্নত বুলি দাবী কৰা ধনী দেশবোৰেও হাত দাঙি দিবলৈ বাধ্য হ'ল। প্ৰতিষেধক তথা ছিটা আৱিষ্কাৰ কৰিবলৈও কেবামাহো সময় লাগে। জীৱশ্ৰেষ্ঠই প্ৰথমবাৰৰ বাবে দিক্-বিদিক হেৰুৱাই পেলালে। এফালে কোনোধৰণৰ চিকিৎসা নাই, আনফালে আপোনজনক হেৰুৱাৰ যি বেদনা, তাক ভাষাৰে বুজাব নোৱাৰি। বিশ্ব স্বাস্থ্য সংস্থাই মহামাৰী বুলি ঘোষণা কৰাৰ পিছত মানৱ সমাজ আৰু বেছি শংকিত হ'ল।

ভাৰত চৰকাৰৰ নিৰ্দেশত অসম চৰকাৰেও তলাবন্ধ (লকডাউন) ঘোষণা কৰিলে। চৰকাৰৰ উপায় নাই। দেশৰ ১৩০ কোটি জনসাধাৰণক আসন্ন মৃত্যুৰ পৰা বচোৱাৰ ই যেন অন্তিম প্ৰয়াস। তলাবন্ধ আৰম্ভ হোৱাৰ লগে লগে সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ মাজত পাহৰিব নোৱাৰাকৈ প্ৰভাৱ বিস্তাৰ কৰে। এই মহামাৰী পৃথিৱীব্যাপি সোঁচৰি পৰাত অৰ্থনৈতিক, সামাজিক, শৈক্ষিক আদি সকলো দিশতে অপূৰণীয় ক্ষতি হ'ল। তলত বিস্তাৰিত ৰূপত বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ল—

**শিক্ষা ক্ষেত্ৰত ঃ** শিক্ষা ক্ষেত্ৰত কোভিদ-১৯য়ে



বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰে। তলাবন্ধৰ প্ৰথম সময়ছোৱাত ছাত্ৰ-ছাত্ৰীবোৰে ইয়াক উপভোগ কৰিলে যদিও লাহে লাহে ই বিৰক্তিদায়ক হৈ উঠিল। স্কুল-কলেজ সম্পূৰ্ণ বন্ধ হৈ পৰাত ছাত্ৰ-ছাত্ৰীবোৰৰ সময় নাযায়, নুপুৱায় এনে হৈ পৰিল। টেলিভিছন, মোবাইল ফোন আদি তেওঁলোকৰ জীৱনৰ অবিচ্ছেদ্য অঙ্গ হৈ পৰিল। টিভি চেনেলবোৰে মানুহে পাহৰি যোৱা বিভিন্ন ধৰণৰ ধাৰাবাহিকসমূহ পুনৰ সম্প্ৰচাৰৰ বাবে উছি পৰি লাগিল। আঙুলি মূৰত গণিব পৰা কেইখনমান বিদ্যালয়, মহাবিদ্যালয়ে (বিশেষকৈ ব্যক্তিগত খণ্ডৰ) অনলাইন পাঠদানৰ নামত ভেঁকো-ভাওঁনা আৰম্ভ কৰিলে। স্কুল-কলেজবোৰত পূৰ্বেতে বাধা আৰোপ কৰা মোবাইল ফোনবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ এৰিব নোৱাৰা অঙ্গ হৈ পৰিল। দুই-এঠাইত দৰিদ্ৰতাই কোঙা কৰা ঘৰৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত অনলাইন ক্লাছ ভূতৰ ওপৰত দানহ পৰা দি পৰিল। চৰম হতাশাত দুই-এজন আত্মঘাতী হোৱাও পৰিলক্ষিত হয়। এনে পৰিয়ালৰ লোকে অভিশপ্ত দৰিদ্ৰতাক পাৰে মানে অভিসাপ দি নিজৰ উত্তৰাধিকাৰীক অন্তিম সৎকাৰ কৰিলে। দুই-এজনী গাভৰুৱে মোবাইলৰ নেটওৱৰ্ক বিচাৰি ধৰ্ষিতা হ'বলগীয়া হ'ল। বিদ্যালয়বোৰৰ ল'ৰা-ছোৱালীবোৰক নাম মাত্ৰ পৰীক্ষা লৈ উত্তীৰ্ণ কৰাই দিয়া হ'ল। আনকি কেবালানি আলোচনাৰ পিছত মেট্ৰিক, হায়াৰ চেকেণ্ডাৰী আদি পৰীক্ষা নোলোৱাকৈ উত্তীৰ্ণ কৰাই দিয়া হ'ল। আগৰ বছৰবোৰৰ দৰে ছাত্ৰ-ছাত্ৰীৰ উৎসাহ-আনন্দ নাই। অভিভাৱকবোৰৰ কোনোধৰণৰ অভিযোগো নাই। কাৰণ আমি সকলোৱে জানো। এই ছাত্ৰ-ছাত্ৰীবোৰক উত্তীৰ্ণ কৰাই দিয়া হ'ল ঠিকেই কিন্তু এইসকলে ভৱিষ্যতে নিজৰ নিজৰ ক্ষেত্ৰত নিজৰ দায়িত্ব সুকলমে পালন কৰিব পাৰিবনে? আজিৰ তাৰিখত এইটো এটা লাখটকীয়া প্ৰশ্ন?

**অৰ্থনৈতিক ক্ষেত্ৰ ঃ** অৰ্থনৈতিক ক্ষেত্ৰত কোভিড-১৯য়ে বৰ বেয়াকৈ প্ৰভাৱ বিস্তাৰে কৰিলে। চৰকাৰী চাকৰিয়ালবোৰৰ বাহিৰে বাকীবোৰৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। কেইবিধমান ব্যৱসায়ৰ বাহিৰে বাকীবোৰ কাম নোহোৱা ব্যৱসায় হৈ পৰিল। কিচুমানে ৰগৰ কৰি ক'বলৈ ধৰিলে—

কৰ'ণাই আমাক শিকালে—
চাকৰি কৰিবা চৰকাৰী,
ব্যৱসায় কৰিবা তৰকাৰীৰ
দোকান দিবা ফাৰ্মাচীৰ
বিয়া পাতিবা ওচৰ-চুবুৰীৰ।

এইকেইটা ব্যৱসায়ৰ বাহিৰে বাকীবোৰ ব্যৱসায়ী যেন কাৰোবাৰ অভিশাপত অভিশপ্ত হৈ পৰিল। বিকল্প কামৰ যোগাৰ কৰিব নোৱাৰা বহুজনে আত্মঘাতী হ'ল। কিছুমানে পগলা সদৃশ হৈ পৰিল। লোন লৈ ব্যৱসায় কৰি সংসাৰ চলোৱা সকল মহাবিপদত পৰিল। ব্যক্তিগত ফাৰ্ম বা কোম্পানীত চাকৰি কৰা সকলে চাকৰি হেৰুৱাই দিক্-বিদিক্ হেৰুৱাই পেলালে। অসমৰ বাহিৰৰ কোম্পানীবোৰত কৰ্মৰত যুৱক-যুৱতীসকল ঘৰলৈ পুনৰ নিবনুৱা হিচাবে ঘূৰি আহি মাক-দেউতাকৰ মূৰৰ কামোৰণি হ'ল। নতুনকৈ বিয়া হৈ অহা বোৱাৰীজনীৰ কথা এবাৰ ভাৱকচোন? তাইৰ সপোনবোৰ কেনেকৈনো থানবান হ'ল। সেইকাৰণে হয়তো অসমীয়া সমাজৰ ছোৱালীৰ মাক-দেউতাকে (বেছিভাগেই) কয়— "আমাৰ ছোৱালীৰ বাবে ল'ৰা চৰকাৰী চাকৰিয়াল হ'ব লাগিব, লাগিলে তেওঁ চকীদাৰেই হওঁক বা পিয়নেই হওঁক। এই ধাৰণাটো পৰিৱৰ্তন হ'বলৈ ধৰিছিলহে মাত্ৰ, কৰ'ণাই পুনৰ অসমীয়া সমাজৰ পুৰণি ধাৰণাটোকে সঁচা বুলি প্ৰমাণ কৰিলে। অসমৰ আকাশে-বতাহে ৰজন-জনাই থকা ভ্ৰাম্যমান থিয়েটাৰবোৰৰ কলা-কুশলীবোৰো নিবনুৱা সদৃশ হৈ পৰিল। আমাৰ প্ৰাণত আনন্দ দিয়া কলা-কুশলীবোৰৰ জীৱন হৈ পৰিল দুৰূহ। সিহঁতে জীয়াই থাকিবলৈ কৰিবই বা কি? বহুজনে পদপথত শাক-পাচলিৰ দোকান দিয়া পৰিলক্ষিত হ'ল। কোনোবাই আকৌ ব্ৰয়লাৰ মাংসৰ দোকান দি জীৱনটো অন্য ৰূপত প্ৰক্ষেপ কৰিছে। এয়া যেন বাস্তৱধৰ্মী সামাজিক নাটৰ গুৰুত্বপূৰ্ণ অংশ। ৰঙালী বিহুৰ সময়ত অসমৰ সকলো স্তৰৰ লোককে প্ৰাণৱন্ত কৰি তোলা গায়ক-গায়িকাসকল আজি এক নতুন নিবনুৱা সদৃশ হৈ পৰিছে। লগতে তেওঁলোকৰ সৈতে বাদ্য-সঙ্গত কৰা কলা-কুশলীসকল আজি হৈ পৰিছে পথৰ ভিক্ষাৰী। ঠিক তেনেদৰে কেবাশ ওলা-ওবেৰৰ কৰ্মচাৰী, হোটেলৰ কৰ্মচাৰী, পেণ্ডেলৰ কৰ্মচাৰী, চিনেমাৰ কলা-কুশলী, চিনেমা হলৰ কৰ্মচাৰী, চিনেমাৰ কলা-কুশলী, চিনেমা হলৰ কৰ্মচাৰী ইত্যাদিসকল হৈ পৰিছে নতুন নিবনুৱা। মুঠতে কৰ'ণাই অৰ্থনৈতিক ক্ষেত্ৰখন আটাইতকৈ বেছি প্ৰভাৱিত কৰিছে।

**বিবাহ-সবাহ, উৎসৱ-পাৰ্বন, অন্ত্যেষ্টিক্ৰিয়া আদি ঃ** মহামাৰী কৰ'ণাই বিবাহ-সবাহ, উৎসৱ-পাৰ্বন অন্ত্যেষ্টিক্ৰিয়া আদিত পাহৰিব নোৱাৰাকৈ প্ৰভাৱ বিস্তাৰ কৰিছে। যি বিয়া জীৱনত এবাৰহে আহে, তাকো চল্লিশ-পঞ্চাশজন মুষ্টিমেয় ব্যক্তিৰ দ্বাৰা পৰিচালিত কৰিবলগা হ'ল। দুই-এজন কৃপণ মানুহৰ বাহিৰে বাকীবোৰে এই দুখ কেতিয়াও পাহৰিব নোৱাৰিব। আমাৰ বাপতি সাহোন ৰঙালী বিহু কেনেকৈনো পাৰ হৈ গ'ল ভাবিলে কিবা বেয়া সপোন দেখা যেন লাগে। ঠিক তেনেদৰেই দুৰ্গাপূজা, ঈদ, সৰস্বতী পূজা, অম্বুবাচী মেলা পাৰ হৈ গ'ল। আনহাতে অন্ত্যেষ্টিক্ৰিয়াও একেবাৰে কম সংখ্যক মানুহৰ উপস্থিতিৰে কৰিবলগা হ'ল। নিজৰ আত্মীয় বা প্ৰিয়জনক শেষবাৰৰ বাবেও এবাৰ নোচোৱাকৈ চিৰবিদায় দিবলগা দৃশ্যটো কিমান মৰ্মান্তিক ভুক্তভোগীজনেহে বুজিব পাৰে।

**কৰ'ণাৰ সু-প্ৰভাৱ ঃ** সকলো বস্তুৰে ভাল-বেয়া দুয়োটা দিশ থকাৰ দৰে কৰ'ণাই আমাৰ জীৱনত সু-প্ৰভাৱো (সামান্য পৰিমাণৰ) পেলোৱা পৰিলক্ষিত হয়। মাহৰ পিছত মাহ ধৰি ঘৰতে থাকিবলগীয়া হোৱা বাবে অকৰ্মন্য লোকসকলকো কিবা এটা কৰিবলৈ বাধ্য কৰালে। যিকোনো সময়ত কিবা এটা লাগিলেই বজাৰলৈ দৌৰ দিয়া এলেহুৱা অসমীয়াবোৰে ঘৰৰ কাষতেই যে খেতি মাটি পৰি আছে আৰু নিজেই তাতে খেতি-বাতি কৰিব পাৰে, কৰ'ণাৰ কৃপাতেই প্ৰত্যক্ষ কৰিলে। সমাজত বহুতো নতুন কৃষকৰ জকন্ম হ'ল। অনবৰতে বৰপেটা, খাৰুপেটীয়াৰ পৰা অহা সাৰ দিয়া শাক-পাচলিৰ পৰিৱৰ্তে নিজে কষ্ট কৰি উপাৰ্জিত সতেজ শস্য খাব পৰা হ'ল। কৰ'ণা নিঃশেষ হ'লেও এই সু-অভ্যাস বহুতৰ বাবে ভৱিষ্যতলৈও ৰৈ যাব বুলি আশা কৰিব পাৰি। পুৰুষ প্ৰধান সমাজত পুৰুষবিলাকে (বেছিভাগেই) ভাবে যে মহিলাবিলাকে দিনৰ দিনটো টেলিভিছনৰ ধাৰাবাহিকবোৰ চোৱাত ব্যস্ত হৈ থাকে। দিনতনো কি কাম কৰে তাক চাবলৈ পুৰুষবিলাকৰ সময় ক'ত। কৰ'ণাৰ কৃপাত তেওঁলোকে মহিলাসকলৰ ব্যস্ততা প্ৰত্যক্ষ কৰিলে। কৰ'ণাৰ কৃপাত কৰ্মব্যস্ততাত থকা পুৰুষবোৰেও নিজৰ ল'ৰা-ছোৱালী, পত্নী তথা মাক-দেউতাকক কিছু পৰিমাণে হ'লেও সময় দিবলৈ সক্ষম হ'ল। কৰ'ণাই শিকালে আমাৰ সমাজৰ প্ৰতি থকা দায়িত্ববোধ। সীমিত উপাৰ্জন তথা সীমিত বয়-বস্তুৰেও যে সংসাৰ সুন্দৰভাৱে চলাব পাৰি, কৰ'ণাৰ প্ৰাদুৰ্ভাৱ নোহোৱা হ'লে হয়তো আমি কেতিয়াও বুজিব নোৱাৰিলোহেঁতেন। কৰ'ণাই ভাতৃত্ববোধ, সহনশীল আৰু দায়িত্ববোধ আদি গুণবোৰ প্ৰদান কৰিলে। কৰ'ণাৰ কৃপাতেই মানুহে ওচৰ-চুবুৰীয়াৰ প্ৰতি থকা দায়িত্ববোধ, জীৱকুলৰ প্ৰতি (কুকুৰ, বান্দৰ আদি) সহনশীলতাৰ পৰিচয় দি জীৱশ্ৰেষ্ঠ বুলি নিজৰ মান ৰক্ষা কৰিলে।

কিছু সংখ্যক লোকৰ জীৱনত কৰ'ণাই আশীৰ্বাদ হৈ অহা পৰিলক্ষিত হ'ল। এই সময়ছোৱাতো বহুতে চৰকাৰী সংস্থাপন লাভ কৰিবলৈ সক্ষম হয়। স্কুল-কলেজ, অফিচ আদিত এই সময়চোৱাত চাকৰি পোৱা সকলেও কৰ'ণাৰ কৃপাতে ঘৰতে বহি মোটা অংকৰ দৰমহা পাই আছে। ৰাজভঁৰাল প্ৰায় উদং হোৱা অৱস্থাৰ মাজতেই (কৰ'ণাৰ মাজতেই) কৰ্ম-সংস্থাপন পোৱা সকলে বাৰু ক'বনে কৰ'ণা তেওঁলোকৰ বাবে অভিশাপ স্বৰূপ? এয়া যেন দুৰ্ভাগ্যৰ মাজতে থকা তেওঁলোকৰ সৌভাগ্য। কৰ'ণাই আমাৰ সমাজত ধনাত্মক আৰু ঋণাত্মক দুয়োটা প্ৰভাৱেই পেলালে। আমি জীৱশ্ৰেষ্ঠ হিচাপে ধনাত্মক কথাখিনিয়েই গ্ৰহণ কৰা উচিত আৰু ই দি যোৱা আমাৰ দায়িত্ববোধ আৰু কৰ্তব্যক ভৱিষ্যতলৈও স্মৰণ কৰা উচিত।

**সামৰণি ঃ** অৱশেষত আশা কৰিছো কৰ'ণা নামৰ মহামাৰীটো আমাৰ সমাজৰ পৰা নিঃশেষ হওক, কিন্তু ই দি যোৱা অভিজ্ঞতাবোৰ চিৰস্থায়ী হওঁক।

❑❑❑

# Mahatma Gandhi's Philosophy of Sarvodaya and its Implications in the Society

**Subhasree Rajkhowa**
Assistant Professor,
Department of Philosophy,
Rangia College, Rangia



**Introduction :**

The Concept of Sarvodaya is one of the significant contributions of Mahatma Gandhi to the sphere of socio-political philosophy. Gandhi's vision of Sarvodaya is an all-comprehensive vision assuring the total good of every individual: religious, moral, social, political, and economic. Gandhi was very critical of capitalism, communism and industrial civilization of his time. His initial reactions against these ideals were expressed in his book 'Hindu Swaraj'. He was against capitalism which had given rise to colonialism resulting in poverty, exploitation, inequality etc. He criticized communism as it gave rise to violence, concentration of political power, lack of freedom, alienation etc. he was critical of industrial civilization world over for his idea was that it promoted exploitation, inequality, arms race, environmental pollution, ecological imbalance etc. He was also not in favour of modern technology as it gives rise to unemployment, pollution, exploitation etc. His dream was the uplift of all, the welfare of each and every human being, total liberation of all. Hence, he thought of an alternative form of social reconstruction which he named as Sarvodaya. Sarvodaya may be said to have its foundation in the ancient civilization of the world, because from the very beginning of the civilization, man has given prime importance to his well-being. The Rishis and Maharshis of the past preached the well being of all. They preached that if anybody wants to make himself happy, he should think about the happiness of others first.

**Meaning of Sarvodaya :**

The term 'Sarvodaya' is a Sanskrit word derived from two words viz, sarva and udaya. Sarva means 'all' which includes every kind of living being and udaya means rise, uplift, prosperity etc. So 'Sarvodaya' literally means 'the welfare of all' or 'the upliftment of all.' The ultimate objective of Sarvodaya is the total welfare of all. By 'welfare of all' Gandhi means the all round growth of the total individual and of every individual in the context of the overall development of society. By the concept Sarvodaya Gandhi really means universal uplift or the





welfare of all men and women and not just the welfare, or greatest happiness, of the greatest number. In the words of Gandhi, 'the welfare of all should be the aim of all human activities'. It is our highest and the Summum bonum. It is the welfare not only of men but also of animals and even of the natural world. In Sarvodaya society, there is so scope for exploitation, discrimination, inequality and violence.

**Development of Gandhian Concept of Sarvodaya :**

Gandhi was not the founder of the idea of Sarvodaya. He borrowed the idea as well as the term from Ruskin. Ruskin himself had borrowed it from the Bible. Gandhi was very much influenced by John Ruskin and his book 'Unto This Last'. He was very much inspired by the book and it transformed his whole life. From May to July 1908 Gandhi published a series of articles on the message of John Ruskin. He entitled his articles Sarvodaya. Gandhi called one of the chapters of his autobiography 'The Magic Spell of Book', where he describes the effects of Ruskin's 'Unto This Last'. The central teaching of Ruskin's book, as explained by Gandhi, is that in the ideal society, there is concern for all and this was the foundation for his Sarvodaya movement.

The aim of Sarvodaya is the greatest good of all beings with the all round development of all without any distinction of caste, creed, sex or religion. Gandhi wanted a transformation of society where everyone contributes for the peace and harmony of the world. He wanted to establish a welfare state in India, which he called Ram-Rajya. Here, it should be mentioned that Gandhi was not the supporter of utilitarianism which aims at the greatest happiness to the greatest number. The goal of Sarvodaya is the integral liberation of every individual. It also stands for the well-being of the whole individual, body and soul. For Gandhi, Sarvodaya as a broader concept stands for the merger of one in all with self-sacrifice and a selfless service. This can be compared with Gita's ideal of Niskama Karma. Through Sarvodaya, Gandhi struggles for the establishment of a new, moral, just, non-violent, non exploitative, non-materialist, non-racist, non-consumerist, liberated, human and de-centralized socio-politico-economic order which aims at the integrate welfare of the whole person everywhere. To achieve the welfare of all, the benefits of the nation's progress and prosperity must reach down unto the least and the lowest of the society. The natural and available resources of the world are to be for the total well-being of all human beings for their proper fulfillment as individual persons. Sarvodaya aims at the realization of global welfare and, consequently, a universal brotherhood and friendship in the place of a corrupt and unjust world where only a few enjoy the fruits of the world.

**Impact of Sarvodaya in the society :**

Gandhian concept of Sarvodaya is both social and political in nature. For Gandhi politics was a means to social change and social transformation. Therefore, all his political agendas, principles and movements were social in nature. The idea of Sarvodaya attacks the repellent and perverse consequences of egoism and the desire for power and wealth. Hence, it shows the necessity of the disinterested service. Service, dedication and the realization of common good are its techniques and formulas and it is opposed to the Marxist theory of class struggle, which favours utilization of violence. Sarvodaya appeals for the replacement of the concept of class struggle by the more rational and organic theory of social good and harmony.

An important aspect of Sarvodaya society is that it should be based on non-violence, equality and freedom. How to bring economic equality without any coercive measure or encroaching upon individual liberty is a serious problem. Gandhi in his own way suggests measures to bring equitable economic order in the society. It is true that no society can be founded upon perfect equality for there is natural difference in intelligence, physical strength and talent of different

individuals. So modest difference of income can fairly be accepted as legitimate. But when there is a wide gap between the have-not millions and a limited land owners or capitalists, as has been the case in almost all the states, it is a matter of great concern. In the process of non-violent transformation of the society there will emerge a non-violent democratic state where social life of people will be self-regulated and people will be equal. In this process society would be so regulated and individuals would be so enlightened that there would be non-violence, equality and freedom in all spheres of public life. Since economic equality is the basis of a just and non-violent society, Gandhi has innovated the concept of trusteeship as a practical solution to the problem. Further by economic equality Gandhi does not mean that everyone will have literately the same amount but a better realization of the principle "from each according to his ability to each according to his need". Equality here means that every individual should be capable to satisfy his natural needs.

**Conclusion :**

Thus Gandhi's whole approach for rebuilding the socio-political structure aims at a moral upliftment of the society. The very purpose of Sarvodaya is the gradual approximation to some cherished values like nonviolence, equality and freedom. It is founded on a philosophy of altruism and emphasizes on quality of life. Sarvodaya is an intellectual attempt to build a plan of political and social construction on the basis of metaphysical idealism. It is based on the insights of Gandhi in the framework of independent India. The philosophy of Sarvodaya will be very important in the 21st century due to complexity of human behaviour. It is perhaps the only way to solve the problems of unemployment, unequal distribution of wealth, growing corruption in public life etc. It is like a light for us that shows us the right way through which we can reach our destination, namely freedom, peace and universal brotherhood. In the words of Gandhi, if we follow the path of Sarvodaya, the Kingdom of God can be established on earth.

**References :**

Devadoss, T. S. Sarvodaya and the Problem of Political Sovereignty. University of Madras, Madras. 1974.
Gandhi, M.K , Sarvodaya : The Welfare of All . Navjivan Trust, 2012.
Mathai, M. P , Mahatma Gandhi's World View. Gandhi Peace Foundation, New Delhi. 2000.
Mishra, A. D , Gandhism after Gandhi. Mittal Publications, Delhi. 1999.
Narayanasamy S. The Sarvodaya Movement: Gandhian Approach to Peace and Non-Violence. Mittal Publications, New Delhi. 2003.

□□□